সুৰেন দাস মহাবিদ্যালয়

# আলোচনী



সম্পাদক ঃ

প্ৰবীন মেধি

# সুৰেন দাস মহাবিদ্যালয়

# আলোচনী

তৃতীয় সংখ্যা ঃ ১৯৯০–৯১ বৰ্ষ

তত্বাৱধায়ক ঃ
অধ্যাপক বিষ্ণু কান্ত শৰ্মা

সম্পাদক ঃ
প্ৰবীণ মেধি

## সম্পাদনা সমিতি

অধ্যক্ষ ড° দয়ানন্দ পাঠক —সভাপতি
অধ্যাপক বিষ্ণুকান্ত শৰ্মা —তত্ত্বাৱধায়ক
" সুবোধ চন্দ্ৰ চৌধুৰী—সদস্য
" জ্যোতিষ চন্দ্ৰ বৰ্মণ— "
" ধ্ৰুৱপ্ৰসাদ বৈশ্য — "
অধ্যাপিকা নন্দিতা চলিহা—সদস্যা
" মিজো প্ৰভা বৰা— "
শ্ৰীৰমণী কান্ত দাস—সদস্য
( সাঃ সঃ ছাঃ এঃ সঃ )
শ্ৰীপ্ৰবীণ মেধি — "
সম্পাদক আলোচনী

## স্মৃতি-তৰ্পণ

স্বাধীনতাৰ জন্ম লগ্নৰে পৰা স্বদেশ-স্বজাতি আৰু ভাষা-সংস্কৃতিৰ
পূজাৰ বেদীত ,নিজক আত্ম বলিদান দিয়া মৃত্যুঞ্জয়ী বীৰ
শ্বহীদসকলৰ লগতে এই মহান শিক্ষানুষ্ঠানৰ দাতা
৺সুৰেন দাস দেৱৰ ওচৰত শ্ৰদ্ধাঞ্জলি
যাচিছো ।

# সূচী-পত্ৰ


সম্পাদকীয়—

**প্ৰবন্ধ**

| | | |
|---|---|---|
| ১। অসমৰ জনসংস্কৃতিত মাছ’ | গুণেশ্বৰ কৈৱৰ্ত্ত | ১ |
| ২। অনুবাদ সাহিত্যৰ প্ৰাসংগিকতা | এম আব্দুল মালিক | ৭ |
| ৩। অসমীয়া কবিতাত ৰোমান্টিছিজিম | ৰঞ্জু ঠাকুৰীয়া | ১০ |
| ৪। যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাত নিৰাশাবাদ | শ্ৰীলক্ষণ বৰ্মণ | ১৫ |
| ৫। স্বাধীনোত্তৰ যুগৰ অসমীয়া নাটকত স্বদেশ প্ৰেম | শ্ৰীগীতিকা দাস | ১৮ |
| ৬। শিশুৰ অপৰাধ প্ৰৱণতা আৰু ইয়াৰ দূৰিকৰণত পিতৃ-মাতৃ আৰু শিক্ষকৰ ভূমিকা | বীণাপাণী তালুকদাৰ | ৩১ |
| ৭। অভাৱেই অৱক্ষয়ৰ চালিকা শক্তি | খবিৰুদ্দিন আহমেদ | ৩৫ |

**গল্প**

| | | |
|---|---|---|
| ১। মদাৰ ফুলৰ সুবাস | শ্ৰীউষা বিশ্বাসী | ৪১ |
| ২। মই বলিয়া নহও | এম আৰ ঠাকুৰীয়া | ৪৫ |
| ৩। নিছিদ্ৰ ৰজনিৰ ৰক্তিম আভা | দ্বিজেন ভৰালী | ৫৪ |

**কবিতাৰ শৰাই**

| | | |
|---|---|---|
| ১। তেজৰ ডোঙাত সাজো কবিতাৰ ঘৰ | লোপা ডেকা বৰুৱা | ৬১ |
| ২। তৃষ্ণাতুৰ | এম জাকিৰ হুছেইন | ৬২ |
| ৩। অট্টহাসি | মুকুল কলিতা | ৬৩ |
| ৫। মোৰ মানুহৰ বাবে | মৃদুল দাস | |
| ৬। এপাহী ৰক্ত জবা | দীপক ডেকা | ৬৪ |
| ৭। প্ৰাৰ্থনা | গীতা দাস | ৬৪ |
| ৮। উভতি যোৱাৰ পথত | নিৰদা কলিতা | ৬৫ |
| ৯। চিৎকাৰ | হিৰণ কলিতা | ৬৫ |
| ১০। এমুঠি পোহৰৰ বাবে | মিছ ছামছিয়াৰা আহমেদ | ৬৬ |
| ১১। মানস প্ৰতিমা | প্ৰভাতি কলিতা | ৬৬ |
| ১২। সেই শিশুটি, যাক······ | জিনু বৰ্মণ | ৬৭ |
| ১৩। এতিয়াও কবিতাৰ বতৰ | প্ৰাণেশ্বৰ মালাকৰ | ৬৮ |
| ১৪। আজিৰ মানুহে সিহঁতক | ধীৰেণ দাস | ৬৯ |

**English Section :**

| | | |
|---|---|---|
| 1. The English Language at a Glance. | Ali Akbar Hussain | 1 |
| 2. Colours and Contours of Modern Assamese Drama | Dayananda Pathak | 7 |
| 3. History—A Barometer of human Progress | Prasanna Kumar Sahariah | 19 |
| 4. To the Cuckoo | Jahur Uddin Ahmed | 25 |
| 5. To my happy home | Md. Mahmudal Hushan | 26 |
| 6. My Life | Ramesh Saikia | 25 |

সম্পাদক সকলৰ কাৰ্য্যকালৰ প্ৰতিবেদন ১

# সম্পাদকীয়



অসমৰ ছাত্ৰ সমাজৰ সন্মুখত আজি এক গভীৰ প্ৰত্যাহ্বানে আত্মপ্ৰকাশ কৰিছে। এই প্ৰত্যাহ্বানৰ সন্মুখত আমি কেনেদৰে ঠিয় হওঁ তাৰ ওপৰতেই আমাৰ দেশৰ জনগণৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। আজি বহুতেই ছাত্ৰ সমাজৰ নৈতিক স্থিতিৰ ওপৰত তীৰ্যক দৃষ্টি নিক্ষেপ কৰিছে। ছাত্ৰ সমাজৰ প্ৰত্যাশিত আৰু অপ্ৰত্যাশিত কৰ্ম পন্থাৰ ওপৰত সকলোৱে দৃষ্টি নিৱদ্ধ কৰিছে। ঠাই বিশেষে ছাত্ৰ-ছাত্ৰীসকল প্ৰশংসিত হৈছে, লগতে সমালোচিতও। আজি চাৰিওফালে প্ৰশ্নৰ জোৱাৰ উঠিছে—ছাত্ৰ সমাজে নিজৰ চৰিত্ৰ আৰু ভাৱমূৰ্তি অম্লান ৰাখিব পাৰিছেনে? ছাত্ৰসকলে আজি ছাত্ৰৰ বাবে অনিবাৰ্যভাবে প্ৰয়োজনীয় গুণ গৰিমাৰে মহীয়ান হৈ থাকিব পাৰিছেনে? এনেবোৰ প্ৰশ্ন-বানৰ পৰা ছাত্ৰ সমাজে নিষ্কৃতি নাপাব। এনেবোৰ প্ৰশ্নবানৰ পৰা সমাজে অব্যাহতি নাপাব। কাৰণ, ছাত্ৰ সমাজ আমাৰ বৃহত্তৰ জনজীৱনৰেই এক অতি সম্ভাৱনাপূৰ্ণ অঙ্গস্বৰূপ।

বিশ্বৰ সভ্যতা সংস্কৃতিয়ে আজি অতি দ্ৰুতগতিত আগবাঢ়িছে। জীৱনৰ বিভিন্ন পৰ্য্যায়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই বিস্তৰ সমৃদ্ধি লাভ কৰিছে। বিশ্ব সভ্যতাৰ এই গতি প্ৰগতিৰ লগত সমানে ধাবিত হ'বলৈ হলে আমাৰ ছাত্ৰ সমাজে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। ইতিহাসে প্ৰমাণ কৰিছে, কঠোৰ পৰিশ্ৰমৰ কোনো বিকল্প নাই। অথচ, আমাৰ ছাত্ৰ-ছাত্ৰীৰ এটা অংশই তেনে বিকল্প পথৰ সন্ধানত পথভ্ৰষ্ট হোৱা যেন অনুভূত হৈছে। আমি কঠোৰ পৰিশ্ৰমৰ প্ৰতি অনাসক্ত হৈ নিজৰ অভীপ্সিত লক্ষ্যত উপনীত হ'ব খোজো। ফলত জীৱনপথত উজুটি খাও, পদে পদে বিপন্ন হও। এই দিশটোৰ প্ৰতি আমি সচেতন হোৱা ভাল।

ছাত্ৰ সমাজে আজি নিজকে পুনৰ প্ৰতিষ্ঠা কৰাৰ প্ৰশ্ন আহিছে। পিচে, ছাত্ৰ সমাজে তেনে কৰিবলৈ যাওতে নিজৰ সামাজিক দায়বদ্ধতাৰ কথা পাহৰি যোৱাৰ প্ৰশ্ন অহা নাই। বৰং পূৰ্বতকৈ ছাত্ৰ সমাজৰ সামাজিক দায়বদ্ধতা বহু গুণে বৃদ্ধি পাইছে। সামাজিক অন্যায় অবিচাৰৰ বিৰুদ্ধে ছাত্ৰ সমাজে অতন্দ্ৰ প্ৰহৰিৰ দৰে ঠিয় হোৱা উচিত। ৰাজনৈতিক দুষ্কৃতি আৰু দুৰ্নীতিৰ বিৰুদ্ধে ছাত্ৰ সমাজে মাত মতা উচিত। শৈক্ষিক অৱক্ষয়ক ৰোধ কৰাৰ ক্ষেত্ৰত ছাত্ৰ সমাজে এক ৰচনাত্মক ভূমিকা লোৱা উচিত। লগতে ছাত্ৰ সমাজৰ মনৰ পৰা প্ৰতিষ্ঠিত নৈতিক প্ৰমূল্য সমূহৰ প্ৰতি ঘোষিত হোৱা উন্মাসিক ধ্যান ধাৰণা সমূহৰ পৰিৱৰ্তন হোৱাটো দেশৰ সামগ্ৰিক স্বাৰ্থৰ বাবে প্ৰয়োজনীয়।

ছাত্ৰ সকলে দেশৰ শত্ৰুৰ বিৰুদ্ধে সংগ্ৰাম কৰাটো যিমানখিনি বাঞ্চনীয় নিজৰ মাজত নিহিত থকা বৈপৰীত্য সমূহৰ বিৰুদ্ধেও সমান্তৰালভাৱে সংগ্ৰাম কৰাটোৱো সমানেই বাঞ্চনীয়। যি কি নহওক, ছাত্ৰ সমাজে নিজকে পৰ্য্যালোচনা কৰাটো সাম্প্ৰতিক কালৰ এক নিৰ্মম দাবী। লগতে আমাৰ ক্ষীয়মান সমাজখনক ৰক্ষা কৰাটোৱো ছাত্ৰ সমাজৰ আন এটি পবিত্ৰ দায়িত্ব।

গ্ৰাম্যাঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলৰ দায়িত্ব এই ক্ষেত্ৰত আৰু বেচি। আমি জানো, দেশৰ শতকৰা ৭০% লোক গ্ৰামাঞ্চলত বাস কৰে। তেওঁলোকৰো সৰহভাগেই কৃষিজীৱী। গ্ৰাম্যাঞ্চলৰ বিকাশৰ ওপৰতেই দেশৰ জনগণৰ সামগ্ৰিক প্ৰগতি নিৰ্ভৰ কৰে। গ্ৰাম্যাঞ্চলৰ ছাত্ৰ ছাত্ৰী সকলে নিজক প্ৰতিষ্ঠা কৰাৰ বেলিকা চহৰ বাসী ছাত্ৰ-ছাত্ৰীতকৈ অধিক শ্ৰম কৰিবলগীয়া হয়। তেনে পটভূমিত আমাৰ দায়িত্ব আৰু গধুৰ। এনে দায়িত্ব এৰাই চলিব খুজিলে সেয়া আত্মপ্ৰতাৰণা বুলি বিবেচিত হ'ব। আমাৰ ছাত্ৰ-ছাত্ৰী সকলেও এই দিশত কিছু চিন্তা চৰ্চা কৰিব বুলি আশা কৰিলো।

মহাবিদ্যালয়ৰ আলোচনীৰ এই তৃতীয় সংখ্যাটো দৰাচলতে বিগত দুটা শিক্ষাবৰ্ষক সামৰিছে। বিত্তীয় সংকটৰ উপৰিও প্ৰবন্ধপাতি অথবা প্ৰকাশযোগ্য লিখনিৰ অভাৱত নিয়মীত তৃতীয় সংখ্যাটি প্ৰকাশ কৰিব নোৱাৰিলো। এই সংখ্যাটো চতুৰ্থ সংখ্যা হিচাপে প্ৰকাশ পাব লাগিছিল। যি কি নহওক, দুয়োটা সংখ্যাৰ লিখনিখিনিক সামৰি এই তৃতীয় সংখ্যাটি প্ৰকাশ কৰা হ'ল।

আলোচনীৰ সম্পাদকৰ দায়িত্ব দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ শলাগ লৈছো। সম্পাদনাৰ গধুৰ দায়িত্ব বহন কৰাৰ ক্ষেত্ৰত আলোচনী বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীবিষ্ণুকান্ত শৰ্মাদেৱে দিয়া সৎ পৰামৰ্শ, সহায় সহযোগিতাৰ বাবে তেওঁৰ শলাগ ললো। লগতে বন্ধু শ্ৰীপ্ৰতুল কলিতা, ৰমণী দাস, মনোজ মেধি, টংকেস্বৰ দাস, পৰশু মালাকৰ,

দীপক ৰাজবংশী, নিজৰা দাস, ৰুমী দেৱী, অতুল দাসৰ শলাগ লৈছো। গুৱাহাটীৰ শ্ৰদ্ধাঞ্জলি প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী শ্ৰীগোবিন্দ মোহন গোস্বামীয়ে আলোচনীখন প্ৰকাশ আৰু মুদ্ৰনৰ ক্ষেত্ৰত দেখুওৱা সহযোগিতাৰ বাবে তেওঁৰ প্ৰতিও শলাগ যাচিছো।

আলোচনীখনৰ মানদণ্ড অক্ষুণ্ণ ৰাখি এক নিৰ্ধাৰিত সময় পৰিধিৰ ভিতৰত প্ৰকাশ কৰি উলিয়াব পৰাটো এটা অসাধাৰণ কাম। এনে অসাধাৰণ কাম কৰাৰ গৌৰৱ অৰ্জন কৰিব পৰাটো মোৰ বাবে সম্ভৱ নহল।

আলোচনীখনত অনিচ্ছাকৃত ভাবে হোৱা বহুতো দোষ ত্ৰুটি থাকি যাব পাৰে। পাঠক বৰ্গই তাৰ বাবে অভাজনক ক্ষমা কৰিব বুলি আশা ৰাখিছো।

সকলোৰে প্ৰতি শ্ৰদ্ধা, মৰম আৰু আন্তৰিকতাৰে—

শ্ৰীপ্ৰবীণ মেধি
সম্পাদক,
সুৰেন দাস মহাবিদ্যালয় আলোচনী



বহি—(বাওঁফালৰপৰা) অধ্যাপক ধ্ৰুৱ প্ৰসাদ বৈশ্য, অধ্যক্ষ দয়ানন্দ পাঠক আৰু অধ্যাপক বিষ্ণুকান্ত শৰ্মা (তত্ত্বাৱধায়ক)। থিয় হৈ—প্ৰবীন মেধি (সম্পাদক, আলোচনী), ৰমণী দাস।

# অসমৰ জনসংস্কৃতিত মাছ

—ভুৱনেশ্বৰ কৈৱৰ্ত
স্নাতক ১ম বাৰ্ষিক (কলা)

মাছ অসমৰ জন সাধাৰণৰ এবিধ পুষ্টিকৰ প্ৰধান আহাৰ। সেয়ে মাছৰ সৈতে অসমৰ জনসংস্কৃতিৰ ওতঃপ্ৰোত সম্পৰ্ক। সম্প্ৰতি বাণিজ্যৰ ক্ষেত্ৰতো মাছ এবিধ প্ৰধান জীৱিকা ৰূপে পৰিগণিত হৈছে। অসমৰ মুঠ জনসংখ্যা একতৃতীয়াংশ মাছৰ ওপৰত নিৰ্ভৰ কৰিয়েই জীৱন যাপন কৰি আছে। পৃথিৱীৰ প্ৰাচীন প্ৰাণী বিলাকৰ ভিতৰত অন্যতম মাছ এবিধ শীতল ৰক্তী প্ৰাণী। এই মাছক লৈয়ে আমাৰ অসমীয়া সমাজখন কেনেভাৱে সাঙোৰ খাই আছে তাৰ কিছু বিশ্লেষণ কৰা যাওঁক।

হিন্দু সকলৰ অৱতাৰবাদ মতে মাছ বিষ্ণুৰ প্ৰথম অৱতাৰ। প্ৰলয় জলৰ পৰা চাৰি বেদ উদ্ধাৰ কৰিবৰ বাবেই বিষ্ণুৱে মাছৰূপ ধাৰণ কৰিছিল বুলি বৈষ্ণৱ সকলে বিশ্বাস কৰে। মৎস্য পুৰাণত অলেখ মাছৰ নাম পোৱা যায় আৰু এই মাছবোৰৰ উৎপত্তি সম্পৰ্কে অনেক কাহিনীৰে মৎস্যপুৰাণ ভৰপুৰ।

গ্ৰীনলেণ্ড আৰু আইচলেণ্ডত বসবাস কৰা এস্কিমো সকলে মাছক প্ৰধান আহাৰ ৰূপে গ্ৰহণ কৰিছে যদিও অসমীয়া সমাজত ই অতিৰিক্ত প্ৰিয় খাদ্য ৰূপে প্ৰচলিত। ভাৰতৰ অন্যান্য ৰাজ্যত বৈষ্ণৱ সকলে মাছ নাখায়। কিন্তু অসমত কি ব্ৰাহ্মন, কি বৈষ্ণৱ সকলোৱেই মাছ খায়। অৱশ্যে শাল, শিঙি মিৰিকা, গেৰুৱা নেৰিয়া আদি কেইবিধ মান মাছ উচ্চ বৰ্ণৰ মানুহে এতিয়াও নেখায়। যোগিনী তন্ত্ৰৰ মতে অসমৰ সকলো শ্ৰেণীৰ বাবেই মাছৰ ব্যৱহাৰ নিষিদ্ধ নহয় বুলি উল্লেখ আছে। অৱশ্যে উচ্চ বৰ্ণৰ লোকে

দেখাত সাপৰ দৰে বাকলি নথকা মাছ নেখাই-ছিল। নিমখৰ সলনি পানীত গজা শাকেৰে মাছৰ আঞ্জা ৰন্ধা হৈছিল। কিছুমান পণ্ডিতে ক'ব খোজে যে সৰ্বসাধাৰণ মানুহে মাছ খোৱা নিয়মটো জনজাতিৰেই প্ৰভাৱ। "সৰ্ব্বেশী পীঠে ধৰ্ম কৈৱাত জঃ মতঃ। কামৰূপে ন সন্যাস্তব্য দীৰ্ঘ ব্ৰতং প্ৰিয়ে। নতাজেৎ সাম-গ্ৰিৰ দেৱী ব্ৰহ্মচৰ্য্য মতংনচ"। তেনেহ'লে ভাৰতৰ অন্য অঞ্চলত আৰ্য্য হিন্দু সমাজত নচলা অথচ অসমত চলা আহাৰ বিহাৰ জনজাতীয়ৰেই প্ৰভাৱ। ড° বিৰিঞ্চিকুমাৰ বৰুৱাই 'অসমৰ লোক সংস্কৃতি, নামৰ গ্ৰন্থত লিখিছে—অসমৰ নদীবোৰেই অসমীয়া মানুহ-বোৰক আমিষভোজী কৰিছে। কোনো এটা দৃষ্টিকোনৰ পৰা ই হয়টো সঁচা। ভাৰতত নদী থকা অঞ্চলৰ মানুহবোৰ অসমীয়া মানুহৰ দৰে আমিষভোজী নহয় কিয়, ভাবিবৰ থল নোহোৱা নহয়। ধৰ্মীয় বিশ্বাস বুলি ভাবি-বৰো থল আছে। গুৰু চৰিতত উল্লেখ আছে যে শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে মাছ-পুঠি উভৈনদীকৈ পোৱা ঠাইতহে সত্ৰ স্থাপন কৰিছিল।

ধৰ্মীয় আচাৰ অনুষ্ঠান পালনত, সামা-জিক ৰীতি-নীতি পালনত, জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত, অসমীয়া ফকৰা-যোজনা, লোকগীত, বিহুগীত, প্ৰবচন আদিত মাছৰ বিশিষ্ট স্থান আছে আৰু এইবোৰে অসমীয়া মানুহৰ মৎস্য-প্ৰীতিৰ কথাকেই প্ৰমাণ কৰে। মাছক লৈয়ে অসমীয়া সমাজত নানা জনশ্ৰুতি, জনবিশ্বাস, সাধু, গল্প উপন্যাস আদিৰ সৃষ্টি হৈছে; চহকী হৈছে অসমীয়া সাহিত্যৰ ভঁৰাল।

অসমত সামাজিক ৰীতি-নীতি পালনত মাছ অপৰিহাৰ্য্য। মাংগলিক অনুষ্ঠান সভা-সমিতি, প্ৰেতকৰ্ম, জন্মোৎসৱ, অন্ন প্ৰাশন, আলহী অভ্যৰ্থনা আদিত মাছ নহলেই নহয়। এই অনুষ্ঠানবোৰত মাছেৰে এগৰাহ ভাত আলহীক খুৱাবলৈ অসমীয়া মানুহৰ যত্নৰ ক্ৰুটি নাই।

হিন্দুসমাজৰ বিবাহ অনুষ্ঠানৰ আগদিনা অৰ্থাৎ 'তেলৰ ভাৰৰ দিনা দৰা পক্ষই কইনা পক্ষলৈ মাছ লৈ যোৱাটো নিয়ম। অসমত আহোম সম্প্ৰদায়ৰ লোকে 'ন পুৰুষৰ শ্ৰাদ্ধত' এযোৰ মাগুৰ মাছ উচৰ্গা কৰে। অসমৰ সকলো ঠাইতে 'আঠমঙলা' আৰু 'খোবাউৰি'ৰ দিনা মাছেৰে ভোজ খুওৱাৰ নিয়ম আছে। নামনি অসমৰ কোনো কোনো ঠাইত 'দৰা কইনা'ৰ পাতত ভাত দিয়া অনুষ্ঠানৰ ভোজত মাছ ব্যৱহাৰ কৰে। নামনি অসমৰ কোনো কোনো ঠাইত ব্ৰাহ্মন সকলৰ মাজত 'পুংসৱন' নামৰ এটা ধৰ্মীয় অনুষ্ঠান প্ৰচলিত আছে। এই উৎসৱত 'পুংসৱন' ধৰ্মীয় কাৰ্য্য সম্পাদন কৰা হয় নাৰীৰ প্ৰথম গৰ্ভধাৰণৰ অষ্টম মাহত। গৰ্ভস্থ সন্তানৰ মঙ্গল কামনা কৰি এই অনুষ্ঠান পালন কৰা হয়। বৰ্ত্তমানে এই অনুষ্ঠান পালন কৰাটো কমি আহিছে। এযোৰ মাগুৰ মাছ (বিশ্বাস আছে মাগুৰ



মাছৰ আয়ুস হেনো দীঘলীয়া) কইনাক দেখুৱাই পানীত মেলি দিয়া হয়। ইয়াৰ উদ্দেশ্য হ'ল মাতৃৰ গৰ্ভস্থ সন্তানটো দীৰ্ঘজীৱী হোৱাৰ কামনা কৰা। 'পুহন বিয়া'ৰ বিয়ানামত ইয়াৰ উল্লেখ আছে—

'চৰিয়াত জীয়াবা মাগুৰ মাছ এহালি
কইনাৰ আগতে থ'বা
সেই মাছ হালিকে নৈত মেলি দিবা
দীৰ্ঘজীৱি পুত্ৰ পাবা'

অসমত বাসকৰা আন আন জনগোষ্ঠীৰ মাজতো বিবাহ অনুষ্ঠানত মাছৰ ব্যাপক ব্যৱহাৰ আছে। উৰ্বৰতাৰ প্ৰতীক হিচাপেই যোৰ মাছ দেখুওৱাৰ প্ৰথা অসমতো আছে। মাছক সৌভাগ্যৰো প্ৰতীক বুলি ধৰা হয় বাবেই অসমীয়া তিৰোতাই গামোচাত, চাঁদৰত ছবি আঁকে। মাটিৰে মাছ সাজি ড্ৰইংৰুমত থৈ দিয়ে। হিন্দু সকলে প্ৰেতকৰ্মতো মাছ ব্যৱহাৰ কৰে। শ্ৰাদ্ধৰ দিনা ৰাতি জ্ঞাতি কুতুম্বৰে সৈতে মাছেৰে নিৰামিষ ব্ৰতভংগ কৰে। পিছ দিনা গাঁৱৰ মানুহক মাছেৰে ভোজ ভাত খুৱায়।

অসমীয়া সমাজত গ্ৰহৰ দোষ খণ্ডন কৰাৰ বেলিকাও মাছ অপৰিহাৰ্য্য। শনি গ্ৰহৰ দোষ খণ্ডন কৰিবলৈ প্ৰতি শনিবাৰে শনিবাৰে গৰৈ মাছ পুৰি খোৱাৰ নিয়ম আছে। ৰাহুৰ দোষ খণ্ডন কৰিবলৈ ৰঙাচাউল, ৰঙা মাছেৰে ভকতক খুৱায়। মাছ প্ৰজননৰ প্ৰতীক। মাছৰ বংশ বৃদ্ধি দ্ৰুত গতিৰে হয়। সেই বাবে কৃষি উৎসৱ পালনতো মাছে উল্লেখযোগ্য ভূমিকা লয়। উজনি অসমৰ কোনো কোনো ঠাইত 'লখিমী আদৰা' উৎসৱত তিৰোতা মানুহে বিল বা পুখুৰীত জাকৈ বায়। জাকৈত উঠা জাবৰ-জোঠৰ আৰু মাছ তুলি আনি বেদীত উৎসৰ্গা কৰে আৰু পাছত ভঁৰাল নাইবা শস্যৰ পথাৰত চতিয়াই দিয়ে। অসমীয়া মানুহে আশা কৰে মাছৰ বংশ বৃদ্ধি দ্ৰুতভাৱে হোৱাৰ দৰে পথাৰৰ শস্যবোৰো নদন বদন হওঁক। কালিপূজা, দুৰ্গাপূজা আদিত মাগুৰ মাছ বলি দিয়াও হয়।

মাছৰ সৈতে অসমৰ জনসংস্কৃতিৰ সম্পৰ্কে অতি ওতঃপ্ৰোতঃ তাৰ আৰু এটা প্ৰমাণ হ'ল যে মাছৰ নামেৰে অসমৰ বহু গাওঁ, চহৰৰ নামাকৰণ হোৱাটো! গৰৈমাৰী, কাৱৈমাৰী ৰৌমাৰী, পুঠিমাৰী, খলিহামাৰী, শালমাৰা, শোলমৰা, শিঙিমাৰী, পাভৈ, চিতলমাৰী আদি অনেক ঠাইৰ নাম মাছৰ নামেৰে নামাকৰণ হৈ আছে। সৰু ল'ৰা-ছোৱালীৰ খেল, বৰালি বকুৱা, মাগুৰী ধান আদি নাম-বোৰো মাছৰ পৰাই হৈছে।

মাছক লৈ অসমীয়া সমাজত কিছুমান জনবিশ্বাসৰো সৃষ্টি হৈছে। মাছৰ শুকান হাঁড় আৰু মূৰ ঘৰৰ চালত আৰি থলে ভূত প্ৰেত নাহে বুলি বিশ্বাস কৰে। চ'ত মাহত পুঠিমাছৰ কণী খালে মৃত্যু হ'ব পাৰে বুলি বিশ্বাস কৰে। সেই বাবে চ'ত মাহত অস-মীয়া মানুহে পুঠিমাছ নাখায়। অসমীয়া

মানুহৰ বিশ্বাস আছে, মাছ খাই গাখীৰ খালে বাত বেমাৰ হয়। ঠিক তেনেকৈ শাওন মাহত বৰালি মাছ খালে ৰোগে পীড়া কৰে বুলি বিশ্বাস আছে। অসমীয়া মানুহে মাছ অপদেৱতাৰো প্ৰিয় বুলি ধাৰণা কৰে। তেওঁ-লোকে এই অপদেৱতাক 'বাক' বুলি কয়। সপোনত মাছ দেখিলে সন্তান জন্ম হোৱা নাইবা বিয়াৰ আগজাননী বুলি ভাবে। সপোনত বগা বাকলি থকা মাছ দেখিলে ঘৰৰ মঙ্গল বুলি আৰু কলা মাছ দেখিলে অমঙ্গল বুলি ভবা হয়।

অসমীয়া সমাজত মাছক ঔষধ ৰূপেও বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। টোপনিত প্ৰস্ৰাৱ কৰা সৰু ল'ৰা ছোৱালীক পানীমুটুৰা মাছ পুৰি খুওঁৱাৰ নিয়ম আছে। কুকুৰীকণা মানুহক বৌ মাছৰ পেঁটু খুৱায়। মাছৰ হাড় গুৰি কৰি চোবাই খালে দৃষ্টি শক্তি বাঢ়ে বুলি এটা বিশ্বাস আছে। বৌমাছৰ পিত্তত চাউল ভৰাই থৈ, পিততো শুকাই যোৱাৰ পিছত পিতৰ ভিতৰত থকা চাউল খালে পিত্ত আৰু কৃমি নাশ হয় বুলি এটা বিশ্বাস আছে। পুঠিমাছৰ মূৰ ঘিউত ভাজি খালে বীৰ্য বাঢ়ে বুলি কয়। আই (বসন্ত) ওলোৱা মানুহক লোকাচাৰ মতে পকনি দিয়ে। ইয়াৰ বাবেও চেঙা আৰু মোৱা মাছ উত্তম বুলি কোৱা হয়। আইনামত ইয়াৰ উল্লেখ আছে—

'মোৱা মাছ পকনি কলদিল শুকনি
আয়ে ভোজন বুলি লয়,

ঠিক সেইদৰে শুকনিৰ বাবেও মাগুৰ মাছ কলডিলৰ সৈতে ভাজি কৰি আই ওলোৱা মানুহক খুৱায়। উজনি অসমৰ কোনো কোনো ঠাইত কলদিলৰ পৰিবৰ্তে খৰিচা ব্যৱহাৰ কৰে। আন বহুতো অসমীয়া ঔষধত মাছ ব্যৱহাৰ হয়। তান্ত্ৰিক কাম কাজ বোৰতো ওজাই মাছ ব্যৱহাৰ কৰে।

বিহু অসমীয়াৰ জাতীয়, অতি আনন্দ উলাহৰ উছৱ। বিহুগীত ঘাইকৈ আনন্দৰ গীত। মুক্ত প্ৰকৃতি এই গীতবোৰৰ উপজীব্য। চহা কবিৰ কল্পনাত মাছেও ধৰা দিয়ে সুন্দৰ ৰূপে। সেয়ে বিহুগীতত মাছৰ বৰ্ণনা বহলভাৱে আছে। বিহুগীতবোৰত মাছক উপমা হিচাপেই ব্যৱহাৰ কৰা হৈছে। চহা কবিয়ে স্বৰ্গদেউৰ গজপুৰ শুৱনি কৰা কেকোঁৰা দোলাখনৰ উপমাও মাছেৰেই দিয়ে।

'চৰাই চিকুন তেলীয়া সাৰেং
মাছৰ চিকুন মালি,
স্বৰ্গদেৰৰ চিকুন কেকোৰা দোলাখন
শুকাই গজপুৰৰ আলি'।

বিহুগীতত সময়ৰো বহন লাগে। নাচি-বলৈ ওলাই অহা বিহুৱতী গাভৰু জনীকো তুলনা কৰে, উজোৱা মোৱা মাছজাকৰ লগত

'জাকি মাৰি ওলালে মোৱা মাছ এজাকি
জাকি মাৰি ওলালে তৰা
আমাৰে নাচনি জাকি মাৰি ওলালে
সমাজৰ মাজৰে পৰা।'



এটা কাণ কটা এটা চোৰ
মাছৰ চিকুন মোৱা
টোপনিৰ চিকুন পুৱা ॥
'মাছৰ গাগল পহুৰ ছাগল
তাক খায় হয় মানুহ পাগল" ॥

ইত্যাদি অনেক বৰ্ণনা আছে।

অসমীয়া কাহিনীমূলক চহা গীত সমূহতো মাছৰ ব্যাপক উল্লেখ আছে। বৰফুকনৰ গীত, ফুলকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত, মনিকোঁৱৰৰ গীত আদিত মাছৰ উল্লেখ আছে—।

'শালেকৈ মাছৰে ছাল
ঘোৰা বৰুৱাই বাপেৰে ভাল';
মাছৰ কুমলীয়া শ'ল
বাপেৰক ধৰিব ৰাতিয়েই গ'ল
কিনো মাছ মাৰিবৰ এলেং
গাত লৈ গৈছিল গৰিয়লি ছেলেং
দলনিৰ পোনা মাছে কান্দে,
হিয়াত ভুকুমাৰি ফুকনৰ জীয়েকে কান্দে।'

অসমীয়া পেৰভী বা ধেমেলীয়া গীততো মাছৰ উল্লেখ আছে।

'মাছ মাৰিবলৈ গৈছিলোঁ
মাছ পালো কাৰৈ
শহুৰৰ ঘৰলৈ গৈছিলোঁ
জীয়েকে বুলিলে তাৰৈ'।
মাছ মাৰিবলৈ গৈছিলোঁ
মাছ পালোঁ শাল
শহুৰৰ ঘৰলৈ গৈছিলোঁ
জীয়েকৰ ওফোন্দা গাল;

ইত্যাদি অনেক উদাহৰণ আছে।

ওজাপালি গীত, নাগাৰা নাম, বিয়ানাম আদি প্ৰায় সকলোতে মাছৰ উল্লেখ ব্যাপক ভাৱে আছে। মুঠতে দেখা যায় যে অসমীয়া জনসংস্কৃতিত মাছৰ স্থান গুৰুত্বপূৰ্ণভাৱে আছে। এক কথাত মাছে অসমীয়া জনসংস্কৃতিৰ ভঁৰাল বা ঐতিহ্য বহুগুনে বৃদ্ধি কৰিছে। □

বনঘোষাবোৰ যৌৱনৰ গীত। এইবোৰত মাছক ছোৱালী আৰু মাছ ধৰাক প্ৰেমৰ প্ৰতীক হিচাপে লোৱা হয়।

'মাছ হোৱা হ'লে পৰিলোহেঁতেন গৈ
তোমাৰে শেৱালি জালত,'

পুৰুষ নাৰী পৰস্পৰৰ প্ৰতি আকৰ্ষিত হয় যৌৱনত। যৌৱন ধুনীয়া। যৌৱনে পৃথিৱী খনকো ধুনীয়া কৰে। অংগ বিশেষৰ আকৰ্ষন বাঢ়ে—।

'তোমাৰ গাল দুখনি পাভ মাছৰ নিচিনা
তোমাৰ মুখখনি মালি মাছৰ নিচিনা
বামি মাছৰ নিচিনা চুলি'

মানুহৰ শাৰীৰিক সৌন্দৰ্য্য আৰু প্ৰকৃতিৰ সৌন্দৰ্য্যৰ বিজনীতেই এই উপমাবোৰ সজীৱ। দাম্পত্য সম্প্ৰীতিৰ আদৰ্শ ৰূপেও মাছক ব্যৱহাৰ কৰা হয়।

'কাক ডোঙাৰ বৰালি ডেৰ ছোৱাৰ বৰালি
কেনেকৈ মিহলি হ'ল
আমি নেঘেৰিয়াল তুমি যোৰহটীয়া
তেনেকৈ চিনাকী হ'ল।

ডেকা গাভৰুৱে পৰস্পৰে পৰস্পৰক সিজনক ঠাট্টা মস্কৰা কৰোতেও মাছৰ উপমা দিয়ে। ডেকাই গাভৰু শিপিনীক ঠাট্টা কৰাৰ উদ্দেশ্যে কয়—

'আমাৰ শিপিনীয়ে হাচতি যাচিছে
মোৰা মাছ ধৰিব ভাল'
দেওদি সাৰিলে দেও দৰিকনা
কিনো চেলেংখন দিলা অ' আইদেউ'
জালমাৰি বলৈ ভাল'।

গাভৰুৱে ডেকাকো জোকায়—
'ভোগদৈ নৈতে পাভ মাছ উজালে
দিখৌ নৈত উজালে না'ৰ
মোক নিব খোজ তয়ে হে'ৰ পিলিঙা
কিমান ধন ভাঙিব পাৰ।'

ড° লীলা গগৈ দেৱে তেখেতৰ 'অসমীয়ালোক সাহিত্যৰ ৰূপ ৰেখা'ত লিখিছে— 'ডাকৰ বচন অসমীয়া জন জীৱনৰ ব্যৱহাৰিক জ্ঞানৰ এখন মৌলিক বিশ্বকোষ'। ডাকৰ বচনত মাছৰ আৰু ৰন্ধন প্ৰকৰণ সম্পৰ্কে উল্লেখ আছে—

'পুঁৱৈ শাক ৰোহিত মাছ।
ডাকে বোলে সেহি ব্যঞ্জন সাঁচ॥
কাৰৈ মাছক কচি কাটিয়া।
হালধি মৰিষ তৈলে ভাজিয়া॥
ওলট পালত কৰিয়া পিঠি।
খাই পাইবা তেবেষে মিষ্টি॥

ইত্যাদি অনেক উদাহৰণ আছে। অসমীয়া ফকৰা যোজনা সমূহ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। এই সমূহতো মাছৰ ব্যাপক ব্যৱহাৰ আছে—

'শালক শিঙিয়ে হাঁহে
তয়ো কাজী ময়ো কাজী
ভালেতো গৰাকী নাহে'
'যোৰ যোৰ পাভ যোৰ





# অনুবাদ সাহিত্যৰ প্ৰাসংগিকতা

এম্‌ আব্‌দুল মালিক
স্নাতক মহলা, ১ম বৰ্ষ

সাহিত্যৰ বিশাল সাম্ৰাজ্যখনৰ অনুবাদৰ মূল্য অতি বেছি। অনুবাদৰ যোগেদি এটা ভাষা যিমান সোনকালে সমৃদ্ধিশালী হ'ব পাৰে, আন একো উপায়েৰে হ'ব নোৱাৰে। এই শ্ৰেণীৰ সাহিত্যত অন্য ভাষাৰ ভাৱসম্পদ, সামাজিক ৰীতি-নীতি আৰু ঐতিহ্যও একেলগে ঠাই খাই থাকে। ফলত সাহিত্যৰ লগতে ভাষাৰো পৰিসৰ বিস্তৃত হয়। আৱহমান কালৰে পৰা এটা ভাষাৰ গ্ৰন্থাৱলী আন ভাষালৈ ভাষান্তৰ হৈ আছে। খ্ৰীষ্ট জন্মৰ সময়ৰে পৰা ভাৰতৰ সংস্কৃত আৰু পালি ভাষাৰ বিভিন্ন গ্ৰন্থসমূহ চীনা আৰু তিৰ্ব্বতীয় ভাষালৈ অনূদিত হোৱাৰ উদাহৰণ পোৱা যায়।

বৰ্তমান কালত পৃথিৱীৰ বিভিন্ন উন্নত ভাষাই অন্য ভাষাৰ বিজ্ঞান, দৰ্শন, সাহিত্য অংকশাস্ত্ৰ আদিৰ গ্ৰন্থাৱলী নিজ নিজ ভাষালৈ অনুবাদ কৰি জ্ঞান বিস্তাৰত সহায় কৰিছে। অনুবাদ কাৰ্য্যৰ দ্বাৰা এটা অচিনাকী ভাষাৰ লগত আমাৰ পৰিচয় নোহোৱাকৈ সেই ভাষাৰ যোগেদি প্ৰকাশ হোৱা ভাৱ-সম্পদ, চিন্তা, কল্পনাৰ লগত আমাৰ পৰিচয় ঘটে। পৃথিৱীৰ শ্ৰেষ্ঠ গ্ৰন্থৰাজি আমি এইদৰে নিজৰ ভাষাতে পঢ়ি সোৱাদ ল'ব পাৰোঁ।

অভিধানিক অৰ্থত অনুবাদ বুলিলে প্ৰধানতঃ ভাষান্তৰিতকৰণ, ৰূপান্তৰিতকৰণ, ভিন্ন চাৰু কলাৰ যোগেদি প্ৰকাশ কৰণ বুজায়। অনুবাদৰ প্ৰকাৰভেদ তিনি ধৰণৰ :-আক্ষৰিক অনুবাদ, ভাষা অনুবাদ আৰু আক্ষৰিক আৰু ভাষা অনুবাদৰ মিশ্ৰণ। কিছুমান অনুবাদত আৰো অনুবাদকৰ নিজা টিপ্পনীও মূলৰ লগত

সোমাই থাকে। এনে ধৰণৰ অনুবাদক ব্যাখ্যা-মূলক অনুবাদ বুলি ক'ব পাৰি।

অনুবাদৰ কামটো কিন্তু সহজ নহয়। অনুবাদক জনেহে জানে ই কেনে কঠিন কাৰ্য। অনুবাদ কাৰ্য যান্ত্ৰিক নহয়; বৰং ইয়াক সৃষ্টিশীল কাৰ্য বুলিহে অভিহিত কৰিব পাৰি। এটা ভাষাৰ শব্দ, শব্দধ্বনি, বাক্যৰ গঠন; প্ৰকাশভংগি আন এটা ভাষাৰে সৈতে কেতিয়াও এক হ'ব নোৱাৰে। এটা ভাষাৰ শব্দধ্বনিৰ যিটো সৌন্দৰ্য, অইন এটা ভাষাত সেই শব্দ কেইটাৰ প্ৰতিশব্দই সেইটো প্ৰকাশ কৰিব নোৱাৰিব পাৰে। সেয়েহে ডঃ মহেন্দ্ৰ বৰা ডাঙৰীয়াই কৈছে—শ্ৰেষ্ঠ কাব্য অনুবাদ্য।" এটা ভাষাৰ সৌন্দৰ্য আন এটা ভাষাৰ বাক্য ৰচনাত আৰু প্ৰকাশভংগিত ৰক্ষা কৰাতো জটিল। তদুপৰি এটা ভাষাৰ পিছত আছে এটা জাতিৰ হাজাৰ হাজাৰ বছৰৰ ইতিহাস, অভিজ্ঞতা আৰু আচৰণ। এই বিলাকে শব্দ গঠন কৰে আৰু অৰ্থ প্ৰকাশ কৰে। অন্য এটা ভাষাত সি এলাগী হৈ পৰে। অনুবাদ এনেকুৱা হ'ব লাগে যাতে ই সৰ্বসাধাৰণ পাঠকৰ বোধগম্য হয়। পণ্ডিত জনে মাথোন আক্ষৰিক অনুবাদ কৰি গলে সি পাঠকৰ বোধগম্য নহ'ব আৰু সমাদৰো নাপাব। আক্ষৰিক অনুবাদত বস্তুনিষ্ঠা অধিক পৰিমাণে অটুট থাকিলেও ই প্ৰায়ে সুখপাঠ্য নহয়। মূল ভাষা আৰু অনুবাদৰ ভাষা—দুয়োটাৰে ওপৰত অনুবাদকৰ সমানে দখল থাকিব লাগিব; তেহে অনুবাদ সফলকামী হৈ উঠিব। ডঃ প্ৰফুল্ল চন্দ্ৰ কটকীয়ে এই প্ৰসংগত এষাৰি ধুনীয়া কথা কৈছে—"মূল ভাষাৰ বৈশিষ্ট্য অনুবাদত যথাসম্ভৱ ৰক্ষা পৰাটোৱেই কাম্য, কিন্তু এই আদৰ্শ বাস্তৱত ৰূপায়িত কৰাটো সদায় সম্ভৱ নহয়। মূল ৰচনাৰ ভাষা আৰু অনুবাদৰ ভাষা—এই দুয়োটাৰে প্ৰকাশভংগিৰ বৈশিষ্ট সদায় একে নোহোৱাটোৱেই এই ক্ষেত্ৰত প্ৰধান অন্তৰায়।"

সৰহ ক্ষেত্ৰত অনুবাদত মূলৰ বিকৃতি ঘটা দেখা যায়। ভাবানুবাদত এই বিকৃতিৰ সম্ভাৱনা অধিক প্ৰকট। ইয়াৰ কাৰণ কেবাটাও হ'ব পাৰে; যেনে—অজ্ঞানতা, অসাৱধানতা নাইবা ইচ্ছাকৃত ইত্যাদি। বিজ্ঞান, অঙ্কশাস্ত্ৰ বিষয়ক ৰচনাৰ অনুবাদ আন অনুবাদতকৈ সহজ, কিন্তু তাৰ বাবে প্ৰয়োজন উপযুক্ত পৰিভাষাৰ। সেইদৰে, কাব্যৰ অনুবাদ আটাইতকৈ কঠিন কাৰ্য্য। বহুতো সমালোচকে "অনূদিত কবিতা কবিতাই নহয়" বুলি মন্তব্য কৰিছে। দৰাচলতে এনে মন্তব্য অতিৰঞ্জিত। অনুবাদৰ ক্ষেত্ৰত আচল কথা হ'ল অনুবাদকৰ পাৰদৰ্শিতা, বাকীবোৰ সমস্যা নগন্য। ডঃ জনচনে মন্তব্য কৰিছিল—"A translator is to be like his author; it is not his business to excel him."

সাহিত্যৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি আৰু গতিশীলতা ৰক্ষা কৰিবৰ বাবে, জ্ঞান-বিজ্ঞানৰ বিভিন্ন ভাৱ-চিন্তাৰ সম্ভাৰেৰে সমাজক পুষ্ট কৰিবৰ বাবে অনুবাদৰ নিতান্তই প্ৰয়োজন।





অনুবাদে সাধাৰণ ৰচনাশৈলীৰ পৰিবৰ্ধন ঘটোৱাৰ উদাহৰণো অছে। মাৰ্টিন লুথাৰে বাৰ বছৰ ধৰি জাৰ্মান ভাষালৈ বাইবেলৰ অনুবাদ কৰিছিল। বহুতে তেওঁৰ এই অনুবাদে জাৰ্মান ভাষাটোক গঢ় দিলে বুলি কয়।

শেষান্তৰত ক'ব পাৰি যে অনুবাদ সৰল আৰু বোধগম্য হ'ব অথচ মূল ভাষাৰ ঝংকাৰ আৰু সৌষ্ঠৱো থাকিব—এনে অনুবাদ, সচাকৈয়ে টান। যিমানেই অনুবাদমূলক অনুগামী হয়, সিমানেই অনুবাদৰ ভাষা জটিল হৈ পৰে, আনহাতে ভাষা সৰল আৰু বোধগম্য কৰিবলৈ গলে অনুবাদ মূলৰ পৰা আতৰি যায়। গতিকে অনুবাদকৰ কৃতিত্ব ইয়াতে যে অনুবাদ পঢ়ি মৌলিক সাহিত্য পঢ়া যেন অনুভৱ হ'ব লাগে। □

অসম মৰিমুৰ হলে অসমীয়াও মৰিব। অসমীয়াৰ লাখ লাখ বছৰৰ সাধনাৰ ফলত পোৱা ব্ৰহ্মপুত্ৰৰ দৰে বিশাল বিৰাট অসমীয়া কৃষ্টিও লুপ্ত হব……আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত অসমক মৰিবলৈ নিদিও……অসমীয়া সংস্কৃতি লুপ্ত হবলৈ নিদিও ।

**কলাগুৰু বিষ্ণু ৰাভা**

# অসমীয়া কবিতাত ৰোমাণ্টিছিজিম

—শ্ৰীৰঞ্জু ঠাকুৰীয়া
স্নাতক ২য় বাৰ্ষিক ( ক'লা )

বিদেশী শাসকে ভাৰতবৰ্ষত খোপনি পোতাৰ লগে লগে বিদেশী ভাৱধাৰাৰ বা বতাহেও ভাৰতীয় জাতীয় জীৱন স্পৰ্শ কৰে। ইয়াৰ ফলত ভাৰতীয় সাহিত্য সংস্কৃতিত এক নৱজাগৰণে দেখা দিয়ে। বিদেশী শাসন ভাৰতীয় জাতীয় জীৱনৰ চৰম অভিশাপ, কিন্তু বিদেশী ভাৱৰ স্ফূৰণ ভাৰতীয় সাহিত্য সংস্কৃতিৰ সৌভাগ্য। বিদেশী প্ৰভাৱে ভাৰতীয় সাহিত্যক এটা স্থবিৰ অৱস্থাৰ পৰা মুক্ত কৰিলে। সামাজিক জীৱনত এটা নতুন চেতনা জাগি উঠিল। ইয়াৰ লগে লগে সংবেদনশীল কবি শিল্পী সকলে সাহিত্য সংস্কৃতিৰ যি নতুন আজান দিলে পৰাধীনতাৰ নাগপাশ দূৰ কৰিবলৈ সেয়ে হ'ল ভাৰতীয় জাতিৰ স্যামন্তক মণি। জাতীৰ সচেষ্টা, অধ্যায়ন স্পৃহা আৰু প্ৰাচ্য পাশ্চাত্যৰ ভাৱৰ সমন্বয়ৰ ফলত ভাৰতীয় কাব্য সাহিত্যত নৱ জীৱনৰ অভ্যূদয় হ'ল। ভাৰতীয় কবি সাহিত্যিক সকলৰ এই নৱ জাগ্ৰত চেতনাই ইংৰাজী সাহিত্যৰ ৰোমাণ্টিছিজিমৰ দান। ৰবীন্দ্ৰনাথ, ইকবাল গুৰুদত্ত মাইকেল, মধুসূদনদত্ত, হেমচন্দ্ৰ বন্দোপধ্যায়, সৰোজিনী নাইডু, লক্ষ্মীনাথ বেজবৰুৱা আদি ভাৰতীয় সাহিত্যৰ বিজয় তিলক।

ভাৰতীয় পূৱ-প্ৰান্তত অৱস্থিত অসম দেশতো এই নতুন ভাৱৰ জিলিঙনি নপৰাকৈ নেথাকিল। পশ্চিমীয়া ৰোমাণ্টিক সাহিত্যৰ যি উত্তাল তৰংগই ভাৰতীয় সাহিত্যত প্লাৱন আনিছিল অসমীয়া সাহিত্যতো তাৰ চিটিকনি পৰিবলৈ ধৰিলে। ইংৰাজী সাহিত্যৰ আদৰ্শত চতুৰ্দশপদী কবিতা ( Sonet ) ; শোক কবিতা ( Elegy) ; দীৰ্ঘ বৰ্ণনাত্মক কবিতা ( Narrative poem ) ; সাহিত্যিক বা অনুকৰণধৰ্মী লোকগীত ( Literary ballad ) আৰু ব্যংগ কবিতা ( Satirical verse ) আদি বিবিধ কাব্যিকৰূপে অসমীয়া সাহিত্যৰ পুষ্টি সাধন কৰিলে। কলিকতাত ইংৰাজী পঢ়িবলৈ যোৱা অসমমাতৃৰ সুসন্তান কেইগৰাকীমানে ইংৰাজী সাহিত্যৰ এই কবিধাৰাত অসমীয়া সাহিত্যলৈ আদৰি আনে। তেওঁলোকে বিদেশী কবিৰ আদৰ্শ ললেও নিজস্ব দৃষ্টি ভংগী, অভিজ্ঞতা আৰু প্ৰকাশন পদ্ধতিৰে কবিতাত স্বকীয়তা দান কৰিছে। অসমীয়া কবিতাত ৰোমাণ্টিছিজিমৰ প্ৰধান হোতাকেইগৰাকী হ'ল চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মী নাথ বেজবৰুৱা, ৰঘুনাথ চৌধাৰী। চন্দ্ৰকুমাৰ সম্পাদিত "জোনাকী" কাকত আধুনিক অসমীয়া সাহিত্যৰ আকাশ গংগা। জোনাকীৰ পোহৰ ৰোমাণ্টিছিজিমৰ পোহৰ।

আপুন মনৰ মাধুৰী ৰাশিৰে বোলাই প্ৰকৃতিৰ বহিঃ সোন্দৰ্য্যৰ বৰ্ণনা, প্ৰকৃতিৰ শান্ত স্নিগ্ধ শান্তিময় ৰূপৰ আকৰ্ষণ আৰু তাপক্লিষ্ট মানৱ জগতৰ লগত তাৰ বৈপৰিত্য প্ৰদৰ্শন, প্ৰাকৃতিক পদাৰ্থত সজীৱতা আৰোপ, প্ৰাকৃতিক পদাৰ্থৰ মানবীকৰণ বা দৈবীকৰণ ৰূপ, প্ৰকৃতিৰ প্ৰিয়তমাৰ সৌন্দৰ্য্যৰ প্ৰতি বিশ্ব দৰ্শন খণ্ড প্ৰকৃতিৰ সৌন্দৰ্য্যৰ অন্তৰালত অখণ্ড সৌন্দৰ্য্যৰ উপলব্ধি প্ৰকৃতিত আত্মাসুখ, দুখৰ অধ্যাৰোপ, প্ৰকৃতি শিক্ষাৰ উৎস স্বৰূপ অথবা প্ৰকৃতিৰ স্বাভাৱিক ঋতু পৰ্য্যায়ৰ সৌন্দৰ্য্য আদি বহুতো বিশেষত্ব প্ৰকৃতি বিষয়ক কবিতাত বা প্ৰকৃতি চিত্ৰনত দেখা পাওঁ। কবি ভেদে প্ৰকৃতিৰ স্থানৰহীনদেড়ী দেখা যায়। ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতিয়ে যি প্ৰাধান্য লাভ কৰিছে আন কবিৰ ৰচনাত সিমান নহয়। কিন্তু সকলো কবিৰ ৰচনাতে প্ৰাকৃতিক সৌন্দৰ্য্যৰ আকৰ্ষণ সাধাৰণ বিষেশত্ব।

এই যুগৰ কবিতাৰ আন এটি বিশেষত্ব হ'ল চহা বা আদিম আৰু সৰল জীৱন ধাৰাত মূল্যাৰোপন বা ব্যক্তি সত্বাৰ জয়গান। কৃত্ৰিম নগৰীয়া সভ্যতালৈ পিঠি দি বা সেই সভ্যতাত কেৱল জীৱনৰ অন্ধকাৰ দিশটোহে দেখা পায় ৰোমাণ্টিক কবি সকলে সহজ আৰু স্বাভাৱিক জীৱন অতিবাহিত কৰা গাঁৱৰ জীৱনলৈ সৌন্দৰ্য্য পিপাসু দৃষ্টিৰে চাইছিল। আনফালে আকৌ প্ৰাচীন সাহিত্যৰ দ্বাৰা অৱহেলিত বা পৰিত্যক্ত সাধাৰণ পদাৰ্থ আৰু ঘটনাক বুটলি লৈ "সৰগৰ বতৰা সুধিছিল। "মানিমুনিশাক"বাটৰ তুৰৰী বনো তেওঁলোকৰ দ্বাৰ উপেক্ষিত নহৈছিল !

অতীতৰ জয়গান, পৰাধীনতাৰ গ্লানি অৱসাদ, জাতীয় ঐক্যৰ কাৰণে উদাত্ত আহ্বান, আন কথাত কবিতাত স্বদেশীপ্ৰতিৰ প্ৰবাহ বেজবৰুৱাতে আৰম্ভ হয় আৰু স্বাধীনতা আন্দোলনত সেই ভাব পৰিপুষ্ট হৈ বিংশ শতাব্দীৰ তৃতীয় চতুৰ্থ দশকত তেনে ভাৱৰ কবিতাৰ জোৱাৰ আহে। বিনন্দ বৰুৱা, ডিম্বেশ্বৰ নেওগ, প্ৰসন্ন লাল চৌধুৰী, অতুল চন্দ্ৰ হাজৰীকা আৰু অম্বিকাগিৰি ৰায় চৌধুৰীৰ স্বদেশ প্ৰীতিমূলক তেজোদ্দীপক কবিতাই তাৰ নিদৰ্শন।

এই যুগৰ গীতি কবিতাত প্ৰেমৰ স্থান বিশেষভাৱে মন কৰিব লগীয়া। জীৱন ক্ষণভঙ্গুৰ, কিন্তু প্ৰেম শাশ্বত স্বৰ্গীয় বস্তু। যুৱক যুৱতীৰ প্ৰণয়ো সৰ্বব্যাপী প্ৰেমৰেই এক অভি-


॥ সুৰেন দাস মহাবিদ্যালয় আলোচনী ॥

ব্যক্তি মাথোন। তেওঁলোকৰ দৃষ্টি প্ৰণয়ৰ সাৰ্থকতা মিলন বা সম্ভোগ নহয়; দুষ্প্ৰাপ্য প্ৰণয়িনিক লাভৰ চেষ্টাহে। কাল্পনিক প্ৰিয়াৰ অঙ্গ শোভাৰ বৰ্ণনা, বিশ্ব প্ৰকৃতিত প্ৰিয়াৰ ৰূপ দৰ্শন, বিৰহৰ গৌৰব আদি ভাবেৰে এই কালৰ অসমীয়া কবিতা ৰঞ্জিত। বেজবৰুৱাৰ 'প্ৰিয়তমা'ৰ আৰু "প্ৰিয়তমাৰ সৌন্দৰ্য্য"ৰ আৰম্ভ কৰি গণেশ গগৈৰ "পাপৰি"ৰ কবিতালৈকে ৰোমাণ্টিক প্ৰণয়ৰ গীতি কবিতাৰ ধাৰাটিৰ স্বৰূপ একেই কিন্তু অম্বিকাগিৰি ৰায় চৌধুৰীৰ নলিনীবালা দেৱীৰ কৱিতাত প্ৰেম আধ্যাত্মিক স্তৰলৈ ৰূপান্তৰিত হৈ ৰহস্যবাদৰ সৃষ্টি কৰিছে। অতীন্দ্ৰিয় প্ৰেমৰ এই সুৰটি আৰু আন দুই এজন কবিৰ ৰচনাত ছেগা ছেৰেকাভাবে পোৱা যায় যদিও সেইটো তেওঁলোকৰ প্ৰধান সুৰ নহয়।

"প্ৰতিমা"ৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালা অসমীয়া ৰোমাণ্টিক কবিতাৰো খনিকৰ। প্ৰকৃতি বন্দনা, মানৱ বন্দনা আৰু প্ৰকৃতিৰ বহিৰংগৰ সৌন্দৰ্য্যৰ মাজেদি অন্তৰাত্মাৰ সন্ধান এই তিনিটা ভাৱ প্ৰৱাহ তেওঁৰ কবিতাৰ সন্ধ্যা, ললিতা, কান্তা। প্ৰকাশ ভংগীৰ মধুৰতা আৰু চিত্ৰ কল্পৰ স্বাভাৱিকতাৰ কাৰণে চন্দ্ৰ কুমাৰ আগৰৱালাৰ কবিতা পৰৱৰ্ত্তি ৰোমাণ্টিক কবি সকলৰ আদৰ্শ আৰু প্ৰেৰণাৰ স্থল। চন্দ্ৰকুমাৰৰ 'প্ৰতিমা' অসমীয়া ৰোমাণ্টিক সাহিত্যৰ বেদীত থাপনা কৰা জয়ন্ত প্ৰতিমা।

বেজবৰুৱা দেৱে যথাৰ্থভাৱে কৈছিল—

"প্ৰতিমাখন সৰু কিন্তু নিভাঁজ সোণৰ।"

"প্ৰতিমা"ৰ থাপনা কৰি চন্দ্ৰ কুমাৰে সৌন্দৰ্য্যৰ যি পোহৰ মিলিলে সেয়ে গৈ দুৱৰা. চৌধাৰী প্ৰভৃতি কবিৰ হাতত মহামেলাত পৰিনত হ'ল।

"কদমকলি"ৰ কবি সম্পূৰ্ণভাৱে স্বাৱলম্বী মৌলিক বেপৰুৱা। "কবিতা হয় যদিও হওক নহয় যদিও নহওক" অকল মৌলিক প্ৰতিভা সম্পন্ন কবিৰ মনতহে এনে নিৰ্বিকাৰ মনোভাৱে ঠাই পোৱা সম্ভৱ। লক্ষ্মিনাথ বেজবৰুৱা অসমীয়া সাহিত্যৰ ধন্বন্তৰী, সকলো ৰোগৰে মহৌষধি লৈ সাহিত্যৰ নাড়ী জ্ঞান কৰি ইয়াৰ সুস্থ অৱস্থাৰ নিৰ্দ্দেশ আৰু বিধি ব্যৱস্থা দি যাব পাৰিছিল! চন্দ্ৰকুমাৰৰ লগে লগে তেওঁ অসমীয়া কবিতাত মাণিকী মধুৰী ৰোপন কৰিলে। চন্দ্ৰকুমাৰে সৌন্দৰ্য্যৰ জয় গান কৰিলে। বেজবৰুৱাই প্ৰেমৰ জয়ঢোল কোৱালে—

"প্ৰেমত ঘুৰিছে ভূমণ্ডল
প্ৰেমত ঘুৰিছে শতদল।"

তেওঁৰ দৃষ্টিত

'গোলাপে শুৱায় সুন্দৰ ফুলনি
প্ৰেমে শুৱায় মানুহৰ জীৱনী।

"ৰোমাণ্টিছিজিম কল্পনা শক্তিৰ অকৰিত লয় লাস।" হাৰ্ফোৰ্ডৰ এয়ে সাৰ্থক সূত্ৰ— Romanticism is an extraordinary development of imaginative sensibilities."

বেজবৰুৱা আৰু চন্দ্ৰ কুমাৰ আগৰৱালাৰ সমসাময়িক কবি হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ



পুথি "ফুলৰ চাকি" ফুলৰ নিচিনাই কোমল আৰু চাকিৰ নিচিনা উজ্বল। তেওঁৰ "প্ৰিয়তমাৰ চিঠি" নৱন্যাস যুগৰ প্ৰনয় কবিতাৰ পূৱতি তৰা—

তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী
নিতৌ নোহোৱা বা বাহি ; ন ন ফুল মেলে।

গোস্বামী আশাবাদী, প্ৰেমিক কবি। তেওঁৰ কবিতাত দুখ বাদৰ ছাঁ নাই। এই যুগৰে অন্যতম কবি হিতেশ্বৰ বৰবৰুৱাৰ কবিতা কৰুণ ৰসাত্মক। বৰবৰুৱাই অসমীয়া কবিতাত শোকৰ বিননি জুৰিলেও তাত দুখৰ হিয়া ভগা আৰ্ত্তনাদ নাই। কোনো গভীৰ নৈৰাশ্য বা জীৱনৰ প্ৰতি বিৰাগ বিতৃষ্ণৰ ভাৱ নাই। এই ভাৱ মূৰ্ত্ত হৈ উঠে ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাত। অসমীয়া ৰোমাণ্টিক সাহিত্যৰ চৌধাৰী আৰু দুৱৰা দুটা উজ্বল নক্ষত্ৰ। সাহিত্য প্ৰেমি অসমীয়াৰ প্ৰাণত এই সময়তে ইংৰাজী ৰোমাণ্টিছিজমৰ ৰসানুভূতিৰ সৃষ্টি কৰিছিল অসমৰ ভাওনি কোঁৱৰ আনন্দ চন্দ্ৰ আগৰৱালা।

অসমীয়া ৰোমাণ্টিক সাহিত্য ৰঙে ৰসে ভৰপুৰ। এই ৰসৰ যোগান ধৰা কবি আৰু বহুত আছে। দেশপ্ৰেমৰ অগ্নি কবি কমলাকান্তৰ কবিতাত প্ৰকৃতিৰ বৰ্ণনা আছে। অৱশ্যে সি উদ্দেশ্যধৰ্মী। প্ৰত্নতাত্বিক সূৰ্য্যকুমাৰ ভূঞাৰ কবিতা পুথি "নিৰ্মালী" প্ৰকৃত বিষয়ক নহয় যদিও প্ৰকৃতি বিমুখো নহয়। ৰত্নকান্ত বৰকাকতীৰ কবিতাত প্ৰকৃতি তথা পৃথিৱীৰ বাহ্যিক সৌন্দৰ্য্য অন্তৰৰ ৰাঙলী ৰঙেৰে ৰঞ্জিত আনহাতেদি তেওঁৰ প্ৰকৃতিয়ে ৰহস্যৰ অপূৰ্ব সন্ধানো দিয়ে। ডিম্বেশ্বৰ নেওগৰ প্ৰকৃতি বিষয়ৰ কবিতা সংখ্যাত তাকৰ যদিও ভাৱ বস্তু আৰু প্ৰকাশ ভংগী দুয়োফালৰ পৰাই সেইবোৰ অতি উচ্চতৰৰ। তেওঁ "শাপমুক্তা" ইংগিতময়তাৰে পূৰ্ণ। শৈলধৰ ৰাজখোৱাৰ "মাধৈ মালতী" ফুলৰ কবিতা। তেওঁৰ "অমানিশা" শোকৰ গীতি বুলিব পাৰি যদিও "অমানিশা" প্ৰকৃত কবিতাহে। বিনন্দ চন্দ্ৰ বৰুৱাৰ" "শৰতৰ আবাহন" শৰৎ কালৰ জকমকীয়া বৰ্ণনা। ধৰ্ম্মেশ্বৰী দেবী বৰুৱানীৰ প্ৰকৃতি বিষয়ক কবিতা তাকৰীয়া, কিন্তু সি দৰ্শনৰ গধুৰ ভাবেৰে ভাৰাক্ৰান্ত নহয়। কমলেশ্বৰ চলিহাৰ কবিতাত সুক্ষ্ম সোণ বৰণীয়া সৰিয়হ ফুলীয়া সুগন্ধ আছে। প্ৰসন্ন লাল চৌধুৰী, পদ্মধৰ চলিহা বিপ্লৱী সুৰ শিল্পী জ্যোতি প্ৰসাদৰ ভাৱ সাগৰতো কমলাকান্ত আৰু ৰায়চৌধুৰী অগ্নিবীনাৰ সুৰে খলকনি তুলিছিল। এওঁ বিলাকৰ কবিতাত পৰাধীনতাৰ তীব্ৰ গ্লানি আৰু বেদনা ফুটি উঠিছিল।

যতীন্দ্ৰ নাথ দুৱৰা আৰু গনেশ গগৈৰ কবিতাত ৰোমাণ্টিক সাহিত্যৰ আন এবিধ বিশিষ্টৰূপ পৰিলক্ষিত হৈছে। সৌন্দৰ্য্যৰ বেদিত দুয়োজনা কবিয়েই অন্তৰৰ ৰাঙলী শিহা জ্বলি আত্মোসৰ্গ কৰিলে। কিন্তু তেওঁলোকে সুন্দৰক বাস্তৱত লাভ কৰিবৰ কাৰণে সংগ্ৰাম কৰা নাছিল। সংগ্ৰামৰ সংঘাটত সপোন হেৰায়

যায় বুলি ৰোমান্টিক চিৰআলসুৱা অভিমানি অন্তৰ লৈ চিৰ বিৰহৰ গান গায় একোবাৰ অতীতৰ স্মৃতিত ডুবাদি একবাৰ অতীতক পাহৰি পেলাব খুজিছে। দুৱৰাই সিপাৰৰ সোনোৱালীদেশৰ সপোন দেখিলে। গনেশ গগৈয়ে বুকুৰ ৰঙা তেজেৰে কালৰ বুকুত প্ৰেমৰ জয় গান লিখি গ'ল।

অসমীয়া কবিতালৈ নতুন ছন্দ ; নতুন কৌশল আনি অসমীয়া কবিতাত যুগান্তৰ সৃষ্টি কৰা কবি দেৱকান্ত বৰুৱাও ৰোমান্টি কবি। মনোৰমাৰ খোপাৰ ৰঙা কৰবীৰ ফুলৰ সুৱাসেৰে দেৱ বৰুৱাৰ কবিতা সুৰভিত।

বৰ্ত্তমান শেহতীয়া কাব্যধাৰাত দুনাই ৰোমান্টিক দৃষ্টি-ভংগীৰ প্ৰভাৱ পৰিবলৈ লৈছে। আধুনিক এই প্ৰতীকবাদী কবিতাক আইজাকে "Second wave of the romantic poetry" আখ্যা দিছে। কথাষাৰ যদি সচা হয়, তেন্তে কব লাগিব আমাৰ প্ৰতীকবাদী সৃষ্টিৰ বুকুতেই ৰোমান্টিক লক্ষণ সমূহ অন্তৰ্নিহিত হৈ আছে। আধুনিক যুগ সংগ্ৰামৰ যুগ ; ভাৱ প্ৰৱনতাৰ নহয়। সেইবুলি আধুনিক কবিতাত যে ৰোমান্স নাই প্ৰেম নাই আবেগ নাই, এনে নহয়। যিমান দিন পৃথিৱীত আবেগ থাকিব, গতি থাকিব, সিমান দিন পৃথিৱীত ৰোমান্স থাকিব। আধুনীক অসমীয়া কবিতাতো ৰোমান্স আছে। কিন্তু সেই ৰোমান্স মাটিৰ পৃথিৱীত ভৰী নযোৱা ৰোমান্স নহয় —
"নিশাৰ শেহত

পুৱাৰ বেলিৰ তপত পোহৰ
জন সাগৰত তুমি আৰু মই
আমাৰ চকুত তীখাৰ জুই।"

এই ৰোমান্স সামাজিক পৰিৱৰ্ত্তন অনা অতি-অভিযানৰ ৰোমান্স। কবিৰ কল্পনা বাস্তৱ জীৱনক অস্বীকাৰ কৰি আকাশলৈ উৰামৰা কল্পনা নহয়।

প্ৰেম জীৱনৰ অভিজ্ঞতাৰ যিহেতু এক অংগ বিশেষ সেই কাৰণে আধুনিক কবিতাতো প্ৰেমৰ অভিজ্ঞতাৰ কাব্যিক প্ৰকাশ আছে দৃষ্টি-ভংগী আৰু গাঢ়ৰ পাৰ্থক্য। ৰোমান্টিক যুগৰ প্ৰকাশ শিথিল ফেনিলী। আধুনিক যুগত সুসংহত। □



# যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাত নিৰাশাবাদ

শ্ৰীলক্ষ্মণ বৰ্ম্মণ
স্নাতক ১ম বাৰ্ষিক ( ক'লা )

কবিতা যেতিয়া নপোৱাৰ বেদনাৰে ভাৰাক্ৰান্ত হৈ পৰে, কবিৰ ব্যক্তি জীৱনৰ। ব্যৰ্থতাই যেতিয়া কবিতাৰ ছন্দে ছন্দে মূৰ্ত্তমান হৈ উঠে, নিজ জীৱনৰ হতাশাই কবিক আনৰ জীৱনৰো সুখ দেখাৰ পৰা আঁতৰাই ৰাখে প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ মাজতো যেতিয়া কবিয়ে দুখৰ বিভীষিকা দেখে তেতিয়াই কবিতাক নিৰাশাই গ্ৰাস কৰে। থোৰতে আমি কবিতাত এনে ভাৱনাকে নিৰাশাবাদ বুলিব পাৰোহঁক। দুৱৰা মূলতে প্ৰেমৰ কবি। তেওঁৰ কবিতাৰ ঘাই উপজীব্য প্ৰেম আৰু এই প্ৰেম জনিত ব্যৰ্থতাৰ কাৰুণ্যই তেওঁৰ কবিতাৰ প্ৰধান সুৰ। সোনালী যৌৱনৰ জিল মিলনিত কবিয়ে প্ৰেমৰ সপোন দেখি প্ৰেমৰ কবিতা লিখিছিল। কিন্তু এদিন সেই সপোন হেৰায় গ'ল। কবি সাৰ পাই উঠি বাস্তৱ পৃথিৱীৰ কৰ্কশতাত অধীৰ হৈ পৰিল আৰু সকলোতে মাথো দেখিবলৈ পালে এটি দুখৰ ছায়াবাজী। এই দুখেই তেওঁৰ অন্তৰ আৱৰি ধৰিলে। কবিতাৰ স্তৱকে স্তৱকে ধ্বনিত হ'ল এটি নিৰাশাৰ সুৰ।

"লৰালি কালৰে পৰা ওঁৰে জনমতে মোৰ
আশাৰ জেউতিকণ আঁতৰি পলায়।
মৰমৰ ফুল পাহি নউহাত মেলোতেই
অকলে আপোনমনে লেৰেলি শুকাই।"

এফালে পোহৰৰ শেষ ৰেখা ধীৰে ধীৰে আঁতৰি গ'ল। এন্ধাৰৰ ক'লা ৰেখাই দিক্‌বিদিক আৱৰি ধৰিলে। কবিৰ সপোনৰ সুখৰ দিন নিৰাশাৰ বেদনাই ঢাকি ধৰিলে "শূণ্য পৰাপত নিৰাশ লোকৰ বীণ বাজি উঠিল।" এই শূণ্যতাই তেওঁৰ জীৱনলৈ দুখৰ ক'লা ডাৱৰ নমাই আনিলে।

কবিৰ মনত সুখ মৰিচীকা সদৃশ হৈ পৰিল। ইয়াক লগ পাবৰ কোনো উপাই নাই। এই আশাৰ পিচত যি সকলে লৰিছে তেওঁলোকে মাথো ৰাতি জুই খেদা বাটৰুৱাবোৰৰ দৰে ক্ৰমে বিপদৰ অথবা অনিশ্চয়তাৰ গৰ্ভলৈ সোমাই যাবলৈ ধৰিছে। এই খিনিতেই

কবি দুৰৰাৰ নিৰাশাবাদৰ চিনাকী পোৱা যায়। তেওঁৰ মতে আশা হ'ল পাতৰ আগত লাগি থকা নিয়ৰৰ কণা. দুখ সূৰুযৰ সামান্যতম স্পৰ্শতেই কেনিবাদি ভাপ হৈ উৰি যায়। কল্পনাত ই সিমানেই মধুৰ নহঁওক বাস্তৱত সেই মাধূৰ্য্যৰ লেশ মাত্ৰও নাই।

"এটি এটি জুই ফিৰিঙতি
দূৰতে দেখি বিতোপন।
কাষচাপি আহিল যেতিয়া
আঁতৰিল সুখৰ সপোন"

—জীৱনৰ সুৰ'

এই সুখৰ সপোন আঁতৰি যোৱাৰ বেদনাই কবিৰ জীৱনৰ কাৰুণ্য তীব্ৰতৰ কৰি তুলিলে। তেওঁৰ জীৱনটো "দুখৰ নাৱত" ভাহি ফুৰিবলৈ ধৰিলে। কবিৰ ব্যক্তি জীৱনৰ ব্যৰ্থতাই পৃথিৱীৰ সমস্ত সুখৰাশিৰ কল্পনাৰ পৰা তেওঁক আতৰাই ৰাখিলে। আনৰ সুখৰ দুখৰ প্ৰতি লক্ষ্য কৰিবলৈ কবিৰ আহৰি নাই। নিজক লৈয়ে তেওঁ ব্যস্ত হৈ পৰিল। সঙ্গীহীন জীৱনৰ কাৰুণ্যৰ বোজা বৈ অকলে আপোনমনে নিৰলত বহি নিজানৰ গান ৰচোতে কবিৰ যৌৱন বেলি লহিয়ালে। 'অনন্তসাগৰ' পাৰত হাতত এমুঠি সোণালী বালি লৈ অকলে থিয় হৈ থকা কবিৰ আঙুলিৰ সুৰুঙাৰে জুৰজুৰকৈ বালিকণা সৰি পৰিল। 'দিনে দিনে দিন গৈ মাহত মিলিল, মাহ আহি শেষ হ'ল বছৰৰ বুকুত। বছৰ বাগৰি গ'ল, তেতিয়াই শিল গুটিৰো সপোন ভাগিল। চেনেহৰ সপোন ভাগিলত কবি সচেতন হৈ পৰিল। বাহিৰৰ জগতখনলৈ তেওঁ এবাৰ চাই পঠিয়ালে কিন্তু কবিয়ে সকলোতে দেখা পালে সেই ব্যৰ্থতা, একেই 'নিৰানন্দ, নিৰাশা। কাৰো জীৱনত সুখৰ ৰেঙণি নাই। পুৱাতেই লগ পোৱা দুটি এটি লগৰীয়াই ভৰ দুপৰতেই লগ এৰি গুচি যায়। নতুন আলহী আহি সেই দুৰ্ভগীয়াহঁতক ঘৰৰ বাহিৰ কৰি দুৱাৰ বন্ধ কৰি দিয়ে। ভগা হিয়াত এযাৰি শান্তনাৰ বানী শুনিবলৈও কোনো নাই।

"শত শত ভগা হিয়া এনি তেনি পৰি আছে
স্মৃতিহীন বালিৰ বুকুত
আলফুলকৈ ধৰি চেনেহ যাচিব কোনে
পমি যাব কাৰ পৰশত"।

এনেকি চৰাই চিৰিকতিৰ জীৱনতো কবিয়ে মাথো নিঃসঙ্গতাৰ বেদনাকে দেখা পালে। প্ৰকৃতিত বসন্তৰ ধীৰ মলয়া নাই। এইদৰে কবি এইবাৰ অধিক সচেতন হৈ পৰিল। জীৱনৰ অভিজ্ঞতাৰে আনকো উপদেশ বানী শুনালে। বলীয়া বতিয়াকৈ জগতত মৰম বিচাৰি ফুৰা মৰম ভিখাৰীলৈ—

"মৰমৰ ভিখাৰী মৰুৰ মাজত
নুফুলে চেনেহ ফুল"।

লাহে লাহে কবিয়ে গভীৰভাৱে উপলব্ধি কৰিলে যে সুখ কাৰো চিৰলগৰীয়া নহয়। জগতত কোনোৱে সুখ নাপায়। তেন্তে মানুহৰ লগৰীয়া কোন? এই প্ৰশ্নৰ উত্তৰ কবিয়ে নিজেই দিছে।

"সোঁত তাৰ চিৰলগৰীয়া"

এই সোঁতৰ বুকুত জীৱন নাৱক যেনিয়ে তেনিয়ে যাবলৈ এৰি দি নিজে নাৱৰীয়া হৈ বহিল। কিন্তু তাতো তেওঁ সন্তুষ্ট হব নোৱাৰিলে। মাজে মাজে অতীতৰ একোটা মধুৰ স্মৃতিয়ে কবিক জীয়াই থাকিবলৈ প্ৰেৰণা যোগায় "অতীতেই ভবিষ্যৎ মোৰ" বুলি শান্তনা লভিব খোজো, কিন্তু পিচ মুহূৰ্ততেই কবিয়ে উপলব্ধি কৰে যে অতীতত যিকণ আছিল সেয়া মৰুভূমিৰ নিয়ৰকণাৰ দৰে ভাপ হৈ উৰি গৈছে। সেই স্মৃতি সমাধিস্থ কৰি তেওঁ যাবলৈ ওলাইছে' কবিৰ ভাষাত

"নাওঁখনি মেলি এটিবাৰো
পিচলই নাচাওঁ দুনাই
অতীতৰ অতীত কাহিনী
থক আজি গাঁততে লুকাই"।

এনেদৰে এফালৰ পৰা কবি দুৰৰাৰ কবিতাবোৰ জুকিয়াই চালে দেখা যায় যে তেওঁৰ কবিতাত গভীৰ নৈৰাশ্যই এখনি বিৰাট ঠাই জুৰি আছে। সেউজীয়া ধৰণীৰ কোলাত তেওঁ এযাৰি কতো মৰমৰ মাত নেপালে। সেয়ে তেওঁ প্ৰকৃতিৰ বুকুতো উলাহৰ ধ্বনি শুনিবলৈ নেপালে। তেওঁৰ প্ৰকৃতি নীৰৱ হৈ ৰয়। বতাহ থৰ লাগে। বাৰিষাৰ ক'লাডাৱৰ শাৰীশাৰীহৈ নামি আহে। জাৰৰ কুৱলীয়ে পজা আগুৰি ধৰে। শীতৰ কুৱলীয়ে সূৰুযৰ মিঠা ৰ'দ ঢাকি ধৰে। চাৰিওফালে এটি বিষাদৰ সুৰ বাজি উঠে।

"জুৰিটিয়ে তাকে তুলি লই
গাই গ'ল বিষাদৰ বানী
জগতত উঠিল এবাৰ
এটি মাথো শূণ্য প্ৰতিধ্বনি"।

কেতিয়াবা হয়তো বসন্তৰ ফুল-কুৱৰীয়ে তেওঁৰ কবিতাত কোচভৰি মাধুৰী বিলাইছে। কিন্তু তাৰ মাজতো এটি বিষাদৰ বিননি বাজি আছে। প্ৰকৃতিৰ কোনো কাৰ্য্যতেই তেওঁৰ আনন্দৰ কাৰণ বিচাৰি নাপালে। বৰং তেওঁৰ মনক নিঃসঙ্গতাৰ নিৰানন্দই তীব্ৰতৰ কৰি তোলে। সেয়ে তেওঁ এটি উৰি যোৱা ৰাজহাঁহলৈ চাই কৈছে।

"নিজা বুলি নাই মোৰ এচমকা ঠাই
জগতত অকলশৰীয়া
পুৱাতেই মেলি নাওঁ অকলে সোঁতত
লুইতৰ হলো নাৱৰীয়া॥"

আৰু মানুহৰ মৰমৰ ওপৰতো তেওঁ আস্থা হেৰুৱাই পেলাইছে। কাৰণ "বিশ্বাসৰ নিজৰা শুকাই নিৰাশাৰ ৰ'দৰ তাপত।" দুৰৰাদেৱৰ "মিলন নাৱৰীয়া, সুখৰ সপোন"। মুঠতে আমি কওঁ যে দুৰৰা দেৱৰ কবিতা থকা ভাৱবোৰৰ ভিতৰত নিৰাশাবাদেই সুস্পষ্ট হৈ উঠিছে। কবিৰ ভাষাৰে—

"অন্তৰৰ প্ৰেম পুতলীয়ে
সপোনতে চেনেহ যাচিব।
দেখা দেখা সুখৰ সপোন।
সাৰ পাই কান্দিব লাগিব"॥ □

# স্বাধীনোত্তৰ যুগৰ অসমীয়া নাটকত স্বদেশ প্ৰেম

শ্ৰীগীতিকা দাস
স্নাতক ২য় বৰ্ষ

ভাৰতৰ স্বাধীনতা লাভে নাট্য সাহিত্যত প্ৰভাৱ নেপেলোৱাকৈ থকা নাই। শাসকৰ কোপদৃষ্টিত পৰে বুলি শংকা কৰি নাট্যকাৰে অতি সাৱধানেহে দেশপ্ৰেমমূলক কাহিনী নাটত ৰূপায়ণ কৰিছিল। কিন্তু স্বাধীনতা পোৱাৰ পাছৰ পৰা বিদেশী শাসকে আৰোপ কৰা বাধাবোৰ আতৰাৰ ফলত সাহিত্যিকসকলে মুকলিভাৱ প্ৰকাশ কৰিবলৈ সুবিধা পালে। বৃটিছে ভাৰত ত্যাগ কৰাৰ লগে লগে তেওঁলোকৰ ৰাজ্যস্থাপন আৰু ৰাজ্য বিস্তাৰৰ কূটকৌশলপূৰ্ণ কাহিনী, ভাৰতীয় জাতীয়বাদক ধ্বংস কৰাৰ প্ৰচেষ্টা, স্বাধীনতা লাভৰ আকাংখা আৰু আন্দোলনক মহিমুৰ কৰিবলৈ লোৱা স্বেচ্ছাচাৰ আৰু নীপিড়নমূলক নীতি, স্বাধীনতা উদ্ধাৰৰ কাৰণে জীৱন বলি দিয়া শ্বহীদ সকলৰ আত্মদানৰ গৌৰৱপূৰ্ণ ঘটনা নিৰঙ্কুশভাৱে নাট্যকাৰৰ লেখনীত প্ৰকাশ হোৱাৰ অনুকুল পৰিবেশ সৃষ্টি হ'ল। স্বাধীনতাৰ পিছত সমগ্ৰ দেশৰ লগত অসমৰ সাহিত্যিক সকলে দেশক উন্নতিৰ পথেদি আগুৱাই নিয়াৰ উদ্দেশ্যে স্বাধীনতাৰ ৰ'দ কাচলিত নতুন পোহৰক আদৰণি জনালে। বৃটিছৰ ভাৰত ত্যাগৰ ফলত সৃষ্টি হোৱা উৎসাহ উদ্দীপনাই জন্ম দিলে ১৯৪৮ চনত "মণিৰাম দেৱান" আৰু "পিয়লি ফুকন" দুখন নাট। মণিৰাম আৰু পিয়লি দুয়োজন বীৰে বিদেশৰ কবলৰ পৰা দেশ ৰক্ষা কৰিবলৈ গৈ ফাচীকাঠত ওলমিব লগা হ'ল।

নাট্যকাৰ প্ৰবীন ফুকনে ১৯৪৯ চনত "লাচিত ফুকন" নাটখন ৰচনা কৰি উলিয়ালে। এই নাটখনে অসমীয়া ৰাইজৰপৰা অভূতপূৰ্ব সমাদৰ লাভ কৰিলে। নাট্যকাৰ জ্যোতিপ্ৰসাদৰ বিয়াল্লিচৰ বিপ্লৱ আৰু দ্বিতীয় মহাসমৰৰ আলমত লিখা "লভিতা" ১৯৪৮ চনত প্ৰকাশ পালে। লভিতাই I. N. A. ফৌজত যোগদান কৰে I. N. A. ফৌজত ভাৰতীয় স্বাধীনতাৰ কাৰণে যুদ্ধত লিপ্ত হৈ ৰণক্ষেত্ৰতে বৃটিছ সৈন্যৰ হাতত গুলি খাই লভিতাই মৃত্যুমুখত পৰে। ঠিক সেইদৰে আন্দোলনৰ ওপৰত ভিত্তি কৰি বিয়াল্লিচৰ অন্যতম শ্বহীদ কুশল কোঁৱৰৰ জীৱনক সুৰেন্দ্ৰ নাথ শইকীয়াই ১৯৪৯ চনত "কুশল কোঁৱৰ" নাটখন ৰচনা কৰি উলিয়ালে। দেশৰ কাৰণে যুজিবলৈ গৈ চিপজৰী লব লগা হ'ল। চিপজৰী পিন্ধাৰ অন্তিম মুহুৰ্ত্তত স্বগতোক্তি—"অসমৰ নগৰে-চহৰে, গাঁৱে-ভূঞে ৰাইজৰ পো-জীয়ৰীয়ে জীয়াতু ভুগি মুক্তিৰ যি অক্ষয় বন্তি জ্বলাইছে, এই বন্তি নুনুমাই, ৰাইজ নুনুমাই·····কোনোবাই নুমাব খুজিলেও নুমাবলৈ নিদিবা। ·····মই কুশল কোঁৱৰে কৈছোঁ····· নুমাবলৈ নিদিবা······

লুইত তেজেৰে ৰাঙলী হ'ল। গংগা যমুনাও হৈছে। তেজৰ নৈ এক হৈ মিলিগৈ মহাসাগৰত পৰিছেগৈ। মুক্তিৰ জোৱাৰ আহিছে······আৰু বেলি নাই বেলি নাই······ আহিছে ···

কিন্তু লুইত তেজেৰে ৰাঙলী হ'ল নৈ এখন তেজাল লুইতৰ জন্ম হ'ল ? মই ধৰিব পৰা নাই। গোটেইখনতেই তেজৰ ঢল। যৌৱন জাগিছে······সেন্দুৰীয়া আলি সাজিছে। আকাশত তাৰে ৰঙা ৰং জিলিকিছে।"

বিয়াল্লিচৰ তথা স্বদেশী আন্দোলনত অনুপ্ৰাণিত হৈ সাহিত্যচাৰ্য্য হাজৰিকাদেৱে ১৯৫২ চনত "আহুতি" নামৰ নাটখন উলিয়ায়। সেই সময়তে ৰচিত পৰাগ চলিহাৰ "সোণ-ৰূপ নেওচি" নাটকতো নায়কে কুশলৰ আদৰ্শনিষ্ঠা দেখুৱায় ভিন্ন পটভূমিত।

১৯৫৪ চনত প্ৰবীন ফুকনে ৰচনা কৰে সামাজিক নাটক 'শতিকাৰ বান।" এইখন নাটত পোনপটীয়াকৈ ইংৰাজ বিৰোধী দেশপ্ৰেম নাই যদিও শ্ৰীকণ্ঠৰ চৰিত্ৰৰ যোগেদি নাট্যকাৰে সমাজ সংস্কাৰকৰ ভূমিকা লৈ "ৰাম নৱমী" আৰু লক্ষ্যধৰ শৰ্মাৰ নিৰ্মলা"ৰ দৰেই বিধবা বিবাহৰ আদৰ্শ প্ৰতিষ্ঠাৰ লগতে গান্ধীৰ ধন-সোণ নেওচি সৰল জীৱন যাপন কৰাৰ মাহাত্ম্য বৰ্ণনা কৰিছে।

১৯৫৬ চনত কথাশিল্পী চৈয়দ আব্দুল মালিকে ৰচনা কৰে তেওঁৰ প্ৰথম নাট "ৰাজদ্ৰোহী"। এই নাটকত সংৰামৰ চৰিত্ৰটো মালিক চাহেবে সংৰামৰ মাজত যে নতুন ধৰণৰ স্বদেশ প্ৰেমৰ সন্ধান পাইছে তাক স্পষ্ট কৰি তুলিছে সংৰামৰ বিচাৰ চৰাত তেওঁৰ মুখৰ এই উক্তিৰে —

"—স্বীকাৰ কৰিছো, মই ৰাজদ্ৰোহী। মই অত্যাচাৰী বুঢ়া গোহাঞি আৰু অকৰ্মাণ্য স্বৰ্গদেউৰ হাতৰ পৰা ৰাজ্যভাৰ কাঢ়ি আনি প্ৰজাৰ হাতত দিব খুজিছিলোঁ। মই স্বীকাৰ

কৰিছো মই ৰাজদ্ৰোহী কিন্তু দেশদ্ৰোহী নহওঁ। দেশক ভাল পাওঁ কাৰণেই মই সখিৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ ওলাইছিলো।"

১৯৫৮ চনত প্ৰকাশিত হয় বিয়াল্লিছৰ আন্দোলনৰ পটভূমিকাত সত্য প্ৰসাদ বৰুৱাৰ "জ্যোতি ৰেখা"। এই নাটখনিত এটা চৰিত্ৰ হল প্ৰকাশ। প্ৰকাশে পুলিচ চাহাবৰ আগত কোৱা কথাখিনিত আবেগময় দেশপ্ৰেম আছে সচাঁ, কিন্তু জ্যোতিৰ মেজিষ্টেটৰ আগত দিয়া জৱানবন্দিত আছে যুক্তি। তেওঁ কৈছিল "মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত আমি অহিংসাকে মূল মন্ত্ৰ বুলি সৰোগত কৰি লৈছো। ৰেল বগৰাই নিৰীহ যাত্ৰীৰ মৃত্যুৰ কাৰণ হোৱাটো আমাৰ কল্পনাৰো অতীত। মই চাকৰি কৰিছিলো দেশৰ সেৱা কৰিব পাৰিম বুলি। কিন্তু যেতিয়া দেখিলো ৰক্ষকেই ভক্ষক হ'ল, বুজিলো চাকৰি কৰাৰ কোনো অৰ্থ নাই। এই যুদ্ধ আমাৰ যুদ্ধ নহয়। কোনো ভাৰতবাসীয়ে দেশৰ ধন, জন পা-পইচা এনে এখন ধ্বংসাত্মক যুদ্ধত ব্যৱহাৰ কৰি শাসকৰ শক্তি বঢ়াই, পৰাধীনতাৰ শিকলিৰ বান্ধোন বেছি নিকপকপীয়া কৰিবলৈ দিয়াটো উচিত নহয়। বৃটিছ চৰকাৰে জনমতক আওকান কৰি ভাৰতৰ সম্পদ সামগ্ৰী এই যুদ্ধত বলেৰে ব্যৱহাৰ কৰিছে। আমি ভাৰতবাসীয়ে ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰো।... মই বিশ্বাস কৰো অদূৰ ভৱিষ্যতে এই জনমতেই প্ৰবল হৈ বৃটিছ শক্তিক ভাৰত ত্যাগ কৰিবলৈ বাধ্য কৰিব।"

"— জ্যোতিৰ ফাঁচীৰ পাচত পুলিচৰ লাঠিৰ আঘাতত দৃষ্টি হেৰুৱাব লগা হোৱা মনবৰকাইক কয় —

"-সকলো শেষ হোৱা নাই। মনবৰকাই। জ্যোতিদাৰ আত্মাই দেহৰ বন্দিশালৰ পৰা মুক্তি পালে। সেই অমৰণ আত্মাই আমাক যোগাব প্ৰেৰণা। দলিত নিস্পেষিত ভাৰতৰ জাগ্ৰত জনগনৰ মাজত হব নতুন প্ৰাণ সঞ্চাৰ। এন্ধাৰে আৱৰা ধৰনী বুকু ওপচাই নামিব পোহৰৰ বান। ভাৰত স্বাধীন হব। সফল হব আমাৰ সাধনা মহাত্মাৰ মহাবাণী বিশ্ব বিয়পি যাব। মৃত্যুৰ মাজেদি জাগিব মৃত্যুঞ্জয়। আমাৰ ভয় নাই ভয় নাই।"

মণিপুৰৰ জাতীয় বীৰ টিকেন্দ্ৰজিৎৰ বিষয়ে ১৯৫৮ চনত সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকাদেৱে ৰচনা কৰিলে "টিকেন্দ্ৰজিৎ" নাটকখন। এই নাটখনিত সেনাপতি টিকেন্দ্ৰজিৎক কেন্দ্ৰ কৰি ১৮৯১ চনৰ মণিপুৰৰ ইংৰাজ বিৰোধী আন্দোলনৰ নাট্যৰূপ আমি পাও।

দেশপ্ৰেমৰ বোধন কৰিবলৈ হলে মানুহ আৰু মানুহৰ মাজত ভিনপৰ ভাৱ থাকিব নালাগে। গোহাঞি বৰুৱাই জিন্নু আৰু বেজ বৰুৱাই ডালিমীৰ যোগেদি পৰ্বত ভৈয়ামৰ সম্প্ৰীতী গঢ়িছিল। কিন্তু এই সম্প্ৰীতিয়ে স্বাধীনতাৰ পৰিপেক্ষিতত বিশেষ তাতপৰ্যাপূৰ্ণ হৈ পৰিছে। জনাৰ্দন ঠাকুৰে ১৯৫২ চনতে তেওঁৰ "ভৈয়ামৰ সেন্দুৰ আলি"ৰ যোগেৰে এই সম্প্ৰীতিৰ সৌধ নিৰ্মানত অৰিহনা যোগাইছিল। একে আদৰ্শৰে অনুপ্ৰাণিত হৈ অৰুণ শৰ্মাই দহ বছৰ পাছত লিখিলে তেওঁৰ "জিনটি" নাটখন।

চিপাহী বিদ্ৰোহ তথা ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰামৰ পটভূমিত লিখা প্ৰথম অসমীয়া নাটখন হ'ল "১৮৫৭"। ১৯৬২ চনত চীনে ভাৰত আক্ৰমণ কৰাৰ সময়ত বিদেশী শত্ৰুৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ সমগ্ৰ ভাৰতৰ বিপুল জনতাই সকলো ভিনপৰ ভাৱ পৰিত্যাগ কৰি একগোটহৈ সংহতি আৰু দেশপ্ৰেমৰ উজ্বল উদাহৰণ বিশ্বৰ আগত দাঙি ধৰে। দেশৰ জনগণে বিশেষকৈ জোৱান আৰু তৎকালিন নেফাবাসীয়ে সেই বিপদসংকুল পৰিস্থিতি সাহসেৰে কিদৰে সন্মুখীন হৈছিল তাৰ নাট্যৰূপ দিছে ফণী তালুকদাৰে তেওঁৰ "জুয়ে পোৰা সোন" নাটখনত। দেশক শক্তিশালী কৰিবলৈ জাতীয় সংহতি আৰু সাম্প্ৰদায়িক ঐক্যৰ কথা পাও প্ৰফুল্ল বৰাৰ "সাকো" নাটখনত। ১৯৬৮ চনত আব্দুল মজিদৰ "চোৰ" নাটখনত স্বদেশ প্ৰেমক আঘাত কৰি জাতীয় চৰিত্ৰ দুৰ্বল কৰিবলৈ প্ৰয়াস কৰা কেতবোৰ দেশদ্ৰোহী সমাজ বিৰোধী ব্যক্তিৰ অসৎ কাৰ্য্যাৱলীক উদঙাই দেখুৱা হৈছে।

সাৰদা কান্ত বৰদলৈৰ "উপহাৰ" নাটত নাট্যকাৰে গান্ধীজীৰ মানৱিকতাৰ আদৰ্শত উদ্বুদ্ধ হৈ দেখুৱাইছে কেনেকৈ মুছিয়াৰৰ লৰা জগৰুৱে মৃত্যুক আকোৱালী লব লগা হৈও সংৰক্ষণশীল পৰিয়াল এটিৰ মানসিক পৰিবৰ্ত্তন আনিবলৈ সক্ষম হল। ১৯৮০ চনত প্ৰকাশিত "উত্তৰ পুৰুষ"খনত অতীতৰ গৌৰৱৰ কথা সুঁৱৰি আজিৰ অসমক উদ্দগৰিত পথেদি আগবঢ়াই নিয়াৰ দায়িত্বৰ প্ৰতি আজিৰ ডেকা ডেকেৰীক সকিয়াই দিছে। নাট্যকাৰে নাটকৰ শেষত বিনয়ে লগৰীয়া সকলৰ লগতে প্ৰতিজ্ঞা কৰে লাচিত বৰফুকন, গোপিনাথ বৰদলৈ আৰু জ্যোতিপ্ৰসাদৰ প্ৰস্তৰ মূৰ্ত্তিৰ সমুখত।

"শক্তিৰ কবৰতে আমাৰ সকলো ব্যৱধানৰ সৎকাৰ হৈছে। আজি আমাৰ একমাত্ৰ পৰিচয় আমি এক জাতি। হে মহান মহানুভৱ। দেশ মাতৃকাৰ সেৱাৰ ক্ষণত আমাৰ মনলৈ কোনোদিনে যদি অহংকাৰ বা অহমিকা আহে জনতাৰ পৰা যদি আমাক এক বিছিন্ন সত্তা বুলি ভাবোঁ আপোনালোক তাতেই উপস্থিত হৈ আমাৰ গতি যেন নিয়ন্ত্ৰণ কৰে।"

তিনিওজন দেশ নেতাৰ প্ৰস্তৰ মূৰ্ত্তিয়ে একলগে উচ্চাৰণ কৰে এই অমোঘবাণী—

"তোমালোকৰ দেশপ্ৰেম যুগৰ সাক্ষী হওঁক। তোমালোকৰ দৃষ্টান্ত দেখি পৃথিৱী চমকি উঠক।"

দেশপ্ৰেমক লৈ ভবেন বৰুৱাই "কনকলতা" নাটক লিখে। থানাত জাতীয় নিচান

উৰোৱাবলৈ গৈ কনকলতাই পুলিচৰ গুলিত মৃত্যুবৰণ কৰিব লগা হৈছিল। সতীশ ভট্টাচাৰ্য্যৰ "মহাৰাজা" নাটখনতো দেশপ্ৰেমৰ ফিৰিঙতি দেখিবলৈ পোৱা যায় ৰাজশক্তিৰ স্বেচ্ছাচাৰৰ বিৰুদ্ধে জনতাক সজাগ কৰি দিয়াৰ প্ৰয়াসত।

অসমৰ ছবছৰীয়া অস্তিত্ব ৰক্ষাৰ পটভূমিত ৰঞ্জিত শৰ্মাই ১৯৮৫ চনত "সংলাপ" নাটখন প্ৰকাশ কৰে। নাটখনত দেখুৱা হৈছে কেনেকৈ পুলিচৰ চি, আই, ডি এছপি স্থৰেণ দত্তৰ ল'ৰা ৰমেনে ঘৰখনৰ বিৰুদ্ধে গৈ আন্দোলনত জপিয়াই পৰি পুলিচৰ গুলিত প্ৰাণ আহুতি দিলে। ৰমেন এছপিৰ ল'ৰা। পুলিচে তাক সকলো সময়তে ৰক্ষা কৰি আছিল। এই কথাটোৱে সহকৰ্মী সকলৰ মাজত সন্দেহৰ সৃষ্টি কৰে। ৰমেনে প্ৰাণ দি সেই সন্দেহৰো মূলোচ্ছেদ কৰিলে। নাটখনৰ ভূমিকাত ৰাম গোস্বামীয়ে লিখিছে "মানুহৰ প্ৰতিবাদ আৰু প্ৰতিৰোধৰ এটা উদ্দিপক ছবি সংলাপ দাঙি ধৰি আমাৰ অন্তৰ গভীৰভাৱে স্পৰ্শ কৰিছে।"

আন আন বহুতো নাটত আমি দেশপ্ৰেমৰ নিদৰ্শন পাওঁ। হেমেন বৰঠাকুৰৰ "দ্বীপ,", আলি হাইদৰৰ "অহৈতুকী দেশপ্ৰেম," অৰুণ গোস্বামীৰ "আজি," সমৰেন্দ্ৰ নাৰায়নদেৱৰ "ভেকো ভাওঁনা" আব্দুল মজিদৰ" সিহঁত আহিছে," লক্ষ্যধৰ চৌধুৰীৰ "এনিশাৰ অতিথি" আৰু ৰঞ্জিৎ শৰ্মাৰ "প্ৰাৰ্থনা" আদি। নাটকত স্বদেশ প্ৰেমক কেন্দ্ৰীয় বিষয় হিচাপে লোৱা হৈছে। "এনিশাৰ অতিথি" খনত বিপ্লৱী নাট্যকাৰ চৌধুৰীদেৱে দেখুৱাইছে কেনেকৈ পুলিচৰ —ডি এছ-পি বৰাৰ জীয়েক আৰতিয়ে বিয়াল্লিচৰ বিপ্লৱী মৃদুলক নিজৰ ঘৰত আশ্ৰয় দি পাছত কৌশলেৰে পুলিচৰ হাতৰ পৰা ৰক্ষা কৰিলে। আৰতিৰ চৰিত্ৰটোৱে দেশ প্ৰেমৰ আৰ্হি দাঙি ধৰিছে। প্ৰাৰ্থনা"ত ৰঞ্জিৎ শৰ্মাই পাকিস্থানৰ পটভূমিত অত্যাচাৰী শাসকৰ বিৰুদ্ধে দেশৰ বিপ্লৱী চেতনাৰ অভ্যুত্থানৰ ইংগিত দিছে।

জ্যোতি প্ৰসাদৰ লভিতা নাটকৰ স্বগতোক্তিৰে এই প্ৰবন্ধৰ সামৰণি মাৰিছো।

"এখোজো নাহিবা, এখোজো নাহিবা পাছলৈ নাহিবা আজিৰ যুদ্ধ জিকিবই লাগিব। অসমলৈ আগবাঢ়ি যাবই লাগিব। যুদ্ধ কৰা প্ৰাণ পনে শত্ৰুক ধ্বংস কৰা আগবঢ়া জয় হিন্দ, জয় হিন্দ, জয় হিন্দ। গাত এটোপা তেজ থাকে মানে যুজ কৰা, আজি গোটেই অসমীয়াৰ গোটেই হিন্দুস্থানৰ সন্মান তোমালোকৰ হাতত, আগবাঢ়া।" □



# দৃষ্টিহীনতা ঃ এটা সাৰ্বজনীন সমস্যা আৰু ইয়াৰ খতিয়ান

**নুৰ মহম্মদ আলী**
স্নাতক ২য় বাৰ্ষিক ( ক'লা )
( এগৰাকী অন্ধ ছাত্ৰ )

ব্যক্তিৰ সমষ্টিয়ে সমাজ। এই সমাজৰ অবিচ্ছেদ্য অংগস্বৰূপ দৃষ্টিহীন সকল ইয়াৰ জলন্ত নিদৰ্শন হ'ল সৌ প্ৰাচীন কালৰ সিন্ধুমণি, মহাভাৰতৰ ধৃতৰাষ্ট্ৰ, প্ৰখ্যাত সংগীতজ্ঞ, বিষ্ণু দিগাম্বৰ পলিস্কাৰ, মহাপুৰুষ সুৰদাস, ইলিয়দ আৰু ওদিচিৰ ৰচয়িতা হোমাৰ, কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ স্থঅধ্যাপক নিকোলাচ চুন্দাৰচন বিশ্ব ইতিহাসত বিশেষ খ্যাতি সম্পন্ন মহীয়সী নাৰী হেলেন কেলাৰ; ভাৰতবৰ্ষৰ পণ্ডিত গোতুলাল জী, অসমৰ শ্ৰীমন্ত শংকৰমিছন, বৰহমপুৰ. অন্ধ বিদ্যালয়ৰ অধ্যক্ষ আমিন হেমৰম দৃষ্টিহীন সকলৰ শিক্ষা পদ্ধতিৰ উদ্ভাবক মহামানৱ লুই ব্ৰেইল ইত্যাদি।

১৭শ শতিকালৈ দৃষ্টিহীন সকলৰ অৱস্থা শুনিলে বৰ দুখ লগা আছিল। তেওঁলোকে সমাজত মানুহ হিচাপে জীয়াই থাকিবলৈ সমাজৰ পৰা অকমানি সহায়ৰ পৰা বঞ্চিত হবলগীয়া হৈছিল। এমুঠি আহাৰৰ বাবে দিনৰ দিনটো হাঁহাকাৰ কৰি ফুৰিব লগা হৈছিল। মূঠৰ ওপৰত সুবিশাল বিশ্বৰ বুকুত সেই সময়ত এই সমাজৰ দৃষ্টিহীন অৱহেলিত হিচাপে পৰিগণিত শ্ৰেণীটোক উদ্ধাৰ কৰা লোকৰ অভাৱ আছিল। তেওঁলোকক সমাজৰ পৰা আতৰত ৰাখি তেওঁলোকৰ জীৱনত শেলে বিন্ধাৰ দৰে শাৰীৰিক তথা মানসিক শাস্তিহে বিহিছিল। উদাহৰণ স্বৰূপে আঙুলিয়াব পাৰি সেই সময়ত এই সকল লোকক পিতৃ-মাতৃ সকলে তেওঁলোকৰ অৱহেলিত সন্তানটিক সমাজৰ পৰা চিৰদিনৰ বাবে আতৰ কৰাৰ উদ্দেশ্যে ওখ ওখ পৰ্বতৰ ওপৰলৈ লৈ গৈ তলৈল দলিয়াই পেলাই মাৰিবলৈ চেষ্টা কৰি-

ছিল। ডাঙৰ ডাঙৰ হাবিলৈ নি ভয়ংকৰ জন্তু প্ৰাণীৰ মুখত দি সিহঁতক জোকাই খঙাল কৰি খাবলৈ এৰি দিছিল। ইয়াৰ উপৰিও মাক-বাপেকে কামলৈ গলে দৃষ্টিহীন সন্তানটিক ঘৰৰ ভিতৰত বান্ধি থৈ গৈছিল। কাৰণ তেওঁ-লোকে ইপিনে-সিপিনে ঘূৰি ফুৰি কৰবাত খুন্দা মাৰি হয়তো তেওঁলোকে কৰবাত কিবা ক্ষতি কৰিব পাৰে। মানুহে তেওঁলোকৰ সম্ভেদ দূৰৰ পৰা পোৱাৰ বাবে ডিঙিত টিলিঙা আৰি দিয়া হৈছিল। কাৰণ এওঁলোকক যাত্ৰাৰ সময়ত দেখা পাপ কথা।

সেই সময়ত দৃষ্টিহীনা নাৰীসকল সমাজৰ অকণমান মৰমৰ পৰা বঞ্চিত হৈছিল। তেনে এক সন্ধিক্ষণতে পৃথিৱীৰ মানৱ জাতিৰ দুৰ্নীতি মোচনৰ অৰ্থে আবিৰ্ভাৱ হৈছিল প্ৰভু যীশুখৃষ্টৰ। যীশুখৃষ্টৰ প্ৰবৰ্তিত খৃষ্টান ধৰ্মৰ মতানুসাৰে সকলো এক ঈশ্বৰৰ সন্তান। সেয়ে বিকলাঙ্গ সকলকো ভগৱানৰ সন্তান বুলি গণ্য কৰিব লাগে। অত্যাচাৰ কৰাৰ পৰিবৰ্তে শিবিৰ পাতি তেওঁলোকক মানুহ হিচাপে মৰম চেনেহ কৰি তেওঁলোকক দয়াৰ পাত্ৰ কৰি তুলিছিল। যিশুৰ দয়াৰ বাণীয়ে দৃষ্টিহীন সকলৰ প্ৰগতিৰ পথ প্ৰশস্ত কৰি তুলিছিল। প্ৰগতিৰ পথ সুগম হোৱাৰ লগে লগে তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকশিত হৈ বিভিন্ন দিশত প্ৰতিভাৰ প্ৰৱল সোত ববলৈ ধৰিলে। তেতিয়াই বিশ্বৰ মানৱ সমাজে অনুধাবন কৰিব পাৰিলে যে দৃষ্টিহীনসকলো সমাজৰ এক অবিচ্ছেদ্য অংগ হব পাৰে।

এনে প্ৰতিভাসম্পন্ন কেইগৰাকীমান দৃষ্টি-হীন ছাত্ৰক লৈ পোন প্ৰথমবাৰৰ বাবে ভেলেণ্টেইন হুৱেৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলস্বৰূপে ১৭৮৪ চনত পেৰিছ মহানগৰীৰ বুকুত একমাত্ৰ দৃষ্টিহীন শিক্ষা অনুষ্ঠানখন গঢ়ি উঠিছিল। নানা কৌশলেৰে এই বিদ্যালয়ত বিভিন্ন পদ্ধতি প্ৰয়োগ কৰি পৰীক্ষামূলকভাৱে দৃষ্টিহীন সকলক বিভিন্ন শিক্ষা প্ৰদান কৰা হৈছিল। কিন্তু এই অনুষ্ঠানে দৃষ্টিহীন সকলৰ উন্নতিৰ পথত বিশেষ অৰিহণা যোগাব পৰা নাছিল। তেতিয়াও দৃষ্টিহীন সকলে বাধাহীনভাৱে শিক্ষা লাভৰ পৰা বঞ্চিত হৈ থকা মুহূৰ্ততে ১৮০৯ চনৰ ৪ জানুৱাৰী তাৰিখে মেৰী ব্ৰেইলৰ গৰ্ভত আৰু চাইমন ব্ৰেইলৰ ঔৰসত জন্ম লাভ কৰিছিল মহামানৱ লুই ব্ৰেইলে পেৰিছ মহানগৰীৰ পৰা প্ৰায় ২০ কিলোমিটাৰ পূৱে কুপভ্ৰে নামে এখনি সৰু গাৱত। তেওঁৰ দেউতাকে তেওঁৰ এটি নিজা সৰু কাৰখানাত চামৰা ব্যৱসায় কৰি মুচি হিচাপে জীৱন নিৰ্বাহ কৰিছিল। তেওঁৰ পুত্ৰ অকণমানি লুইও দেউতাকৰ নিচিনা কাম কৰি ধেমালী কৰি থাকে। আৰু তেনে এটা অৱস্থাতে এদিনাখন হাতত এখন চুৰি লৈ কামত ব্যস্ত হৈছিল। হঠাতে লুইৰ হাতৰ চুৰি চামৰাত লগাৰ বিপৰীতে তেওঁৰ বাওঁ চকুত আঘাত কৰিলে; তেনেকৈয়ে তেওঁ চাৰি/পাচ বছৰ বয়সত দৃষ্টিশক্তি হেৰুৱায়। মাক-বাপেকে তেওঁৰ দৃষ্টিশক্তি ঘূৰাই আনিবলৈ চেষ্টা কৰিছিল যদিও সফল নহ'ল।



লুই দৃষ্টিহীন আছিল যদিওঁ তেওঁক মাক বাপেকে গাৱৰে এখন প্ৰাথমিক বিদ্যালয়ত ভৰ্ত্তি কৰি দিলে আৰু অতি কম সময়ৰ ভিতৰতে লুয়ে শিক্ষকৰ সকলো কথা শুনি শুনি বিদ্যালয়ৰ সকলো ছাত্ৰৰ ভিতৰত সকলো দিশতে বিশেষ পাৰদৰ্শিতা অৰ্জন কৰি এজন কৃতি ছাত্ৰৰ ৰূপে পৰিচয় দিছিল। প্ৰাথমিক শিক্ষা শেষ হোৱাৰ পিছত তেওঁক ভেলেণ্টেইন হুৱে প্ৰতিষ্ঠা কৰা দৃষ্টিহীন বিদ্যালয়ত ভৰ্ত্তি কৰোৱা হয়। তাতো তেওঁ অতি কম দিনৰ ভিতৰতে প্ৰতিভা বিকাশ কৰিবলৈ সক্ষম হৈছিল। এই অনুষ্ঠানত প্ৰচলিত পদ্ধতি আহৰণ কৰি বিদ্যা-লয় কৰ্তৃপক্ষৰ অনুমতি সাপেক্ষে তেওঁ শিক্ষক পদত নিযুক্তি লাভ কৰে। লুই ব্ৰেইলে দিয়া শিক্ষাত সকলো ছাত্ৰ-ছাত্ৰীয়ে মুগ্ধ হৈছিল।

সেই সময়তে এদিনাখন এখনি প্ৰদৰ্শনীত ফ্ৰান্সৰ নেপোলিয়ন বোনাপাৰ্টৰ অধিনায়ক চাৰ্লছ বাৰ্বেৰিয়াই এটি বিশেষ ধৰণৰ পদ্ধতি প্ৰদৰ্শন কৰিছিল। এই পদ্ধতিটো অধিনায়কে যুদ্ধৰ বাৰ্তাবিলাক গোপন ভাৱে সৈন্য সকলৰ মাজত প্ৰচাৰ কৰাৰ অৰ্থে ব্যৱহাৰ কৰিছিল। ইয়াকে "নাইট ৰাইটিং চিচটেম" ( Night writing system ) বুলি কোৱা হয়। এই পদ্ধতিটো লুই ব্ৰেইলে স্বহস্তে স্পৰ্শ কৰি চাই ভাবিছিল যে ইয়াৰ সহায়ত দৃষ্টিহীন সকলে ভালকৈ অৰ্থাৎ সহজতে লিখাপঢ়া কৰিব পাৰিব। সেয়েহে বাৰ্বেৰিয়াৰ অনুমতি ক্ৰমে এই পদ্ধতিটো নিজৰ হাতলৈ আনি আগৰ বাৰটা দতৰ ঠাইত দুটা দতলৈ পৰিবৰ্তন কৰে আৰু দাৰি {।} কমা {,} কোলন {;} আদি চিহ্ন সমূহকে লৈ মুঠ ৬৩ টা লিপি উদ্ভাবন কৰে। ব্ৰেইলৰ পদ্ধতিটো প্ৰথমে তেখেতে নিজৰ বিদ্যালয়ৰ ছাত্ৰসকলক শিকাব বিছাৰিছিল। বিদালয়ৰ দৃষ্টিমান শিক্ষক সকলৰ এই পদ্ধ-তিৰ সহায়ত শিক্ষা দিবলৈ টান হব বুলি ভাবি ব্যৱহাৰ কৰিব দিবলৈ টান পাইছিল। তথাপিও তেওঁ সকলো বাধা নেওঁছি তেওঁৰ পদ্ধতিটো উক্ত বিদ্যালয়তে ছাত্ৰ সকলক শিকাব ধৰিলে। ছাত্ৰসকলে সহজে এই পদ্ধতি আয়ত্ব কৰিছিল যদিও ব্ৰেইলৰ এই পদ্ধতিক স্বীকৃতি দিয়া নাছিল। কিন্তু তেখেতৰ মৃত্যুৰ পিছত সকলো কাগজপত্ৰ ফ্ৰান্স চৰকাৰে নিজৰ হাতলৈ নি মৃত্যুৰ দুবছৰৰ পিছত অৰ্থাৎ ১৮৫৪ চনত ব্ৰেইল লিপিক চৰকাৰী ভাৱে স্বীকৃতি প্ৰদান কৰে। ইয়াৰ পিছত ক্ৰমে বিশ্বৰ বিভিন্ন দেশত এই পদ্ধতিয়ে প্ৰাধান্য বিস্তাৰ কৰে। ইয়াৰ লগে লগে ১৯১৭ চনত আমেৰিকা চৰকাৰেও এই পদ্ধ-তিক দৃষ্টিহীনৰ শিক্ষাপদ্ধতিত ব্যৱহাৰৰ বাবে অনুমতি দিয়ে। ইয়াৰ পিছতে পেৰিচ চৰ-কাৰে ব্ৰেইলৰ পদ্ধতিটো তেখেতৰ উপাধি অনুসৰি ব্ৰেইল পদ্ধতি হিচাপে নামাকৰণ কৰে আৰু ই সমগ্ৰ পৃথিৱীতে জনাজাত হল।

ব্ৰেইলৰ মৃত্যুৰ বহুত বছৰ পিছত পেৰিছ চৰকাৰে তেওঁৰ মৃতদেহটো পেৰিছ মহানগৰীলৈ আনি তেখেতৰ নামেৰে নামাকৰণ কৰি এটি

স্মৃতিসৌধ নিৰ্মাণ কৰিছিল। এই স্মৃতি শোধটিত ব্ৰেইলে শিক্ষকতা কৰা দুজন ছাত্ৰক শিকাই থকা ছবি এটি আকি তাত ব্ৰেইল লিপি সমূহ লিখি ৰাখিছিল আৰু তাতেই ডাঙৰ আখৰৰে লিখা আছে "Lui Braille immortal'। এইদৰে লুই ব্ৰেইলে উদ্ভাৱন কৰা পদ্ধতি অনুসৰি বিশ্বৰ সকলো দৃষ্টিহীন সকলৰ কাৰণে বিশ্বৰ চুকে-কোণে বিদ্যালয় গঢ়ি উঠিব ধৰিলে।

এই পদ্ধতিৰে শিক্ষা দিয়াৰ উদ্দেশ্যে আমাৰ ভাৰতবৰ্ষতো খৃষ্টান মিছনাৰী সকলৰ উদ্যোগত "Sharp Memorial School for the Blind girls" নামৰ এটি দৃষ্টিহীন অনুষ্ঠান ১৮৮৭ চনত জন্ম হয়। এইখনেই অমৃতসৰত গঢ়ি উঠা ভাৰতবৰ্ষৰ প্ৰথম দৃষ্টিহীন সকলৰ শিক্ষাৰ অনুষ্ঠান। ইয়াৰ পিছত ক্ৰমাগত ভাৱে ১৮৯৮ চনত মাদ্ৰাজৰ পাইলাম কুতি খৃষ্টান মিছনাৰী সকলে আন এখন দৃষ্টিহীন বিদ্যালয় স্থাপন কৰে। আন এখন দৃষ্টিহীন বিদ্যালয় কলিকতাৰ বেহেলাত স্থাপন কৰা হয় ১৮৯৪ চনত। বোম্বাইৰ দাদৰ নগৰীত এখন দৃষ্টিহীন বিদ্যালয় স্থাপন হয় ১৯০০ চনত খৃষ্টান মিছনাৰী সকলৰ সহযোগত।

অসমত অন্ধ শিক্ষা :—১৯৫৫ চনত নগাওঁৰ শ্ৰীমন্ত শংকৰ মিশ্যনে নগাওঁ জিলাত এখন বিদ্যালয় দৃষ্টিহীন সকলৰ বাবে প্ৰথমে স্থাপন কৰে। অসমৰ দ্বিতীয়খন দৃষ্টিহীন বিদ্যালয় স্থাপন হয় ১৯৬৯ চনত বিহপুৰীয়াত। ইয়াৰ পিছত ১৯৭২ চনত ডিব্ৰুগড় জিলাৰ মৰাণত আৰু ১৯৭৪ চনত যোৰহাটত একোখনকৈ অন্ধ বিদ্যালয় স্থাপন হয়। ইয়াৰ উপৰিও ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ বিভিন্ন ঠাইত দৃষ্টিহীনৰ নানা প্ৰশিক্ষণ কেন্দ্ৰৰ লগতে আনুষঙ্গিক অনুষ্ঠান প্ৰতিষ্ঠান গঢ়ি উঠে। ফলত আমাৰ দেশৰ দৃষ্টিহীনসকলেও তেওঁলোকৰ নাম ভাৰতীয় ইতিহাসত সোণোৱালী আখৰেৰে লিপিবদ্ধ কৰিবলৈ সক্ষম হ'ল। লগে লগে জ্ঞান-বিজ্ঞানৰ চমকপ্ৰদক সফলতাই আনি দিলে দৃষ্টিহীন সমাজলৈ এক নতুন পৰিবৰ্তন। ফলস্বৰূপে সমগ্ৰ বিশ্ববাসীয়ে স্বীকাৰ কৰিবলৈ বাধ্য হ'ল যে আমি সকলো একে পথৰ যাত্ৰী। দৃষ্টিহীনসকলে জনসাধাৰণৰ পূৰ্ণ সহযোগিতা পালে। সকলো কাম নিয়াৰিকৈ পৰিচালনা কৰিবলৈ সমৰ্থ হয়। আমেৰিকা, জাপান আদি দেশৰ লেখীয়া আগশাৰীৰ দেশত কোনো কামতে দৃষ্টিহীন আৰু দৃষ্টিমানৰ মাজত প্ৰভেদ দেখা নাযায়। পৃথিৱীৰ অন্যান্য দেশত ব্ৰেইল পদ্ধতিয়ে উন্নতিৰ শিখৰত বগোৱাৰ লগে লগে ইয়াৰ সোত সমগ্ৰ বিশ্বলৈ বব ধৰে। আমাৰ দেশত এই পদ্ধতিটোক ভাৰতী ব্ৰেইল নামেৰে নামাকৰণ কৰি দৃষ্টিহীনৰ সুপ্ত প্ৰতিভা বিকশিত কৰাত কামত লগোৱা হয়। এতিয়ালৈকে আমাৰ ভাৰতবৰ্ষত প্ৰায় ২৫০ খন দৃষ্টিহীন শিক্ষা অনুষ্ঠান অথবা প্ৰশিক্ষণ কেন্দ্ৰ গঢ়ি উঠিছে। এই বিলাকত শিক্ষা বা প্ৰশিক্ষণ





লৈ দৃষ্টিহীনসকলে একো একোজন সক্ষম ব্যক্তিৰ দৰে কামত নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে। গুজৰাটৰ আহমদাবাদৰ কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰত প্ৰায় ১০০ জন দৃষ্টিহীন লোকে প্ৰশিক্ষণ গ্ৰহণ কৰি সমগ্ৰ ভাৰতীয়ৰ মনত এক ন আলোড়ণৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। আনহাতে কলিকতা, দিল্লী, বোম্বাই, মাদ্ৰাজ নগৰৰ প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বাৰা প্ৰশিক্ষণ গ্ৰহণ কৰি দৃষ্টিহীনসকলে কেতবোৰ আচৰিত কাৰ্য্য সম্পাদন কৰি নিজৰ যশস্যা দুগুণে বঢ়াবলৈ সক্ষম হৈছে। সৌ সিদিনা ১৯৮৯ চনৰ ১৬ আগষ্ট তাৰিখে দুজন দৃষ্টিহীনে শৈল হিমালয় পৰ্বত বগাই ইপাৰ-সিপাৰ হৈ সমগ্ৰ বিশ্ববাসীৰ মনত এক ন প্ৰতিভাৰ সৃষ্টি কৰে। তাতোকৈ আচৰিত, দুজন দৃষ্টিহীনে ইংলিচ প্ৰণালী সাতুৰি ইপাৰ-সিপাৰ হৈ বিশ্ববাসীৰ মনত আৰু এক নতুন আলোড়ণৰ সৃষ্টি কৰে। আনহাতে অসমৰ নগাওঁ জিলাৰ বৰহমপুৰ শ্ৰীমন্ত শংকৰ মিশ্যন অন্ধ বিদ্যালয়ৰ এম; ই শাখাৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীমতী কমলা বৰুৱাই ১৯৮৩ চনত ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ লাভ কৰে। উল্লেখযোগ্য যে তেখেত দৃষ্টিহীনা মহিলা হৈওঁ নিজৰ পৰিয়ালটো পৰিচালনা কৰাৰ লগতে তেখেতৰ অধীনস্থ অনুষ্ঠানটো সুচাৰুৰূপে পৰিচালনা কৰি আছে।

ইতিহাসত দৃষ্টিহীনৰ এনে আচৰিত ঘটনাৰ উল্লেখ আছে। এইখিনিতে আমি মনত ৰাখিব লাগিব যে দৃষ্টিহীন সকলে বিভিন্ন সময়ত বিভিন্ন দিশত নিজৰ নিজৰ প্ৰতিভা বিকশিত কৰি ৰাইজক আচৰিত কৰি তুলিলেও এতিয়াও কিন্তু তেওঁলোকৰ কাৰণে বহুখিনি কৰিবলগীয়া আছে। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ দৃষ্টিহীন সকল নানা সমস্যাৰে জৰ্জৰিত। এই দুৰ-দশাগ্ৰস্থ হাতভঙা দৃষ্টিহীন সকলক ৰক্ষা কৰাৰ দ্বায়িত্ব অথবা তেওঁলোকৰ জীৱনলৈ সুখৰ ৰেঙণি অনাৰ দ্বায়িত্ব চৰকাৰ আৰু সমাজ উভয়ৰে। চৰকাৰ আৰু সমাজৰ মিলিত প্ৰচেষ্টাত হে দৃষ্টিহীনৰ দুৰ্যোগৰ উপসম ঘটিব। এতিয়া কথা হব দৃষ্টিহীন সকলৰ উন্নতি কল্পে চৰকাৰ বা সমাজৰ কি কৰিবলগীয়া আছে আমি তাৰো বিচাৰ কৰি চাব লাগিব। লগতে ইয়াকো চাব লাগিব ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য সমুহত তেওঁলোকে কেনে ধৰণৰ সুবিধা ভোগ কৰি আহিছে অথবা চৰকাৰ বা সমাজেনো তেওঁলোকৰ কাৰণে কি ব্যৱস্থা লৈছে ইয়াৰ বিশ্লেষণ অতি প্ৰয়োজন।

ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত দৃষ্টিহীন সকলে লিখা পঢ়া, প্ৰশিক্ষণৰ সুবিধা উপযুক্ত কৰ্ম সংস্থাপনৰ সুবিধা আনকি ভাৰতৰ মাদ্ৰাজত স্বাস্থ্যহীন সকলৰ কাৰণে উল্লেখযোগ্য বিষয় আৰু লগতে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ বাবে ই এটা আৰ্হি স্বৰূপ। আৰু এখন উন্নত মানৰ অনুষ্ঠান গঢ়ি উঠিছে কলিকতাৰ নৰেন্দ্ৰপুৰত। যিখন অনুষ্ঠান ৰামকৃষ্ণ মিচনৰ উদ্যোগত গঢ়ি উঠিছে। ই এখন চৰকাৰী

centre ) খোলা (৫) দৃষ্টিহীনৰ অভিভাৱক বিহীন ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে বিশেষ ব্যৱস্থা কৰা। (৬) বিদ্যালয় সমূহ চৰকাৰী কৰণ কৰা ইত্যাদি ব্যৱস্থা লৈ দৃষ্টিহীনৰ সমস্যাসমূহৰ সমাধান কৰাৰ পথত চৰকাৰে ব্যৱস্থা লব লাগে আৰু তেতিয়াহে দৃষ্টিহীন সকলক সমস্যা জৰ্জৰিত অৱস্থাৰ পৰা মুক্ত কৰিব পৰা যাব বুলি দৃষ্টিহীন সমাজে ভাবে।

> যিকোনো জাতিৰ ভাগ্য নিৰ্ভৰ কৰে সেই জাতিৰ ২৬ বছৰতকৈ কম বয়সৰ ডেকা গাভৰুৰ মতামত, ভাব আৰু চিন্তাৰ ওপৰত।"
>
> — গেটে—



# শিশুৰ অপৰাধ প্ৰৱণতা আৰু ইয়াৰ দূৰীকৰণত পিতৃ-মাতৃ আৰু শিক্ষকৰ ভূমিকা

**বীণাপাণি তালুকদাৰ**
অধ্যাপিকা, শিক্ষা বিভাগ

আধুনিক শিক্ষা। শিশুকেন্দ্ৰিক বা শিক্ষাৰ্থী সৰ্বস্ব (Child Centric)। বৰ্ত্তমান শিশুৰ বিভিন্ন দিশৰ বিকাশ আৰু ব্যক্তিত্ব গঠনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। শিশুৰ সৰ্বাঙ্গীন দিশৰ বিকাশত শিক্ষক আৰু সামাজিক পৰিবেশৰ ভূমিকা উল্লেখযোগ্য। সামাজিক পৰিবেশ নহলে শিশুৰ বিকাশ হোৱাটো সম্ভৱপৰ নহয়। আনহাতে সামাজিক দক্ষতাও শিশুৰ জন্মজশক্তি সামৰ্থ্য আৰু সম্ভাৱনাৰ বিকাশতহে সম্ভৱ হয়। শিশুক শিক্ষা দিয়াৰ বেলিকা সেইবাবে বিশেষ সতৰ্কতা অৱলম্বন কৰিব লগীয়া হয়। শিক্ষাৰ ফালৰ পৰা এই সময়ছোৱা অতি গুৰুত্বপূৰ্ণ। কোমল বাহক যেনে ইচ্ছা তেনে ৰূপত গঢ় দিব পাৰি ঠিক তেনেদৰে কুমলীয়া শিশুটিক এই সময় ছোৱাৰ ভিতৰতে উপযুক্তভাৱে গঢ়ি তুলিব পাৰি। এই দিশত কন কন শিশুৰ বাবে উপদেশতকৈ দৃষ্টান্তই শ্ৰেয়। ( Example is better than precept )।

শিশুৰ অপৰাধ প্ৰৱণতা এটা সংক্ৰামক ৰোগৰ দৰে সকলো ঠাইতে বিয়পি পৰিছে। এই অপৰাধ প্ৰৱণতা হৈছে কিছুমান কথা আৰু কাৰ্য্য যিবিলাক সমাজ আৰু আইনৰ চকুত দণ্ডনীয় বুলি ধাৰ্য্য কৰা হয়। যৌৱন কালত এইবোৰ ব্যৱহাৰ আৰু অসামাজিক কাৰ্য্যকলাপক অপৰাধমূলক আচৰণ Delinguent behaviour ) বোলা হয়। এনে অপৰাধ মুলক কাৰ্য্য বহলভাৱে লঘু আৰু গুৰু দুই ধৰণৰ হব পাৰে। পঢ়াশুনাত অৱহেলা, " পিতৃ-মাতৃ আৰু শিক্ষকৰ অবাধ্যতা মিছা কথা কোৱা ইত্যাদি লঘু ধৰণৰ অপৰাধ। আনহাতে হত্যাকাণ্ড ধ্বংসাত্মক কাৰ্য্য কৰা,

চুৰি ডকাইতি ইত্যাদি কাৰ্য্যক গুৰুতৰ অপৰাধ বুলি অভিহিত কৰা হয়।

'সাধাৰণতে প্ৰশ্ন হয় কি কাৰণত শিশুবিলাকে অপৰাধ মূলক আচৰণৰ বশবৰ্তী হয়। ইয়াৰ মূল কাৰণ হৈছে বংশধাৰামূলক পৰিবেশ ; সামাজিক আৰু মনোবৈজ্ঞানিক। মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰে অপৰাধ প্ৰৱণতাৰ বিভিন্ন কাৰণ থাকিব পাৰে। এই ক্ষেত্ৰত শাৰীৰিক মানসিক আৰু সামাজিক কাৰণকে মূল বুলি ধৰিব পাৰি। অপৰাধ প্ৰৱণতা কেতিয়াও জন্মগত নহয়, ইয়াক পৰিবেশৰ অৱদান বুলিহে কব পাৰি।

অপৰাধমূলক আচৰণক বিশেষকৈ কেইবাভাগত ভগাব পাৰি। উদাহৰণ স্বৰূপে (১) মিথ্যাভাষণ (২) যৌন অপৰাধ (৩) সংগ্ৰহ প্ৰবৃত্তিজাত অপৰাধ (৪) পলায়ন (৫) শৃঙ্খলা ভঙ্গতা (৬) ক্ৰোধজাত অপৰাধ (৭) অবাধ্যতা (৮) প্ৰতাৰণা ৯) গোপনীয়তা প্ৰবৃত্তিজাত অপৰাধ (১০) দুখ ভাৱৰ পৰা হোৱা অপৰাধ ইত্যাদি।

শাৰীৰিকভাৱে অক্ষম ল'ৰা ছোৱালীয়ে আন সক্ষম ল'ৰা ছোৱালীৰ লগত স্বাভাৱিকভাৱে সামাজিক সম্পৰ্ক স্থাপন কৰিব নোৱাৰে। ফলত অবাধ্যতা অসহিষ্ণুতা আদি অসামাজিক আচৰণ কৰিবলৈ বাধ্য হয়। আনহাতে মানসিকভাৱে বাধাগ্ৰস্ত শিশুৱে নানাধৰণৰ অপৰাধমূলক কাৰ্য্যত লিপ্ত হয়। অত্যাধিক মানসিক অস্থিৰতা, বিষন্নতা আৰু স্নায়বিক দুৰ্ব্বলতাত ভোগা শিশুৱে সহজে আন শিশুৰ লগত সামাজিক সম্পৰ্ক স্থাপন কৰাত ব্যৰ্থ হয় আৰু তেতিয়া অপৰাধমূলক কাৰ্য্যত লিপ্ত হয়। মানসিক অৱস্থা সমূহ বেছি ভাগেই পাৰিবাৰিক আৰু সামাজিক কাৰণত সৃষ্টি হয়।

প্ৰথমতে ঘৰ আৰু সমাজৰ প্ৰভাৱে শিশুৰ বিকাশত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। অসুস্থ গৃহ পৰিবেশ বহুত সময়ত অপৰাধ প্ৰৱণতাৰ কাৰণ হব পাৰে। গৃহ পৰিবেশত আবেগিক নিৰাপত্তাৰ অভাৱ, আৰ্থিক অনাটনৰ অশিক্ষিত পিতৃ-মাতৃ, পিতৃ-মাতৃৰ অপৰাধমূলক কাৰ্য্য আৰু উৰ্চ্ছৃঙ্খল জীৱন যাপন আৰু মৰম স্নেহৰ অভাৱ আৰু দ্বন্দ্ব হাই কাজিয়াৰে কলুষিত ঘৰ ইত্যাদি নানা ধৰণৰ সমস্যা থাকে। এনেকুৱা অসুস্থ গৃহ পৰিবেশে শিশুৰ আবেগিক আৰু মানসিক সংঘাতৰ সৃষ্টি কৰে আৰু মনলৈ নীচাত্মিকাবোধৰ ভাব আনে। সমাজত খাপ খুৱাব নোৱাৰাৰ বাবে নিজৰ নীচাত্মিকাবোধ বা ক্ষোভ কিছুমান অসামাজিক কামৰ যোগেদি সমাধান কৰিব বিচাৰে।

দ্বিতীয়তে পৰিবেশৰ প্ৰভাৱে উঠি অহা ল'ৰা ছোৱালীৰ ওপৰত বিশেষ ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰে। যিখন সমাজত ব্যক্তি সকলে ৰীতি-নীতি আচাৰ, ব্যৱহাৰ সামাজিক আচৰণ; পূজা পাৰ্বন, লোকাচাৰ আৰু লোক সংস্কৃতি ইত্যাদি মানি চলে সেই সমাজত লোকনিন্দা আৰু সমালোচনাৰ ভয়ত ল'ৰা ছোৱালীয়ে বেয়া কাম কৰিবলৈ সংকোচ কৰে। এই নীতি নিয়মবোৰে সমাজত অনুশাসনৰ দৰে কাম কৰে। কিন্তু সামাজিক বান্ধোন শিথিল হৈ যোৱাৰ লগে লগে জীৱিকা নিৰ্বাহৰ বাবে মাক বাপেক দুয়ো ঘৰৰ পৰা যাবলগীয়া হোৱাত আৰু শিশুবিলাকক ভাল দৰে তত্ত্বাৱধান লব নোৱাৰাৰ বাবে সিহঁতৰ মনত ভয়, চিন্তা আৰু নিৰাপত্তাৰ অভাৱে দেখা দিয়ে। তদুপৰি ঘন বসতিপূৰ্ণ সমাজত দৰিদ্ৰতাৰ বাবে অস্বাস্থ্যকৰ পৰিবেশত বাস কৰা খেল পথাৰৰ অভাৱ, সমাজ কল্যান মূলক সমিতি আদিৰ অভাৱে দূষিত পৰিবেশৰ সৃষ্টি কৰে। অসুস্থ সামাজিক পৰিবেশত শিশুৱে অবাঞ্জিত কামত লিপ্ত হবলৈ উদ্দেশ্যবিহীনভাৱে ঘুৰি ফুৰিবলৈ আৰু নানাধৰণৰ অসামাজিক কাম কৰিবলৈ উৎসাহ পায়।

তৃতীয়তে, বিদ্যালয়ৰ অসুস্থ পৰিবেশে শিশুক বিশেষভাৱে প্ৰভাবিত কৰে। বিদ্যালয়ৰ বৈচিত্ৰ্যহীন পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীৰ সৃজনীমূলক প্ৰতিভা বিকাশত খুব কমেই অৰিহনা যোগায়। ইয়াৰ উপৰিও শিক্ষকৰ অনুপস্থিতি, অনুপযুক্ত শিক্ষক ইত্যাদিও অপৰাধ প্ৰৱণতাৰ কাৰণে দায়ী হব পাৰে। মানসিক অশান্তি বা হীন বুদ্ধিৰ বাবে স্কুলৰ পঢ়া-শুনা কৰাত, অনুশাসন মনাত আৰু শিক্ষকৰ কৰ্তৃত্ব মনাত শিশুৱে আগ্ৰহ নেদেখুৱায়। নিৰাপত্তাৰ অভাৱবোধ, হতাশা আৰু নীচাত্মিকা মনোভাবত ভোগা ল'ৰা-ছোৱালীক কঠোৰ শাস্তি প্ৰয়োগ কৰিলে বহুত ক্ষেত্ৰত ঘৰ, স্কুল আৰু সমাজত অপৰাধমূলক কাৰ্য্যৰ প্ৰভাৱ বাঢ়িকয়ে পৰে আৰু সিহঁত বিদ্ৰোহী হৈ উঠে।

চতুৰ্থতে, কুসঙ্গ হ'ল অপৰাধ প্ৰৱণতাৰ মূল কাৰণ। ঘৰুৱা পৰিবেশ শিশুৰ বাবে মনোগ্ৰাহী নহলে সিহঁতে কুসঙ্গৰ লগ লাগি কিছুমান অসামাজিক কাম কৰিবলৈ বাধ্য হয়। সঙ্গৰ দোষত বহুতো স্বাভাৱিক ল'ৰা ছোৱালী বিপথে যোৱা পৰিলক্ষিত হয়।

শিশুৰ অপৰাধ প্ৰৱণতা এটা ব্যাধিৰূপে দেখা দিলেও ইয়াক ভাল কৰিবলৈ বহুত ধৰণৰ উপায় অবলম্বন কৰি ইয়াক নিৰাময় কৰিব পাৰি। কিন্তু এটা কথা বিশেষ মন কৰিবলগীয়া যে অপৰাধ প্ৰৱণতা এবাৰ দেখা দিলে ইয়াক দূৰ কৰাটো অতিশয় কষ্টসাধ্য কাম হৈ পৰে। অপৰাধী শিশুক ভাল কৰাতকৈ অপৰাধ প্ৰৱণতাৰ লক্ষণ দেখা দিলে তাক দূৰ কৰাতহে বিশেষ গুৰুত্ব দিয়া উচিত যাতে ই আন শিশুলৈ বিয়পিব নোৱাৰে।

শিশুৰ অপৰাধ প্ৰৱণতা দূৰীকৰণত পিতৃমাতৃ তথা শিক্ষকৰ ভূমিকা বিশেষ উল্লেখযোগ্য। গৃহ পৰিবেশত শিশুৰ পৰনিৰ্ভৰশীলতা, আত্মপ্ৰেম, অনুকৰণ, প্ৰিয়তা, খেল ধেমালিৰ প্ৰতি অনুৰাগ ইত্যাদি বৈশিষ্ট্যবোৰ গঢ়ি উঠে। মাক দেউতাক আৰু অন্যান্য সকলৰ পৰা শিশুৱে ভাল-বেয়া সকলোবোৰ

অনুকৰণ কৰে। শিশুৱে স্কুললৈ যোৱাৰ আগতে মাত কথা, আচাৰ ব্যৱহাৰ, চাল-চলন ঘৰুৱা পৰিৱেশতে শিকি লয়। 'ঘৰখনেই হ'ল শিশুৰ আটাইতকৈ ভাল পঢ়াশালী, আৰু মাকেই হ'ল আটাইতকৈ ভাল শিক্ষয়িত্ৰী। ( Home is the best School and mother is the best teacher )। সেয়েহে ঘৰুৱা পৰিৱেশেও যাতে শিশুৰ অপৰাধ প্ৰৱণতাৰ সৃষ্টি নকৰে তাৰ প্ৰতি মাক দেউতাক সজাগ থকা উচিত।

বিদ্যালয়ৰ অসুস্থ পৰিৱেশে শিশুক যাতে অপৰাধী কৰিব নোৱাৰে তাৰ প্ৰতি শিক্ষক সকলে বিশেষ সচেতন হোৱাটো অপৰিহাৰ্য্য কাৰণ শিশুৰ সকলো দিশ যেনে শাৰীৰিক, মানসিক, আধ্যাত্মিক, নৈতিক আদি দিশত বিকাশ সাধন সম্ভৱপৰ হয় শিক্ষকৰ যোগেদি। গতিকে বিদ্যালয়ত যাতে সুস্থ পৰিৱেশ গঢ়ি তুলিব পাৰি তাৰবাবে শিক্ষক সকলে যথেষ্ট চেষ্টা কৰা উচিত। শিক্ষাৰ সাফল্য ঘাইকৈ নিৰ্ভৰ কৰে শিক্ষকসকলৰ জ্ঞানদানৰ দক্ষতা শ্ৰেণী পৰিচালনা আৰু শৃঙ্খলা বিধান কৰাৰ কৌশলৰ ওপৰত। শিক্ষাৰ্থীৰ সুস্থ ব্যক্তিত্বত ইন্ধন যোগোৱাৰ বাহিৰেও ভবিষ্যত নাগৰিক সকলক সুপথে পৰিচালিত কৰাৰ প্ৰধান দায়িত্ব শিক্ষক সকলৰ। গতিকে শিশুৰ অপৰাধ প্ৰৱণতা দূৰীকৰণত শিক্ষকৰ ভূমিকা বিশেষ মন কৰিব লগীয়া।

অপৰাধ প্ৰবণতা দূৰ কৰি এখন সুস্থ আৰু সুন্দৰ সমাজ প্ৰতিষ্ঠা কৰাতো প্ৰত্যেক নাগৰিকৰে কৰ্ত্তব্য। সেয়েহে এই সমস্যাৰ সমাধান কৰিবৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত। অপৰাধ প্ৰৱনতা আতৰ কৰিবলৈ মাতৃ আৰু শিক্ষকৰ ঐকান্তিক প্ৰচেষ্টা, ধৈৰ্য্য, সাহস আৰু সহায়ৰ প্ৰয়োজন হয়। মাতৃ আৰু শিক্ষকৰ প্ৰচেষ্টা অবিহনে অপৰাধী শিশু ভাল কৰাটো সম্ভৱপৰ নহয়। গতিকে অপৰাধ প্ৰৱণতাৰ পূৰ্বৰ অৱস্থাত দেখা দিয়া উশৃঙ্খল অৱস্থাসমূহ অধ্যয়ন কৰি তাৰ প্ৰতিকাৰৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। এই দিশত অপৰাধীক শাস্তি দিয়াতকৈ সংশোধনৰহে ব্যৱস্থা কৰিব লাগে আৰু অপৰাধীৰ চাৰিত্ৰিক পৰিৱৰ্তন আনিবলৈ যত্ন কৰিব লাগে। □



# অভাৱেই অৱক্ষয়ৰ চালিকা শক্তি

খবিৰুদ্দিন আহমেদ
এম, এ (ডবল) বি-এড্
অংশকালিন প্ৰবক্তা

সাধাৰণতে অভাৱ বুলিলে মনৰ জোখ-মাফেৰে প্ৰাপ্যখিনি পৰিপূৰ্ণ ভাবে নোপোৱাকে অভাৱ বুলি কোৱা হয়। ব্যক্তিৰ জীৱনতেই হওঁক নাইবা সামাজিক জীৱনতেই হওঁক অভাৱৰ অস্তিত্বক বিভিন্ন-ভাবে বিভিন্ন পৰ্যায়ত অনুভৱ কৰা হয়। বৰ্তমান পৃথিৱীত যি পিনেই চোৱা হয় সেই পিনেই অভাৱ অনুভৱ হোৱা দেখা যায়। এনে উপৰুৱাকৈ চালে যদিও কোৱা হয় বৰ্তমান যুগটো জ্ঞান বিজ্ঞানৰ যুগ, সভ্যতা সংস্কৃতিয়ে বিশ্ব ইতিহাসত এক নতুন অভিলেখ সৃষ্টি কৰা যুগ। তথাপিতো ভালকৈ গমি পিতি চালে তাতো কিবা শান্তিৰ অভাৱ দেখা যায়। বিশ্বত হৈ যোৱা দ্বিতীয় মহা যুদ্ধৰ পিচত যেনিবা সৰ্ব্বশ্ৰেষ্ঠ শক্তি পৰীক্ষাত উত্তীৰ্ণ হবলৈ উন্নত (ধনী) দেশবোৰৰ ভিতৰত তৃতীয় বিশ্ব যুদ্ধৰ আয়োজনৰ প্ৰতিযোগিতা চলিছে। খাৰ বাৰুদ, বন্দুক বৰটোপৰ কথাই নকও, নিমিষতে বিশ্ব ধ্বংস কৰিব পৰাকৈ যি আনবিক অস্ত্ৰ মজুত কৰা হৈছে সেইবোৰ কাৰ বাবে আৰু কিহলৈ ? মানুহে মানুহক মাৰিবলৈ, ধ্বংস কৰিবলৈ নহয় জানো ! তেতিয়া হলে পৃথিবীত শান্তিৰ অভাৱ অনুভৱ হৈছে।

পৃথিৱীত যিমানবোৰ সৃষ্টিৰ প্ৰাণী আছে, তাৰ ভিতৰত জীৱ শ্ৰেষ্ঠ হ'ল মানুহ। ঈশ্বৰ প্ৰদত্ত বিবেক বুদ্ধিৰ বাবে অইন প্ৰাণীক বশ কৰি মানুহে পৃথিবী ইচ্ছামতে আবাদ কৰিছে। মানুহৰ সৃষ্টি ৰহস্যৰ কাহিনী বিভিন্ন ধৰ্ম্মৰ বিভিন্ন দৰ্শন অনুযায়ী বেলেগ হলেও এইটো স্বীকাৰ্য্য যে এহাল মতা মাইকীৰ পৰা এই পৃথিৱীৰ যিমান সংখ্যক মানুহ, ( মৰিছে-জন্মিছে ) সৃষ্টি হৈছে। সুখ, দুখ, শান্তি, অশান্তিৰ যদি কিবা দিশ আছে সেইয়া মানুহৰ সৃষ্টি। পৃথিবীত যদি অভাৱগ্ৰস্ত প্ৰাণী

আছে সেইয়া হ'ল জীৱ শ্ৰেষ্ঠ মানৱ। সাধাৰণ যিবোৰ ইতৰ প্ৰাণী আছে সিবোৰৰতো কোনো অভাৱ নাই অশান্তি নাই। খাদ্য সমস্যা, নিবনুৱা সমস্যা, বাসভূমিৰ সমস্যা আদি য'ত যিমান সমস্যা আছে সকলোবোৰ মানুহৰেই অইন কাৰো নহয়। জ্ঞান, বুদ্ধি, বিবেক সকলো থকাৰ পিচতো মানুহৰ এই দুৰৱস্থা কিয়? মানৱ ইতিহাসৰ পাত লুতিয়াই চালে যি পিনে চোৱা যায় সেই পিনেই ক্ৰমন্নোতি দেখা যায় আনহাতে মানৱতাৰ অধন্নোতিও লগে লগে ওলাই পৰে। মানৱ ইতিহাসৰ তেতিয়াৰে পৰা আজিলৈ, সমাজ ব্যৱস্থা; শিক্ষা ব্যৱস্থা, ৰাষ্ট্ৰ ব্যৱস্থা, জীৱন নিৰ্ব্বাহ প্ৰণালী আদি ইমান উন্নতমুখী হৈছে যিহৰ বাবে বৰ্ত্তমান কুৰি-শতিকাটো জ্ঞান বিজ্ঞানৰ চূড়ান্ত শতিকা বুলি কোৱা হয়। আনহাতে এইটোও স্বীকাৰ কৰিব লাগিব যে নৈতিকতাৰ, মানৱতাৰ অৱক্ষয় এইটো শতিকাতে বেছিকৈ পৰিলক্ষিত হৈছে।

বৰ্তমানৰ অভাৱ অভিযোগৰ দিনবোৰ বিশ্লেষণ কৰি চালে দেখা যায় যে অইনৰ নহলেও আমাৰ দেশত খাদ্য সমস্যাৰ নাটনি হৈছে। অনাহাৰত মৃত্যু হোৱা লোকৰ সংখ্যা কম হলেও খাদ্য সংকটৰ সন্মুখীন হোৱা লোকৰ সংখ্যা সৰহ হ'ব। কোৱা বাহুল্য যে ভাৰতীয় মানুহে অনাহাৰত যিমান মৰে তাতোকৈ অধিক খাদ্য খাই দুগুণ মৰে। খাদ্য সমস্যাই গাওঁ অঞ্চল জুৰুলা কৰিছে যদিও ওলোটা বিকট প্ৰতিচ্ছবিটো কোনো চহৰৰ মাজ মজিয়াত ভালকৈ দেখা যায়। কোনোবা ধনী লোকে স্বদেশী খাদ্য বাদ দি অইন ধনী দেশক অনুকৰণ কৰি বিদেশী খাদ্য বনাই খাব নাৰাৰি ডাষ্টবিনত পেলাই দিছে। আনহাতে ক্ষুধাৰ তাড়নাত থাকিব নোৱাৰি দৰিদ্ৰৰ লাওলোটা লোৱা বহু লোকে সেই পেলনীয়া খাদ্য বিচাৰি গৰু-গাহৰীৰ দৰে একে শাৰীতে যাব লাগিছে। এখন দেশৰ একে খন সমাজৰে মানুহৰ মাজত ইমান বৈষম্য কেনেকৈ হব পালে! নিশ্চয় সমাজ ব্যৱস্থাত নতুবা ৰাষ্ট্ৰ গাঠনি প্ৰক্ৰিয়াত নতুবা প্ৰশাসনৰ নিয়ন্ত্ৰনৰ অভাৱ হৈছে।

বৰ্তমান আমাৰ দেশৰ সাধাৰণ মানুহে প্ৰায়বোৰ চৰকাৰী কাৰ্য্যালয়ত উপযুক্ত কৰ্ম-চাৰীৰ অভাৱ অনুভৱ কৰা দেখা যায়। অপ্ৰিয় হলেও সত্য কথা কব লাগিব যে বেছি ভাগ কৰ্ম্মচাৰীয়ে উপকৰা অৰ্থৰ বিনিময় নহলে নিয়াৰিকৈ কাম কৰিবলৈ টান পায়। কিন্তু সেই উপকৰা টকা লৈছে কাৰপৰা! সেই ধনেৰে ৰাজভড়াল টনকিয়াল হবনে বাৰু? ছিটি বাছৰ কোনো জেপ লুকুকাই সংগ্ৰহ কৰা ধন, জুৱাৰীৰ জুৱাখেলত পোৱা ধন, ভেটিখোৰৰ উপকৰা ধন; চোৰাং বাৰসায়ীৰ হস্তপুত ধন ইত্যাদি আটাইবোৰে সামূহিক উন্নতিত বাধাৰ সমানে হেভাৰ স্বৰূপ হৈ পৰিছে। আপোনপেটীয়া আৰু গাই গুটীয়া স্বভাৱৰ বাবে জাতীয়তা বোধে গা কৰি উঠি পৰা নাই। ফলত এজনে আনজনক ঠগাই আত্মতুষ্টিৰে আত্ম শক্তি লাভ কৰিবলৈ যোৱাত ৰাজভড়াল দুৰ্ব্বল হৈ পৰিছে। সামূহিক উন্নতিত বাধাৰ সৃষ্টি হৈছে।

আজিৰ সমাজত আগৰ তুলনাত শিক্ষিত ব্যক্তিৰ অভাৱ নাই সঁচা, কিন্তু স্ব-শিক্ষিত ব্যক্তিৰ অভাৱ মুহূৰ্ত্তে মূহুৰ্ত্তে অনুভৱ কৰা যায়। মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পৰা ডিগ্ৰী লৈ নামৰ আগত শুৱনি কৰি প্ৰমাণ পত্ৰৰে শিক্ষিত লোক সমাজত সৰহ। কিন্তু প্ৰকৃত শিক্ষা কিহৰ বাবে। জীৱন নিৰ্ব্বাহৰ বাবে পৰিবেশৰ লগত নিজকে মিলাই সংশ্লিষ্ট সমাজৰ উন্নতি সাধনেই হল শিক্ষাৰ লক্ষ্য। বৰ্তমান সমাজতে তেনে উদ্দেশ্যক সু-শিক্ষিত লোকৰ অভাৱ বাৰুকৈয়ে দেখা যায়।

সাধু কথা যেন লাগে যদিও আজিৰ পৰা কুৰি, ডেৰ কুৰি বছৰ আগত বৃহৎ হাজো অঞ্চলত ডিগ্ৰী লোৱা লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা ধৰণৰ আছিল। উচ্চ শিক্ষাৰে ডিগ্ৰী লবলৈ আজিৰ দৰে নিকটৱৰ্তী সুযোগ সুবিধাও নাছিল। তথাপিতো সেই দুৰ্যোগৰ মাজত কম সংখ্যক লোকে শিক্ষা দীক্ষা লৈ সমাজত যি অৱদান আগবঢ়াই আদৰ্শ প্ৰতিষ্ঠা কৰিছিল আজিৰ অধিক সংখ্যক শিক্ষিতেও সেইটো কৰিব পৰা নাই। সাধাৰণ কথাতেই মেৰপাকৰ সৃষ্টি কৰি ৰাজনীতি, সমাজনীতি একাকাৰ কৰি প্ৰতিবেশী গাওঁৰ লগত সম্বন্ধ-চ্ছেদ, অনুষ্ঠানত দলীয়াদলি আদি ভাব সোমাই এক অশান্তিৰহে সৃষ্টি কৰা দেখা যায়। ইয়াৰ বাবে শিক্ষাৱতী, শিক্ষাদাতা, অভিভাৱক, সামাজিক পাৰিপাৰ্শ্বিকতা আটাই কেইটাই সমানে জগৰীয়া। একালব্যৰ দৰে শিষ্য পাবলৈ হলে দ্ৰোণাচাৰ্য্যৰ দৰে গুৰু হবও লাগিব। বৰ পীৰ আব্দুল কাদেৰ জিলানীৰ দৰে গুণী পুত্ৰ পাবলৈ হলে আবু চালেহ জঙ্গী দোস্তৰ দৰে পিতৃ চৰিত্ৰৰ পিতৃও হব লাগিব। ভাল বীজৰহে ভাল ফল আশা কৰিব পাৰি। অৱশ্যে বতৰৰ মাটিও অনুকূলে থকাৰ দৰে সামাজিক পৰিৱেশ আৰু অভিভাৱকও তেনে পৰ্যায়ৰ হব লাগিব।

বৈদিক যুগত গুৰুৰ লগত থাকি সংসাৰৰ আওভাও বুজিবলৈ ল'ৰা কালত শিক্ষাৰ প্ৰচলনৰ ব্যৱস্থা আছিল। সমাজ পৰিৱৰ্তন-শীল। সমাজৰ লগতে শিক্ষাৰো পৰিৱৰ্তন হৈ বৰ্তমানৰ শিক্ষা পদ্ধতিত উপনীত হৈছেহি। গুৰুৰ স্থান ললে সন্মানীত শিক্ষক শ্ৰেণীয়ে শিষ্যৰ স্থান ললে কোমলমতীয়া ছাত্ৰ-ছাত্ৰীয়ে আৰু আশ্ৰমৰ স্থান ললে পৰ্য্যায়ক্ৰমে বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যাল য় আদিৰ লেখিয়া অনুষ্ঠানে। শিষ্যসদৃষ ছাত্ৰ-ছাত্ৰীবোৰে সুবিধা মতে কিছু সময় অভিভাৱকৰ ওচৰত কিছু সময় শিক্ষাগুৰুৰ ওচৰত আৰু মন গলে আপোন মনে সময় কটাব পৰা হ'ল। ফলত নিজৰ ইচ্ছামতে আহ-যাহ কৰিব পৰা হ'ল। নিৰ্দিষ্ট সময় তালিকা

আছে যদিও সেইয়া কাগজতহে কামত নহয়। অৱশ্যে এইটো সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য নহয় যদিও অধিকৰ ক্ষেত্ৰত হয়। সেই বাবেই তেনে হয়। **শিক্ষক** হিচাবে এই অভিজ্ঞতাও আছে—পৰীক্ষা হলত **নকল** ধৰিলে ছুৰি দেখুওৱা ছাত্ৰ, ৰাষ্টাত জীৱন নাশৰ ভাবুকি দিয়া ছাত্ৰও বৰ্তমান **বিদ্যমান**। তেতিয়াও পিচ পিনে বৈ থকা অভিভাৱক শ্ৰেণী আৰু সমাজ সচেতন ব্যক্তি বৰ্গ আগুৱাই নাহিলে বেচেৰা শিক্ষক নিৰুৎসাহ হৈ নিৰুপায়ত পৰে। তেনে উদণ্ডমতীয়া ছাত্ৰ-ছাত্ৰী এবাৰ ওলালে সেইটো এটা পৰম্পৰাত পৰিণত কৰিবলৈ পৰৱৰ্তী বছৰত আন এচাম ওলাই আহে। মানুহৰ এইটোও **প্ৰবৃত্তি** যে ভাল কামতকৈ বেয়া কামত সোনকালে আসক্ত হোৱা যায়। ফলত সমাজত তেনে ডিগ্ৰী ধাৰী লোকে **শিক্ষিত** বুলি প্ৰমাণ পত্ৰৰে **পৰিচয়** দিয়াৰ বাহিৰে সু-শিক্ষিত বুলি হাতে কামে দেখুৱাবলৈ অসমৰ্থ হয়। সু-শিক্ষিত ব্যক্তি গঢ়িবলৈ সমাজ সচেতন লোকৰ অভাৱ পৰিলক্ষিত হৈছে।

নৈতিকতা আৰু মানৱতাবোধ অবিহনে কোনো লোকে প্ৰমাণ পত্ৰৰে শিক্ষিত বুলি দাবী কৰিলেও সু-শিক্ষিত হব নোৱাৰে সেইটো ধ্ৰুৱসত্য।

বৰ্তমান সমাজত নৈতিকতা আৰু মানৱতাৰ পতন ঘটিছে। জাতীয়তাবোধ পাহৰি যোৱা হৈছে। সেইহে সুবিধা পালেই ঠগ প্ৰৱঞ্চনাৰে চলিবলৈ চেষ্টা কৰা হয়। ধৰ্মলৈ আওকাণ কৰা হৈছে। ধৰ্ম গুৰু সকলৰ আহ্বানক উলাই কৰি চলা হৈছে। সেই বাবেই পদে পদে অশান্তি, সামাজিক বিশৃঙ্খলতা' খাদ্য সমস্যা, নিবনুৱা সমস্যাৰ দৰে এশ একুৰি সমস্যাই আজি জীৱ শ্ৰেষ্ঠ মানুহক জুৰুলা কৰিছে। শক্তি আৰু সামৰ্থ্যৰ অপব্যৱহাৰ হলেই অশান্তি, আৰু উশৃঙ্খলতাই মূৰ ডাঙি উঠে। জীৱ শ্ৰেষ্ঠ মানুহে জ্ঞানী বিবেকবান হৈ জানি বুজিও যেতিয়া ইচ্ছাকৃত ভাবে ভুল কৰে তেতিয়াই অশান্তিয়ে লগ দিয়ে। মানুহৰ সচেতনতাৰ অভাৱৰ বাবে মানৱতাৰ অৱক্ষয় ঘটিছে।

মানুহৰ পশু সুলভ প্ৰবৃত্তি ( ৰিপু ) বোৰক দমন কৰিবৰ বাবেই ধৰ্মৰ আৱিৰ্ভাৱ, ধৰ্ম গুৰুৰ আকুল আহ্বান শিক্ষাৰ ক্ষেত্ৰত আৱশ্যক শিক্ষাগুৰুৰ কঠোৰ শ্ৰম, সুষ্ঠ সমাজৰ প্ৰয়োজন, সমাজ সচেতন লোকৰ অহৰ্নিশে প্ৰচেষ্টা। মানৱতাক জগাই তুলিবলৈ যিমানবোৰ অনুষ্ঠান আছে তাৰ ভিতৰত মুখ্য ভূমিকা ধৰ্মৰ বাহিৰে অইনে লব নোৱাৰে। মানুহে আনক সংস্কাৰ কৰিব যোৱাৰ আগতে নিজকে সংস্কাৰ কৰি লওক। তেতিয়াহে "আপোন ভালেই জগৎ ভাল" কথাষাৰৰ তাৎপৰ্য্য ওলাই পৰিব। সমাজ প্ৰেমনিকা হ'ব জাতীয়তাবোধ, মানৱ মানৱতাবোধ জাগ্ৰত হব। পৃথিৱীত শান্তি ঘুৰি আহিব। সমস্যা দূৰীভূত হ'ব, মহাত্মা গান্ধীৰ আদৰ্শৰ ৰাম ৰাজ্য ভাৰততে নহয় বিশ্বতে বিৰাজ কৰিব। অভাৱগ্ৰস্থ মানুহ অভাৱ মুক্ত হ'ব। □





# গল্প

I saw the short story as a narrative of a single event, material or spiritual, to Which by the elimination of everything that Was not essential to its elucidation a dramatic unity could be given.

**–Somerset Maugham, The Summing up**

# মন্দাৰ ফুলৰ সুবাস

শ্ৰীউমা বিশ্বাসী
স্নাতক ৩য় বাৰ্ষিক

গোটেই আবেলিটো বনচিৰিয়ে খুব অশান্তিত কটালে। বনচিৰি অৰ্থাৎ ঘৰত বনলতা। বনলতা সচাকৈয়ে যেন এপাহি অযত্নত বাঢ়ি অহা বনফুল। অলপ মিঠা বৰণীয়া সুগোল মুখেৰে বনচিৰি এক জীৱন্ত প্ৰতিমা। এজোপা গছক সৌন্দৰ্য্যৰ আধাৰ যোগোৱা এপাহি কপৌফুল।

সেইজনী বনচিৰিৰ যেন আজি মৃত্যু হৈছে। তাইৰ যেতিয়া বয়স ষোল্ল-সোতৰ তেতিয়া তাই ইমান সৌন্দৰ্য্যৰ প্ৰতীক আছিল। জীৱনৰ আঠাইশটা বসন্তই আজিৰ বনচিৰি জনীক ৰাস্তাৰ কাষৰ এদ'ম আবৰ্জনালৈ ৰূপান্তৰিত কৰিলে। সকৰে পৰা সৎ চৰিত্ৰৰ ছোৱালী বুলি বনলতাৰ নামটো গাঁৱৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ সকলোৱে জানে। দেউতাক স্থানীয় হাইস্কুলৰ শিক্ষক আছিল। আজি চাৰি বছৰ আগতে অৱসৰ পালে। গতিকে স্বাভাবিকতে ঘৰখন চলাত এটা বিজুতি ঘটিবই। বনলতাহঁতৰ আকৌ পৰিয়ালটো ডাঙৰ। আঠোটা ল'ৰা-ছোৱালী। এজন ককায়েকৰ তলত বনলতা, বাকীবোৰ সৰু। ককায়েকে অৱশ্যে সৰু-সুৰা চাকৰি এটাত সোমাই ঘৰখন কিবাকৈ ধৰি আছে। বনলতাই কিয় আজিলৈ পিতৃ-গৃহতে আছে? বনলতাৰ কিয় আজিলৈ বিয়া হোৱা নাই? এইটো সকলোৱে বাবে এটা ভাঙিব নোৱাৰা সাঁথৰ। তাইতকৈ বহুত দেখিবলৈ কুৎসিৎ ছোৱালীৰো বিয়া হৈ গৈছে। বনলতাই অৱশ্যে এই কথা কোনোদিনে ভবা নাছিল। কিন্তু আজি তাইক ভাবিবলৈ বাধ্য কৰাইছে কিছুমান সমস্যাই। অজানিতে কিছুমান চিন্তাই বনচিৰিকাক উদ্বিগ্ন কৰি তুলিছে। তাইৰ বিয়া নোহোৱা বাবে যে ঘৰখনত এটা অশান্তিৰ সোত বৈছে এই কথা আজি তাই সম্পূৰ্ণ সচেতন মস্তিস্কৰে বিশ্বাস কৰিছে। বনচিৰি সৰুৰে পৰাই সচেতন ছোৱালী। প্ৰতিটো

খোজতে তাই খোপনি ৰাখিবলৈ যত্ন কৰে। কিন্তু আজি যেন বনলতা পাগলী হৈ যাব। তাই বাটে-পথে বাউলী হৈ প্ৰতিজন পথিককে প্ৰশ্ন কৰিব তাইৰ দোষ কি? জন্ম পোৱাটো জানো তাইৰ দোষ ? গাৰ ক'লা ৰংটোৰ বাবে জানো বনচিৰি নিজেই দায়ী ? কৃত্ৰিমতাৰ প্ৰলেপেৰে নিজকে ঢাকি ৰখা হেজাৰজনী ছোৱালীৰ পৰা বনচিৰি আতঁৰত। কৃত্ৰিমতা কোনো কথাতে প্ৰয়োগ কৰাটো বনচিৰিৰ চৰিত্ৰৰ বৈশিষ্ট্য নহয়। ঘৰখনৰ ডাঙৰ ছোৱালী বুলি সকলোৰে পৰা মৰম আদৰ পাই বাঢ়ি অহা বনলতা ক্ৰমাণ্বয়ে ঘৰখনৰ মূৰৰ বোজা হৈ পৰিল। প্ৰায় সকলোৰে জীৱনত ঘটাৰ দৰে বনচিৰিৰ জীৱনতো প্ৰেমৰ উন্মেষ ঘটিছিল, কিন্তু সি কলিতে মৰহি গ'ল। দেউতাকৰ সন্মান আৰু ঘৰখনৰ দাৰিদ্ৰই বনচিৰিক প্ৰেমৰ সোঁৱাদ লোৱাত বাধা দিলে। এবাহ ল'ৰা-ছোৱালীৰ সমস্যাই তাইৰ কোমল মন ভাৰাক্ৰান্ত কৰি তুলিলে।

এনেবোৰ কথা ভাবি ভাবিয়েই বনচিৰিয়ে গোটেই আবেলিটো বিচনাত বাগৰিলে। বাহিৰত কাৰোবাৰ মাত শুনি বনচিৰিৰ চিন্তাত যতি পৰিল। দেউতাকে কোনোবা এজনৰ লগত কথা পাতি পাতি সিহঁতৰ বহা কোঠালিত সোমাইছে। বনলতাই বেৰৰ সিফালে দেউতাকেনো গাৰৱে কিশোৰ চৌধুৰীৰ লগত কি কথা পাতিছে শুনিবলৈ চেষ্টা কৰিলে। এবাৰ দেউতাকে কোৱা শুনিলে—"বুজিছেনে চৌধুৰী, কন্যাদায় যে কি ডাঙৰ সমস্যা আপুনি ছোৱালীৰ বাপেক হলেহে গম পালেহেঁতেন।" ঈশ্বৰৰ কৃপাত আপোনাৰ ভাগ্যত ভগবানে চাৰিটাকৈ ল'ৰাহে দিলে। দেউতাকৰ কথাত আত্মতৃপ্তি পাই চৌধুৰীয়ে তপৰাই ক'লে "কি কৰ মোৰ ভাগ্যত ভগবানে ছোৱালী নিলিখিলে নাই, আনৰ ছোৱালীবোৰৰে কিবা এটা উপকাৰ সাধিব পাৰিলে ভাল লাগে দিয়ক চোন।" এইবাৰ তেওঁলোকৰ কথা উচ্চস্বৰৰ পৰা নিম্নস্বৰলৈ পৰিবৰ্তিত হ'ল। কিশোৰ চৌধুৰীয়ে ফুঁচ-ফুঁচাই কোৱা শুনিলে—"ল'ৰা বেয়া নহয়; গাৰৱে ল'ৰা, সৰুৰে পৰা আপোনালোকে জানেই দেখোন।" আজি কালিনো কোনে টকা নলয়? আঠ হাজাৰ যে ইমান ভাল ল'ৰা এজন পাইছে। চাকৰি ভাল "জুনিয়ৰ ইঞ্জিনিয়াৰ" 'দেউতাকেও পৰা উৎসাহেৰে ক'লে—ইমান দিনে ছোৱালী জনীক ৰাখি যে ইমান ভাল ল'ৰা এজন পাম এই কথা সপোনতো ভবা নাছিলো বুজিছে চৌধুৰী"। আপোনাৰ কথা পেলাব পাৰোনে? আপোনাৰ কথাই আমাৰ কথা ইয়াৰ প্ৰত্যেকটো শব্দই বনচিৰিৰ একোপাট শক্তিশেল হৈ হানিলে, ল'ৰা গাৰৱে ফণীধৰ ঠিকাদাৰৰ ল'ৰা। সৰুৰে পৰা ল'ৰা বুলি সকলোৰে জানে। দুৰ্নীতিৰ সহায়ত প্ৰৱেশিকা পৰীক্ষাত দ্বিতীয় বিভাগত



কৰি 'অভাৰচিয়াৰ' পঢ়িবলৈ গুৱাহাটীলৈ যায়। তাত থাকি কিমান যে অঘটন ঘটালে এই কথা সকলোৱে জানে, অথচ তাৰ চাকৰিটোৱে আজি দেউতাকৰ চকুত জাল তৰিছে। দেউতাকে আজি যিকোনো প্ৰকাৰে কন্যাদায়ৰ পৰা মুক্ত হ'ব বিচাৰিছে যাৰ ফলত গাৰৱ সেই পদ্মধৰ নামৰ উদণ্ডীয়া ল'ৰাজনো তেওঁৰ চকুত এজন গুনী পাত্ৰৰূপে ধৰা দিছে। পদ্মধৰ চৌধুৰী যাৰ নাম শুনিলে ঘৃণাত বনচিৰিৰ নাক কোচ খাই যায়। সেইজন পদ্মধৰ যিজনৰ উৎপাতত ৰাস্তাৰে এজনী ধুনীয়া গাভৰু ছোৱালী যাব নোৱাৰে, সেইজন পদ্মধৰ যিজনে পৰীক্ষা হলত শিক্ষকক ৰঙা চকু দেখুৱাই দুৰ্নীতিত লিপ্ত হয়। বনচিৰিৰ সৰ্ব শৰীৰ কঁপি উঠিল। এটি প্ৰচণ্ড আঘাটত বনচিৰিয়ে উচুপি উচুপি কান্দি উঠিল। কিছু সময় পিছত ভাগৰত বেচেৰী শুই পৰিল ..

চহৰৰ পদপথেৰে বনচিৰিয়ে খুব খৰ খেদাকৈ খোজ কাঢ়ি গৈ আছে, কাৰণ কলেজত আজি "নবাগত আদৰণী সভা" আজি তাত বনচিৰিয়ে গান গাব। কিমান যে ভাল লাগিব, সকলোৰে পৰা হাত চাপৰি পাব। ৰাস্তাৰে গৈ থাকোতে হঠাৎ বনচিৰিৰ ঘৰখনৰ আটাইবোৰ মানুহৰে ছবি মনলৈ আহিল। মাকজনী যে আৰু কি, ভাত নোখোৱাকৈ কলৈকো যাবই নিদিয়ে। ভাত খাব বহিলেও ওচৰতে বহি ইবিধ খা, সিবিধ খা এনেদৰে দিগদাৰী কৰি থাকে। দেউতাক যে আৰু একেবাৰে জীয়েকৰ বাবে পাগলেই। কৰবালৈ যাব ওলালে 'কলৈ যোৱা, কাৰ লগত যোৱা, ৰাতি হ'ব নেকি?' এনেদৰে সুধি কিমান যে আমনি কৰে। তেওঁলোকে হয়তো ভবাই নাই, তেওঁলোকৰ ছোৱালী বনচিৰি ইমান যে ডাঙৰ হ'ল। ককায়েকৰ মৰমৰ আতিশয্যত বনচিৰিৰ কেতিয়াবা ৰৰ খং উঠে। ভাত খোৱাৰ পৰা আৰম্ভ কৰি কেৰম খেলা, টি. ভি চোৱা সকলো সময়তে দুয়োজনৰে খুত-খাত লাগিয়ে থাকে। ঘৰখনত ছোৱালী বুলিবলৈ বনচিৰিয়েই। গতিকে বনচিৰিয়ে সকলোৰে পৰা মৰম পোৱাটো স্বাভাৱিক। পিছপিনৰ পৰা নাম ধৰি মতাতহে বনচিৰিয়ে সম্বিৎ ঘূৰাই পালে—'আৰে দীপু দা দেখোন কেতিয়ানো যোৰহাটৰ পৰা আহিলা।'

"আজি চাৰিদিন হ'ল বন। তোমালোকৰ ঘৰত যাম যাম বুলি যাবই পৰা নাই"।

"হৈছে হৈছে সকলো বুজিছো। যোৰহাটত চাগৈ কোনোবা এজনীৰ ফান্দত পৰিছা"

"বিশ্বাস কৰা বন। যোৰহাটত তোমাতকৈ সুন্দৰী ছোৱালী এজনীও নাই"।

"কাব্যিকতা এৰা, এতিয়া কোৱা আমাৰ ঘৰলৈ কেতিয়া যাবা"

"কাইলৈ নিশ্চয় যাম, এতিয়া মই আহো"

এই জনেই দীপু অৰ্থাৎ দীপক বৰুৱা। দুয়ো দুয়োকলৈ কিমান যে মগ্ন নিজেই নাজানে। দুয়োঘৰৰে অৱশ্যে অহা যোৱাও

আছে। দীপু আৰু বনচিৰি, সকুৰে পৰা দুয়োৰে মিলা প্ৰীতি আছে। এই মিলা প্ৰীতি পৰৱৰ্ত্তীকালত প্ৰেমত পৰিণত হৈ এতিয়া উত্তাল তৰংগলৈ ৰূপান্তৰিত হৈছে। দিপু ল'ৰাজন খুব সহজ সৰল। মুখত হাঁহি থাকিলেও পুৰুষ সুলভ গাম্ভীৰ্য্য সদায় বিৰাজমান। এই দীপুকলৈ বনচিৰিৰ কিমান যে কল্পনা। বৰ্তমান দীপু যোৰহাটৰ কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু বনচিৰি গুৱাহাটীৰ সন্দিকৈ কলেজৰ স্নাতকৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। এনেদৰে বনচিৰি গৈ গৈ কলেজৰ কম্পাউণ্ডৰ ভিতৰ পালে। সকলোৱে তাইলৈ চাই অৰ্থপূৰ্ণ অভিবাদন জনালে। নবাগত আদৰণী'ত যিটো গান গালে তাৰ পৰা নিজে ভবাতকৈ বেছি হাত চাপৰি পালে। ঘৰলৈ উভতি অহাৰ পথত লগ পালে ককায়েকক। ভনীয়েকক আগবঢ়াই নিবলৈ আহিছে। স্কুটাৰৰ পিছত বহি ঘৰলৈ উভতিছে। মনত হেজাৰ স্বপ্ন উদয় হৈছে। ৰঙীন বৰ্তমানটো কিবাকৈ হেৰালে বনচিৰিৰ জীৱনটো কি যে হৈ যাব তাক ভাবি ভিতৰি ভিতৰি তাই কপি উঠিছে। এয়া সমূখত এখন মালবাহী ট্ৰাক। বনচিৰি-হঁতৰ ফালে খুব জোৰেৰে খেদি আহিছে·········এয়া একেবাৰে ওচৰ পালে·········আ ঃ·· ···

চকু মেলি দেখে মাকে ভাত খাবলৈ বনচিৰিক মাতি ওচৰতে বৈ আছে। এটা সপোন ভগাত আৰু আন এটা সপোন উদয় হোৱাত বৰ চিৰিয়ে আকৌ এবাৰ উচুপি উঠিল। □



# মই বলিয়া নহওঁ······

**এম, আৰ ঠাকুৰীয়া**
স্নাতক ১ম বাৰ্ষিক

সৌৱা চোৱাচোন, চাৰিওফালে কেৱল পানীয়েই পানী। বানপানীয়ে কেনেকৈ দেশ-বুৰাই পেলাইছে। দেশত চাৰিওফালে কেৱল হাঁহাকাৰ লাগিছে। এনেদৰে জীৱনে ৰাস্তাৰে বলকি বলকি গৈ থাকি মাজতে গান গায়

বাৰিষাৰ বানে সকলো উটালে
কাউৰীয়ে লগালে মাত,
আমাৰ খেতিয়কৰ চোৱাচোন
বিলাইখন পজাটিও গ'ল ভাঙি।

জীৱনে এনেদৰে ৰাস্তাৰে গীত গাই যোৱা দেখি ল'ৰা-ছোৱালীবোৰে উৰুলি পাৰি তাক জোকাব ধৰিছে। পাগল আহিছে তাক ধৰ, মাৰ, খেদ. গাওঁৰপৰা গটিয়াই দে, কিছুমানে আকৌ দেশৰ পৰাই বাহিৰ কৰি দিব কৈছে। ল'ৰা-ছোৱালীবোৰৰ মাজৰ পৰা এনেকুৱা আঘাটপূৰ্ণ কথা শুনি জীৱনে কব ধৰিলে, আঃ কি যন্ত্ৰণা, মই জানো পাগল, যদি মই পাগল কোনে সজালে মোক পাগল ? তহঁতে মোৰ ওপৰত অত্যাচাৰ কৰিব পাৰিবি, কিন্তু যিবোৰ দেশৰ বাবে আবৰ্জনা, যিবোৰ দেশৰ কণ্টক, যিবোৰে দেশৰ অন্যায় কৰে সেইবোৰক তহঁতে দেখা নেপাৰ দুস্কৃতিকাৰীৰ দুৰ্নীতিবোৰতো তহঁতৰ চকুত পৰা নাই। দেশত এনেকুৱা অবিচাৰ কাৰ বাবে হৈছে? প্ৰতি বছৰে দেশত বানপানী, প্ৰতি দিনে গুলি বৰ্ষণ, এইবোৰ তহঁতে দেখা নাই; অসমী আইৰ বুকুত চলা এনে অত্যাচাৰবোৰ তহঁতে দেখা নাই। এই গুলি বৰ্ষণত ক'ত কিমান মাতৃৰ বুকু উদং হ'ল, সেই মাতৃবোৰৰ হিয়া ভঙা ক্ৰন্দন তহঁতৰ কাণত পৰা নাই নে ? মিছাতে তহঁতে মোক পাগল সজাইছা। আচলতে পাগল তহঁত। ভগৱানেই বোধহয় পাগল হৈছে। নহলে দেশত ইমান দুৰ্নীতি, অশান্তি, মানুহৰ মাজত নহলহেঁতেন। "মানুহৰ দুখ দুৰ্দ্দশাত যিবিলাকৰ প্ৰাণে নেকান্দে সেই বিলাক মানুহ নহয়।" পৰৰ দুখত যি কাতৰ হয়; পৰৰ দুখ-দুৰ্গতি আতৰ কৰিবৰ কাৰণে যিজনে নিজক বিলাই দিয়ে, তেওঁহে একমাত্ৰ মানুহ। স্বামী বিবেকানন্দই কোৱা এই কথা-ষাৰ তহঁতে নেজান, সেই কাৰণে তহঁতে মোক পাগল কৰিছা। মই কিয় পাগল হ'ব লগা

হ'ল তলৰ ঘটনাৰ পৰা সকলো বুজিব পাৰিব—

পেহীদেউ, পেহীদেউ, সৰজু ক'ত? জীৱনৰ মাতত পেহীয়েকৰ তন্দ্ৰা ভাঙিল। কিয় ইমান উধাতু খাই আহিছা? নুমলি পেহীয়ে সুধিলে। বাঃ বাঃ কিয় ইমান উধাতু খাই আহিছো সেইয়া পিছৰ কথা আগতে চাহ জলপান সাজু কৰক। তাৰ পিছতহে কম কিয় ইমান উধাতু খাই আহিছো। কথাটোনো কি নোকোৱা কিয় বুলি কমৰ ভিতৰৰ পৰা সৰজুৱে মাত দিলে।

অ, সৰজু! তুমি ইয়াত কি কৰিছা? বিছনাত এনেদৰে মন মাৰি বহি থকাৰ প্ৰয়োজন নাই। তোমাৰ এটা খবৰ আনিলো। জীৱনে উৎসাহেৰে ক'লে—কি ভাল খবৰ কোৱাচোন? সৰজুয়ে পুনৰ সুধিলে, তেতিয়া জীৱনে ক'লে তুমি প্ৰথম বিভাগত উত্তীৰ্ণ হৈছা।

সৰজুৰ এনেকুৱা সুখবৰত সৰজু যিমান আনন্দিত তাতকৈ বেছি আনন্দিত হৈছে জীৱন। কিয়নো আজি চৈধ্য বছৰে সৰজুহঁতৰ ঘৰলৈ অহা-যোৱা কৰা জীৱনে আজি চৈধ্য বছৰে শিকাই আহিছে। গোটেই ঘৰখনতে আনন্দৰ বোল উঠিছে। ঘৰখনত আজি কি আনন্দ, কি মনোমোহা পৰিবেশ। কিমান সৰল এই জীৱন, কিমান উদাৰ তাৰ মন। একেলগে সৰুৰ পৰা ডাঙৰ দীঘল হোৱা জীৱন আৰু সৰজু এতিয়া এহাল যুৱক-যুৱতী। সৰজুৰ দেউতাকে চৰকাৰী চাকৰি কৰে। সিহঁতৰ টকাৰ অভাৱ নাই। জীৱনে সদায় অহা-যোৱা কৰে সৰজুহঁতৰ ঘৰলৈ। জীৱন বৰ দুখীয়া পৰিয়ালৰ ল'ৰা। সি P. U. পাছ কৰি ঘৰতে বহি আছে। আৰ্থিক দুৰাৱস্থাৰ বাবে উচ্চ শিক্ষাও লব নোৱাৰে। এতিয়া সি চাকৰিৰ বাবে চেষ্টা কৰি আছে। তাৰ ভাগ্যত বোধহয় চাকৰি লিখাই নাই।

যৌৱন প্ৰাপ্ত হোৱাৰ লগে লগে সৰুজু আৰু জীৱনৰ মাজলৈ যৌৱনৰ ধুমুহা নামি আহিল। দুয়ো দুয়োৰো প্ৰতি আকৃষ্ট হ'ল। লগে লগে সৰজু আৰু জীৱনৰ মাজত প্ৰেমৰ আদান প্ৰদান হ'ল। দিন যায় মানে সিহঁতৰ প্ৰেম বেছি গাঢ় হৈ উঠিল। এটা মুদ্ৰা যেনেকৈ ইপিঠি এৰি সিপিঠি চলিব নোৱাৰে তেনেকুৱা হ'ল জীৱন আৰু সৰজুৰ।

সৰজুৰ অবিহনে জীৱন বৰুৱাৰ জীৱন নিষ্ফল। এনেদৰে দুয়োৰো প্ৰেমৰ গভীৰতা বাঢ়ি গ'ল যে সৰজুয়ে একো বস্তু জীৱনক এৰি খাব নোৱাৰা হ'ল। জীৱনো সৰজুহঁতৰ ঘৰৰ এজন একেবাৰে আপোন হৈ পৰিল। তেতিয়ালৈ সিহঁত দুয়োৰো প্ৰেমৰ বিষয়ে কিন্তু কোনেও তলকিব পৰা নাছিল। সৰজু, তাই এজনী সুন্দৰ চকুত লগা গাভৰু। ৰাষ্টাৰে গৈ থাকিলে ডেকাবোৰে ৰহ লাগি ছাই ৰয়। কিছুমানে আকৌ জোকায় ঘুৰি আহি তাই মাকক গোচৰ দিয়ে। গোচৰ দিলে কি হ'ব! মাকে জানো কিবা কৰিব পাৰিব। কেতিয়াও নোৱাৰে! ভায়েক কমল আৰু ৰূপমও নাবালক। ভণ্টি কাকলী জনীও সকলো কথা জনা হ'ল। মানে সৰজুৰ তলতে তাই। তাই এইবাৰ নৱম মান শ্ৰেণীত পঢ়ে। গতিকে প্ৰায় কথাবোৰ তাই বুজা হৈছেই। বাইদেউয়েকক জোকোৱা শুনি প্ৰতিবাদ নকৰিবলৈ তাই কয় বাইদেউ, এইবাৰ দেউতা আহক নহয়, বেতাহতঁক মজা দিয়াম। আমাৰ দেউতাক সিহঁতে বোধহয় চিনিয়েই পোৱা নাই।

দেউতাক গকুল শইকীয়া কলিকতা ৰেল ষ্টেচনৰ Station master। আজি বহু দিন ধৰি তেওঁৰ খবৰ বাতৰি পোৱা নাই। যোৱা ভোগালী বিহুত যেনেই আহি গ'ল তেনেই এতিয়ালৈ দেউতাকৰ খবৰেই নাই। ইফালে ৰঙালী বিহুও শেষ হ'ল, এতিয়া দুৰ্গা পূজাও আহিল। কিন্তু দেউতাকৰ খবৰেই নাই। আজি নহাৰ প্ৰায় এবছৰেই হ'ব। কিন্তু এখেতৰ একো খবৰ নাই কিয়? ইয়ালে দুৰ্গা পূজাও আহি পালেহি তাৰোপৰি সৰজুৰ প্ৰবেশিকা পৰীক্ষাৰ খবৰো দিলো। আহিব নোৱাৰে নাই! কিন্তু খবৰ এটাটো দিব পাৰে। নুমলি পেহীৰ বৰ চিন্তা হ'ল। চিন্তা হবৰ কথাও। ইফালে গোটেই দেশ জুৰি বিদেশী খেদা আন্দোলন। পেহীয়ে Radio অত শুনি আছে আজি কি বোম্বাইত ৪৯ জন নিহত, ১০ জন গুৰুতৰ ভাৱে আঘাত প্ৰাপ্ত। কালি কি পাঞ্জাৱত ৭৯ জন নিহত, পৰহি কি কাশ্মিৰত ২৩ জন নিহত। কলিকতাত ২০ জন, এইবোৰ চৰ গুলি বৰ্ষণতে মৰিছে। দেশত ইমান বিশৃংখলতা চলিছে যে ভয়েই লাগে। নে তেখেতৰো কিবা অমঙ্গল হ'ল। ইছ! কি কথাবোৰ যে ভাবিছো! 'কাকলী কাকলী ...' মাকে মাতিলে। মাকৰ মাতত পাকঘৰৰ পৰা কাকলীয়ে কি হ'ল মা বুলি সুধিলে। বিচনাত শুই থকা নুমলি পেহীয়ে ক'লে, বৰ বেয়া সপোন এটা দেখিলে। কি সপোন মা? এই দিন দুপৰতে সপোন দেখিলে নে? বাৰু কি বেয়া সপোন কওক চোন - মা বুলি কাকলীয়ে প্ৰায় জোৰকৈ সুধিলে। নকও বুলি ভাবিছিল যদিও নুমলী পেহীয়ে কবলৈ বাধ্য হ'ল। ক'লে আজি কেইদিন মান আগতে দেউতাৰা ঘৰলে উভতি আহোতে প্লেন Accident ত মৰিছে! মোৰ বৰ ভয় লাগিছে বুলি কৈয়ে হুক হুকাই কান্দি পেলালে। নুমলি পেহীৰ দুচকুৰে দুধাৰী তপত চকুলো নিগৰি পৰিল। কথাটো শুনি কাকলীৰো বৰ বেয়া লাগিল যদিও সেই খিনি দুৰ্বলতা নেদেখুৱাই মাকক শান্তনা দিবৰ বাবে মাথো ক'লে মা, আচলতে মানুহে কয় পুৱতি নিশাৰ সপোনহে ফলিয়াই। তাতে ভয় খাব লগা কিতো আছে। এতিয়া সিহঁত গকুল শইকীয়া কেতিয়া আহে তাৰে অপেক্ষাত।

চাওঁতে চাওঁতে দুৰ্গা পূজাও গ'ল। পুনৰ মাঘ বিহু আহিল। যিমানে ঘৰৰ খৰছ পাতি নোহোৱা হৈ আহিব ধৰিছে সিমানে সিহতঁৰ দেউতাকৰ প্ৰতি বেছি মনত পৰিব ধৰিছে।

দেউতাকে দি থৈ যোৱা টকাও প্ৰায় শেষ। এতিয়া সিহঁতে চলে কেনেকৈ। সিহঁত আটাইয়ে এতিয়া দেউতাকৰ অপেক্ষাত। সিহঁতৰ এতিয়া উপায় নোহোৱা হৈ আহিল। এই দুৰ্বলতাৰ সুযোগ ললে ৰূপহী গাওঁৰ মানুহে। কোনো মানুহে সিহঁতক দেখিব নোৱাৰা হ'ল। গোটেই ৰূপহী গাওঁৰ মানুহে গকুল শইকীয়াক ভয় কৰিছিল। কাৰণ তেখেত আছিল সজ, চৰিত্ৰবান, হিতাকাংখী। তেখেতে গাওঁত কোনো ধৰণৰ বিশৃংখলতা হব নিদিছিল। গতিকে সেই ভদ্ৰ মানুহ জনৰ খবৰেই যেতিয়া নাই গাওঁৰ মানুহে ভাল পোৱাটো স্বাভাৱিক। আনকি সৰজুৰ খুৰাক বাবুল শইকীয়াও সিহঁতক দেখিব নোৱাৰা হ'ল। সৰজুহতঁৰ এই বিপদত এতিয়া কোনেও আগবাঢ়ি নাহে। সিহতঁৰ হৈ প্ৰতিবাদ কৰিবলৈ কোনেও নাহিল। আহিল মাথোন দুৰ্ভগীয়া জীৱন। সিহতঁৰ হকে প্ৰাণ দিবলৈ সাজু হ'ল জীৱন বৰা।

জীৱন বৰা দুখীয়া পৰিয়ালৰ ল'ৰা। বেছেৰাক দেখিলে বৰ বেয়া লাগে। সি সৰজুক মনে প্ৰাণে ভাল পায়। জীৱন বৰ অকলশৰীয়া। ১৯৮৪ চনৰ বানপানীত অসমৰ মানুহৰ মাজত হাহাঁকাৰ লাগিছিল। গোটেই দেশখনত লোহিতে যেন কালমূৰ্ত্তী ধাৰণ কৰি মানুহবোৰক এফালৰ পৰা গ্ৰাস কৰি আহিছিল। হঠাৎ এদিন ৰাতি জীৱন আৰু দেউতাক একে ঘৰতে শুই থকা অৱস্থাত লুইতে ৰুদ্ৰমুৰ্ত্তি ধৰি সোণতৰা গাওঁ চতেমাৰী, লাউপাৰা, ঘোলপাৰা আদি গড়া খহনীয়াই এফালৰ পৰা নিঃশেষ কৰি গৈছিল। কিমান মৰিছিল, কিমান ······বাছিছিল তাৰ হিচাব লওঁতা কোনো নাছিল। তেতিয়া সেই গাওঁবোৰৰ প্ৰায় মানুহবোৰৰ মৃত্যু হৈছিল। লুইতৰ প্ৰৱল বানে উটুৱাই নিছিল। সিহঁতৰ মাথোন কেইজন মান ডেকা ল'ৰাৰ লগত জীৱনৰ জীৱনটো ভগবানে ওভতাই দিছিল। কিন্তু জীৱনে দেউতাকক আৰু বিছাৰি নেপালে। তাৰ ছয় বছৰ বয়সতেই মা বুলি মাতিব পৰা মাত আযাৰো ভগ বানে কাঢ়ি নিছিল। এই অকলশৰীয়া জীৱনক চাওঁতা মানুহ কোনো নাছিল। জীৱনৰ এই অবস্থাৰ ফালে লক্ষ্য ৰাখিছিল মাথোন সৰজুহতঁৰ ঘৰখনে। মানুহে বোধহয় তাক সমাজৰ আবৰ্জনা বুলিয়েই ভাবিছিল। সি সৰজুহতে অকনমান সহাঁৰি নিদিলে সি কাহানিবাই এই পৃথিৱীৰ পৰা বিদায় ললে হেঁতেন। এইবোৰ কথা ভাবি জীৱনে সৰজু হতঁৰ ঘৰত মন মাৰি বহি থাকোতে Railway R. P. F ৰ Department ৰ পৰা এজন Inspector আহি খবৰ দিলে যে যোৱা আগষ্টৰ ভাৰত বন্ধত অফিচৰপৰা ঘৰলৈ উভতি আহোতে কৰবাৰ পৰা দুই জাই গুলি আহি গকুল শইকীয়াৰ বুকুত লাগে আৰু লগে লগে মৃত্যু হয় তেওঁৰ। কথাটো শুনি জীৱনৰ তালুৰ আগে জিউ যোৱা যেন হ'ল। লগে লগে গোটেই ঘৰ খনত হুৱাদুৱা লাগি গ'ল। মাক, কাকলী, আৰু সৰজুই হিয়া ঢাকুৰি কান্দিলে। সিহঁতে কান্দি থকা দেখি কমল আৰু ৰূপমেও উচুপিছে। জীৱনেও সৰগ পৰা কপৌটোৰ দৰে তাতে বহি ৰ'ল।





ইফালে কথাটো শুনি গাওঁৰ মানুহৰ মাজত আনন্দৰ জোৱাৰ উঠিল। গকুল শইকীয়া মৰিল ভালেই হ'ল। আমাক আৰু কোনো কামতেই বাধা দিওঁতা মানুহ কোনো নাই। এইবোৰ গাওঁৰ মানুহৰ মাজত আলোচনা। এই সকলোবোৰ ঘটনা দেখি জীৱনে নিজৰ জীৱনটোক তুচ্ছ কৰি হলেও সৰজুহঁতৰ বাবে উছৰ্গা কৰিলে। সকলো সময়তে সিহঁতক সহায় কৰিব ধৰিলে। লাহে লাহে সৰজুহঁতৰ ঘৰখনত এটা সুস্থ পৰিবেশ ঘটিল।

এদিন সৰজুয়ে জীৱনক উদ্দেশ্য কৰি ক'লে, জীৱন দা, আমাৰ অৱস্থাটো দেখিলেই, এতিয়া কি কৰিম বুলি ভাবিছা ? আমাৰ দুয়োৰো ভৱিষ্যতৰ কথা কিবা ভাবিছানে ? যদি ভাবিছা তেনেহলে চাকৰিৰ ব্যৱস্থা কৰা। নহলে মই তোমাৰ লগত বিয়া হব নোৱাৰিম। কাৰণ তোমাৰ ওপৰতেই নিৰ্ভৰ হব সকলো। ছোৱালীয়েতো ল'ৰাক দুখুৱাই ল'ৰাইহে ছোৱালীক খুৱাব লাগিব। তাৰ উপৰিও আমাৰ ঘৰখনো চাব লাগিব। সৰজুৰ কথাত জীৱনৰ মূৰৰ ওপৰত গোটেই সৰগ খন ভাঙি পৰা যেন অনুভৱ কৰিলে। তাৰ মানে চাকৰি নেপালে সি সৰজুক নেপায়। ইফালে চাকৰি বিছাৰিবৰ ঠাইও নাই। P.W.D. ; F. C. I. Agriculture ইত্যাদি সকলোতে Apply কৰিছে। Intervaew ও দিছে বহুত। পাছও কৰিছে। কিন্তু টকা দিব নোৱাৰা বাবে তাৰ চাকৰি হোৱা নাই। কি কৰে, এতিয়া সি চাকৰি নেপালে সৰজুক হেৰায়। পাবলৈও চাকৰি নাই। বেছেৰা বৰ বিপদত পৰিল। ভগৱানে বোধহয় তাৰ কপালত চাকৰি লিখাই নাই। কথাটোৰ এটা সমিধান পাম বুলি ৰাষ্টাৰে ভাবি ভাবি গৈ থাকোতে আগ ফালৰ পৰা আহি থকা পিয়নটোয়ে তাক ৰবলৈ ক'লে আৰু তাৰ চিঠিৰ টোপোলাৰ মাজৰ পৰা এটা খাকি খাম উলিয়াই জীৱনক দিলে। ভগৱান বোধহয় সুপ্ৰসন্ন আছিল। তাৰাতাৰিকৈ খামটো খুলি সি দেখিলে যে সেইখন কলিং লেটাৰ"। খবৰ কৰি জানিব পাৰিলে ষে অসম সুৰক্ষা বাহিনীত টকা পাছ হেজাৰ দিলে চাকৰি হব। কিন্তু সি নিৰুপায়। ইমান টকা কৰ পৰা দিব সি মনতে ভাবিলে যে চহৰলৈ যাওঁ আৰু তাতে যিকোনো উপায়ে হলেও টকা খিনি যোগাৰ কৰো। এই কেই দিনৰ ভিতৰত এইখিনি কৰিবই লাগিব। নহলে চাকৰিতো নেপামেই, ইফালে সৰজুকো হেৰাম। মনত নিৰাশ নহৈ বুকুত বহুত আশা বান্ধি সি চহৰৰ ফালে খোজ দিলে। তাৰ বহুতো লগ বন্ধু। সিহঁতে টকা পাছ হেজাৰ যোগাৰ কৰি নিদিবনে, ইফালে মামাকহঁত,

মহায়েকহঁত আছেই । এই বিপদতো তাক সহায় নকৰিবনে ? টকাৰ কথা কওঁতেই লগ বন্ধুয়ে তাক ঠাট্টা বিদ্ৰুপ কৰি খেদি দিলে। ঠিক তেনেদৰে খেদি দিলে আত্মীয় কুটুম্বে। বহুত কাকুতি মিনতি কৰিছিল যদিও সিহঁতে তাৰ কথাত কান সাৰেই নিদিলে। বহুত লাঞ্চনা-গঞ্জনা অপমানত জৰ্জৰিত হৈ আহি থাকোতেই হোটেল এখনলৈ তাৰ চকু পৰিল। হাতত পইচা নাই যদিও মাথোন এগিলাছ পানী খাই অলপ জিৰণী পোৱাৰ আশাত হোটেলতেই বহিল। সৰজুহঁতৰ যদি টকা থাকিলহেঁতেন মই আজি এইদৰে ঘূৰি ফুৰিব নেলাগিলেহেঁতেন। এনেদৰে কি কৰো কি নকৰো ভাবি থাকোঁতে 'দৈনিক অসম' এখন তাৰ গাত পৰিলহি। পেপাৰ বিলোৱা ল'ৰা-জনে হোটেললৈ দলি মাৰি দিওতেই তাৰ গাতেই পৰিলহি। বেয়া নাপাব দেই বুলি পেপাৰ দিয়াজনে গুছি গ'ল তাৰ গন্তব্য স্থানলৈ। গাত পৰা দেখি পেপাৰ খনতে চকু ফুৰালে জীৱনে। হঠাৎ তাৰ চকু পৰিল এটা বিজ্ঞাপনলৈ। এই বিজ্ঞাপনটো দিছিল ভঙাগড় Medical Hospital ৰ পৰা। তাত লিখিছিল যে এজন সুস্থ মানুহৰ এটা কিডনী বিছৰা হৈছে। বিনিময়ত টকা চাৰি হেজাৰ। বিজ্ঞাপনটো পঢ়ি মনতে ভাবিলে এইটো উত্তম উপায়। নিজৰ জীৱনটোক ধ্বংস কৰি হলেও সি চাকৰি লবই। কাৰণ সৰজুক সি বিয়া কৰাব লাগিব। দৌৰি গ'ল ভঙাগড়লৈ। তাত Doctor ক লগ কৰি ৪ হেজাৰ টকাৰ বিনি-ময়ত এটা কিডনী দি দিলে। আৰু এহেজাৰ টকা মিলাই কৰ পৰা। অফিচাৰক কব মই দুখীয়া মানুহ চাৰ, আৰু এহেজাৰ টকা যোগাৰ কৰিব নোৱাৰিলো। গতিকে এনে-কুৱা মনতে ভাবি অফিচ পালেগৈ। ভৱামতে সি অফিচাৰক ক'লে। চাকৰিও হ'ল। এতিয়া জীৱন যাব লাগে ৩ বছৰৰ বাবেবম ডিলালৈ। মানে তাত Training লব লাগে। সৰজুৰ বৰ আনন্দ লাগিল চাকৰি পোৱা বাবে। কিন্তু তিনি বছৰৰ বাবে Training লৈ যাব লগা হোৱা বাবে মনতে দুখ কৰিলে। সক-লোৰে পৰা বিদায় লৈ জীৱন যাবলৈ ওলাল। চিঠি পত্ৰ দি থাকিবা বুলি সৰজুৰ মাৰ নুমলী পেহীয়ে সকিয়াই দিলে জীৱনক। সেইটো আৰু কব লাগেনে বুলি জীৱনে প্ৰতি উত্তৰ দিলে।

ইমান দিন তোমাক নেদেখাকৈ কেনেকৈ থাকিম বুলি যেতিয়া সৰজুয়ে কান্দি কান্দি ক'লে তেতিয়া জীৱনে মাথো ক'লে তোমাৰ হৃদয়ত আঁকি ৰখা জীৱনক তুমি মাজে মাজে মনত কৰি মাতিবা। ময়ো তাত গৈ তাকেই কৰিম। তুমি তাত গৈ পৰিবৰ্ত্তন নহবা কিন্তু বুলি সৰজুই সকিয়াই দিলে। মই কেতিয়াও পৰিবৰ্ত্তন নহও মাথো দেখিম ইয়াত তুমি কিমান পৰিবৰ্ত্তন নোহোৱাকৈ থকা। জীৱন গুছি গ'ল ৩ বছৰৰ বাবে Training লৈ। তাৰ ৰূপহী গাওঁৰ ওচৰতে গঙ্গাপুৰ। প্ৰাথমিক স্কুলখনৰ নাম গঙ্গাপুৰ গোপাল প্ৰাথমিক বিদ্যালয়" সেই বিদ্যালয়খনৰ মাটি আৰু ঘৰটোৰ টকা দান কৰিছিল গকুল শইকীয়াই, স্বৰ্গীয় গোপাল শইকীয়াৰ স্মৃতিৰ বাবে। গকুল শইকীয়াৰ এই দানৰ বাবে ৰাইজে যোগ্যতাসম্পন্ন হলে তেওঁৰ ল'ৰা বা ছোৱালীক হলেও এজন শিক্ষকৰ পদ দিব বুলি কৈছিল। জীৱন যোৱাৰ কুৰি দিন নোহোৱাটেই সৰজুক সেই স্কূলত শিক্ষয়ত্ৰী পদত নিযুক্তি দিলে। তাৰে প্ৰধান শিক্ষক হল ৰামেশ্বৰ কাকতি। সুন্দৰ যুৱক এই ৰামেশ্বৰ। দেখিলেই মৰম লাগে। সৰজু আৰু ৰামেশ্বৰে বেচ পঢ়ুৱাব ল'ৰা ছোৱালী বোৰক। সকলোৰে পৰা প্ৰসংশাও পাই-ছিল দুয়ো। মাজে মাজে স্কুল সোনকালে চুটি দি দুয়ো ওভতে নিজৰ নিজৰ ঘৰলৈ। ৰূপহী গাওঁতেই দুয়োৰো ঘৰ। দুয়ো গোটেই ৰাষ্টাত নানান ধৰণৰ কথা পাতি আহে। সুখ, দুখ, প্ৰেম আৰু ভাল পোৱা আদিৰ। নাৰী জাতিৰ কি অপূৰ্ব পৰিবৰ্ত্তন। আজি এবছৰ হোৱাই নাই জীৱন নহোৱাৰ। এই চাৰি মাহতে সৰজুই জীৱনক পাহৰি গ'ল। পাহৰি যাবৰ কথাও। কাৰণ জীৱনৰটো একো নাই। সেয়েহে তাই লাহে লাহে ৰামেশ্বৰৰ লগত অবৈধ মিলা মিচা আৰম্ভ কৰিলে। ৰামেশ্বৰেও সৰুৰে পৰা সৰজুক ভাল পাবলৈ চেষ্টা কৰি আহিছিল। কিন্তু সৰজুৰ দেউ-তাকৰ ভয়ত তাইক কথাবোৰ কব পৰা নাছিল। এতিয়া এনেকুৱা এটা সুবিধা হাতত পাই কেতিয়াও এৰি নিদিয়ে। সি সৰজুক সদায় আমনি কৰিব ধৰিলে। সৰজুয়ে অতীতৰ জীৱন দাদাক পাহৰি গৈ ৰামেশ্বৰক মনে প্ৰাণে ভাল পাব ধৰিলে। সৰজু এতিয়া ৰামেশ্বৰৰ প্ৰনিপাতত। দুয়োৰো মিলা মিচা দিনক দিনে বাঢ়ি গৈ থাকিল। এই নাৰী জাতিৰ চৰিত্ৰ-স্বৰ্গৰ দেৱৰাজ ইন্দ্ৰইও নেজানে। কি মহিমা এই নাৰী জাতিৰ।

ৰামেশ্বৰে এই সুযোগতেই সৰজুৰ মাকৰ আগত সৰজু আৰু তাৰ বিবাহৰ প্ৰস্তাৱ দাঙি ধৰিলে। মাকেও ইমান ধুনীয়া জ্ঞানী গুণী ল'ৰা এটা পাই এৰি দিব নুখুজিলে। মাকে মাথোন ক'লে—জীৱনলৈ বাট চোৱা, তাক এটা খবৰ দি পঠোৱা যাওঁক। কাৰণ সৰ-জুৰ বিয়াত সি আকৌ থাকিব পাৰে নে নোৱাৰে বা তাৰ আকৌ কি মতামত। যিয়ে নহওঁক নুমলী পেহীয়ে মাথোন জীৱনক বাট চাব কৈছে। কাৰণ "মাতৃ হৃদয় বৰ ৰসাল"। এইবোৰ কথা সৰজুয়ে কিন্তু মানি নলয়। তাই মাথোন বিবাহখন হৈ যোৱা-টোহে বিছাৰে।

ইফালে সৰজুৰ বাবে জীৱনে সময়ৰ ক্ষণ গণি আছে। দিনৰ পিছত দিন আৰু মাহৰ পিছত মাহ যায়। নাহেহে নাহে জীৱনৰ বাবে। প্ৰশিক্ষণ ৬ মাহ হৈ গ'ল। লাহে লাহে জীৱনে পেৰেড কৰিব নোৱাৰা হৈ আহিল। হঠাৎ এদিন Inspection ত

হাবিলদাৰৰ হাতত ধৰা পৰিল জীৱন। লগে লগে Department ৰ মাজত হুলস্থূল লাগি পৰিল। জীৱনৰ ওপৰত বিচাৰ হ'ল। কাৰণ অঙ্গক্ষত মানুহে পুলিচত চাকৰি কৰিব নোৱাৰে। আদালতত ৰায় দিলে যে জীৱনক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হওক। লগতে ৭ মাহ দহ দিন জেল। জীৱনক জেললৈ লৈ যোৱা হ'ল। জেলৰ ভিতৰত জীৱনে মৃত্যুৰ ক্ষণ গণিব ধৰিলে। চেকেণ্ডৰ পিছত মিনিট, মিনিটৰ পিছত ঘন্টা, ঘন্টাৰ পিছত দিন, আৰু দিনৰ পিছত মাহ বাগৰিল। ইমান নিৰাশাৰ মাজতো জীৱনে আশা লৈ জীয়াই থাকিল সৰজুৰ বাবে। কিন্তু এনেকুৱা এটা ব্যৰ্থ জীৱন লৈ সৰজুৰ কাষলৈ যায় কেনেকৈ। তথাপি সি যাবই লাগিব। কাৰণ এদিন সি সৰজুৰ শিৰত হাতৰ আঙুলি কাটি তেজ দিছিল। সৰজুই হ'ল জীৱনৰ বাবে আশা, আকাংখ্যা, সপোনৰ বালিঘৰ, দিগন্তৰ ৰঙীন সূৰ্য্য, আকাশৰ তৰা, প্ৰাণৰ দেৱী। জেলৰ চাৰি বেৰৰ মাজত জীৱনে চকুলো টুকি ভাবিছে, তাৰ দৰে এটা নিৰাপত্তাহীন পঙ্গু জীৱনৰ লগত সৰজুই জানো সম্বন্ধ ৰাখিব। কাৰণ যাৰ জীৱনৰ নিৰাপত্তাই নাই তাক কি আশা কৰিব। জেলত এই ৭ মাহে ৭ বছৰ যেন লাগিল জীৱনৰ বাবে। তথাপিতো সি জীয়াই আছে একমাত্ৰ সৰজুৰ বাবে। সৰজুৰ লগত সি সুখৰ সংসাৰ পাতিব। এইবোৰ ভাব লৈ সি অপেক্ষা কৰিলে তাৰ মুক্তিৰ দিনটোলৈ। সচাঁকৈ সেই দিনটো আহিল।

আজি জীৱনৰ মুক্তিৰ দিন। দিনৰ ১১-৩০ বজাত জীৱনে মুক্তি পালে। ইমান নিৰাশাৰ মাজতো বুকুত আশা বান্ধি উভতিল। সি জনবহুল পথেৰে গৈ থাকিল তাৰ গন্তব্য স্থান সৰজুৰ কাষলৈ। হঠাৎ সি ৰাষ্টাত দেখিবলৈ পালে তাৰ প্ৰাণৰ দেৱী সৰজুক ৰামেশ্বৰৰ লগত। সি দেখি অবাক হ'ল। সৰজুৰ শিৰত ৰঙা সেন্দুৰৰ ফোট বেছ উজ্জ্বল হৈ আছে। সৰজুৰ শিৰত সেন্দুৰ আৰু লগত ৰামেশ্বৰক দেখি জীৱন শিলত পৰা কাপোৰটোৰ দৰে থিয় হৈ ৰ'ল।

সৰজুহঁত ৰিক্সাৰে সেই সময়ত ফুৰিবলৈ গৈছিল। সচাঁকৈ আচৰিত এই নাৰী জাতি। মই কিবা সপোন দেখিলো নেকি? নে চকুৰে কিবা ভুল দেখিছো! নাই মইতো ঠিকেই আছো) এনেদৰে ৰাষ্টাৰ সোঁমাজতে ভাবি থাকোতে পিচ ফালৰ পৰা অহা এখন গৰু গাড়ীৰ গাৰোৱান জনৰ মাতত জীৱন বাস্তৱ জগতলৈ উভতি আহিল। ৰূপহী গাওঁলৈ আৰু বেছি দূৰ নাই। ঘৰলৈ গলেতো সকলো প্ৰমাণ পাম। বেগা বেগীকৈ সি সৰজুহঁতৰ ঘৰলৈ খোজ ললে। ছিঃ মই এইবোৰ কি ভাবিছো। সৰজু কেতিয়াও এনেকুৱা হব নোৱাৰে। তাই মোৰ প্ৰাণৰ দেৱী। তাই মোক কেতিয়াও পাহৰিব নোৱাৰে। এইবোৰ ভাবি সি গৈ থাকিল।



পশ্চিম আকাশত বেলিটো ৰঙা হৈ আহিল। লাহে লাহে অস্ত যাব ধৰিলে। সেই সময়তে আহি সি সৰজুহঁতৰ ঘৰৰ কাষ পালে। গোটেই দিনটো সি একো খাবলৈ পোৱা নাই। খাবলৈ তাৰ একো নাইও। তথাপি ঘৰ পাই সি কিবা খোৱা আৰু সৰজুক দেখাৰ আশাত সৰজুহঁতৰ জপনাখন খুলি সোমাই গ'ল। সেই সময়ত কাকলীয়ে সিহঁতৰ বাৰান্দাত বহি বাগিছাখনৰ ফালে মৌন হৈ চাই আছিল। হঠাৎ অসংযত সাজ পোছাকেৰে জীৱনক দেখি উচপ খাই উঠিল। দাড়ি গোফে আৰু সাজ পাৰৰ পৰাই ধাৰণা হয় জীৱন যেন এজন মগনীয়া।

জীৱনৰ ফালে কাকলীয়ে একেথৰে চাই ৰ'ল। কিন্তু চিনিব হলে নোৱাৰিলে। জীৱনেও বাকৰুদ্ধ হৈ চাই ৰ'ল তাইৰ ফালে। মা, এজন ভিক্ষাৰী বুলি তাই ভিতৰলৈ গুছি গল। অলপ পিছতেই মাকে হাতত দহ পইছা এটা লৈ বাহিৰলৈ ওলাই আহিল। এইয়া লোৱা ভিক্ষা" কি চাই আছা এনেদৰে মোৰ ফালে? গধুলী হ'ল যোৱাগৈ"। কাকলীৰ মাকৰ এই কথাত জীৱনৰ মুৰটো আচন্দ্ৰাই মাৰি দিলে আৰু আজি ভয়, খং আৰু অপমানত থিয় হৈ থাকি সি মাথোন ডাঙৰকৈ চিঞৰি উঠিল "পেহীদেউ"। □

# নিছিদ্ৰ ৰজনীৰ ৰক্তিম আভা

শ্ৰীদ্বিজেন ভৰালী
স্নাতক ৩য় বাৰ্ষিক

ঘৰখন তেনেই নিজম পৰি আছে। কাৰো কতো মাত বোল নাই। সকলোটি মাত্ৰ এটা চিন্তাতে মগ্ন। মাকজনীৰ অৱস্থাই নাইকীয়া। ভনীয়েকে পঢ়া কোঠাত টেবুলখনৰ ওপৰত মূৰ পেলাই উচুপনিটো বন্ধই কৰিব পৰা নাই। ভায়েক জিতুও ঘৰত নাই। সিও বাহিৰত গৈ ককায়েক ৰাজুৰ সন্ধানতে ব্যস্ত। ৰাজুক সন্ত্ৰাসবাদীৰ অভিযোগত সেনাই ধৰি নিবলৈ আজি তিনিদিনেই হ'ল। এইটো চিন্তাই ঘৰখন তেনেই মৰিশালি কৰি ৰাখিছে।

বাপেক নোহোৱা ঘৰখনত এই চাৰিটা প্ৰাণীৰ সমস্ত দায়িত্ব লৈছিল ৰাজুৱে।

প্ৰাথমিক বিদ্যালয়খনৰ প্ৰধান শিক্ষক জীৱন বৰুৱাৰ প্ৰতি সকলোৱে যেনেকৈ অসীম শ্ৰদ্ধা ভক্তিৰে মূৰ দোঁ খাই গৈছিল ঠিক তেনেদৰে ৰাজুৱেও গাওঁখনৰ ভিতৰতে এজন আদৰ্শৱান ডেকা ৰূপে সকলোৰে পৰা সমাদৰ পাইছিল।

বৰুৱাৰ মৃত্যুৰ পিছত ৰাজুৰ মাকে অতি কষ্টৰ মাজেৰে তিনিটা সন্তান পোহপাল দি লগীয়াত পৰিছিল। ৰাজু ঘৰৰ ডাঙৰ ল'ৰা হিচাবে পঢ়া-শুনাত বৰকৈ মনোনিবেশ কৰিব নোঁৱাৰি কোনোমতে স্নাতক দেওঁনা খন পাৰ হৈ চাকৰিৰ বাবে ঘূৰিছিল যদি ভাগ্য নিয়ন্তাই ৰাজুৰ কপালত কে কণ নিলিখা বাবে হবলা সি ভাগৰি পৰি লগীয়া হৈছিল। শেষত চাকৰিৰ কোন মুখ নেদেখি নিজৰ পৈতৃক সম্পত্তি মাটি ভৰা খেতি কৰাৰ বাবে মনোনিবেশ কৰিলে সময়ত গাওঁখনৰ ভিতৰতে ৰাজু এজন আদৰ্শ কৃষক হৈ পৰিল। ভায়েক আৰু ভনী জনীক উচ্চ শিক্ষাৰে শিক্ষিত কৰি গঢ়ি তোলা সংকল্প লৈছিল ৰাজুৱে।

এজন শিক্ষিত ডেকাৰ বৈজ্ঞানিক পদ্ধতি কৰা কৃষি পামখনৰ উৎপাদন ক্ষমতাই গাওঁ সকলোবোৰ খেতিয়কৰ প্ৰেৰণাৰ উৎস হৈ পৰাৰ লগতে গাওঁখনৰ উন্নয়নত বহু সহায়ক হৈ পৰিল। ৰাজুৰ এনে উৎসাহিক প্ৰচেষ্টা চৰকাৰী বিষয়াবো দৃষ্টি গোচৰ নোহোৱাকৈ নাথাকিল। তেওঁলোকেও গাওঁখনৰ উন্নয়নৰ হকে প্ৰায়বোৰ আলোচনা ৰাজুৰ লগতেই কৰা হ'ল। সময়ত ৰাজু এজন সামাজিক নেতা ৰূপে স্বীকৃত হ'ল।

গাওঁখনত থকা পশু চিকিৎসালয়খনৰ চিকিৎসক অৰবিন্দ ৰায়চৌধুৰীৰ ন্নমলীয়া কন্যা উপমা। তাইৰ দেহৰ লাবন্যই আনৰ অন্তৰত সহজেই কামনাৰ জুই জ্বলাব পাৰিছিল। তাইৰ মুখমণ্ডল সচাঁকৈ এপাহি ৰঙা গোলাপৰ দৰে অইনৰ মন হৰণ কৰিব পৰা বিধৰ। বুকুৰ মণি স্বৰূপ এই গোলাপ পাহিটিয়েই যেন এতিয়া ৰায় চৌধুৰীৰ সংসাৰ যাত্ৰাৰ স্বাক্ষৰ। ৰায় চৌধুৰীয়ে আজি প্ৰায় তিনিবছৰ আগতে দুজনী ছোৱালীক বিয়া দি উঠি নিজৰ পৰিবাৰক নিয়তিৰ কৰাল গ্ৰাসত হেৰুৱাব লগীয়াত পৰিছিল।

ৰাজুৰ লগত উপমাৰ চিনাকি হৈছিল এক বিশেষ পৰিস্থিতিৰ মাজেৰে। সেইদিনা আছিল দেওঁবাৰ। সময় সন্ধিয়া। শাৰদীয় জোনাকৰ মধুৰ পোহৰবোৰে লাহে লাহে সিচৰিত হৈ আহিব ধৰিছিল। শেৱালি ফুলৰ মধুৰ গোন্ধে গোটেই ঠাইখনকে যেন গ্ৰাস কৰি পেলাইছিল। ক্ষন্তেক আগতে ৰায়চৌধুৰীয়ে এটি অতি জৰুৰী কেছ"ত অনিচ্ছাকৃতভাৱে বাহিৰলৈ যাবলৈ বাধ্যত পৰিছিল। উপমাক চোৱাচিতা কৰা সম্বন্ধীয় বুঢ়ীজনীও আজি দুদিন আগতে এঠাইলৈ গৈছিল। সোনকালে ঘূৰি আহিব পাৰিব বুলিয়েই ৰায় চৌধুৰী ওলাই গৈছিল। ৰাজুৱে জাৰ্চি গাই এজনীৰ আকস্মিক ৰোগৰ বাবে ৰায় চৌধুৰীৰ ওচৰলৈ আহিছিল।

পৰিবৰ্ত্তিত সময়ৰ আহ্বান কোনেও জনাৰ উপায় নাই। উত্থান-পতন কেতিয়া আহে ইয়াৰ আদি অন্ত ধৰিবই নোৱাৰি। জন্ম মৃত্যুৰ চাবি-কাঠি অদৃশ্য জনৰ ইচ্ছাতেই যেন ৰাজুৰ আগমন।

ৰায় চৌধুৰী ওলাই যোৱাৰ পিচতেই উপমাৰ গাত অস্বাভাৱিকভাবে অতি তীব্ৰ জ্বৰ উঠিছিল। তাইৰ অসহায়া শৰীৰটো বিছনাত পেলাই থোৱাৰ বাহিৰে তাই একোৱেই কৰিব পৰা নাছিল।

ৰাজু আহি উপস্থিত হৈছিল ৰায় চৌধুৰীৰ ঘৰৰ বাৰাণ্ডাত। বাহিৰৰ পৰা "কলিং বেল"টো টিপি ধৰাৰ পিচতে ভিতৰৰ পৰা অহা এটি গেঙনিৰ স্বৰহে মাথোন তাৰ কাণত বাজিল। কাণ থিয় কৰি ৰাজুৱে গেঙনিকে অনুধাৱন কৰিলে। সময় ভালেখিনি পাৰ হ'ল। ভিতৰত ছটফটনি, অসহায় আৰ্ত্তনাদ ক্ৰমে যেন বৃদ্ধি হ'ল। ৰাজুৰ দৰদী অন্তৰত আঘাত পেলালে। মনত জাগি উঠা উৎকণ্ঠাক সি ৰোধ কৰিব নোৱাৰিলে। দুৱাৰখন ঠেলি ভিতৰত প্ৰৱেশ কৰি বিছনাখনত বাগৰি থকা উপমাক দেখা পালে। উপমাৰ কণ্ঠত নিনাদিত আৰ্ত্তনাদে যেন ৰাজুৰ সহায় ভিক্ষা মাগিছে, এনেকুৱা লাগিল তাৰ।

উপমাৰ কপালত হাত দি জ্বৰৰ তীব্ৰতা গম পাই তাইৰ গাত লেপ দুখন জাপি দিলে। তাৰ বুকুখন দুৰুদুৰুকৈ কপি উঠিল। প্ৰাথমিক সাহায্য হিচাবে মূৰত কিছু ঠাণ্ডা পানী ঢালিলে। তাৰ পিচতে চিকিৎসাৰ ব্যৱস্থা কেনেদৰে আগবঢ়াব ভাবি বিবুদ্ধিত পৰিল। এনেতে ৰায় চৌধুৰী আহি উপস্থিত হ'ল। তেখেতে ৰাজুৰ সহায়ত তৎক্ষণাত উপমাক নি কিছু আতৰত থকা চিকিৎসালয়ত ভৰ্ত্তি কৰালে। এটি চেলাইন আৰু দুটামান ইনজেকচন দিয়াৰ পাচত উপমা কিছু সুস্থ হৈ উঠিল। ৰায় চৌধুৰী আনন্দত পঞ্চমুখ হৈ ৰাজুক ভূয়সী প্ৰশংসা কৰিলে। ৰাজুৰ বাবেই যেন আজি উপমাৰ জীৱন ৰক্ষা হ'ল। নিজে অনুতাপ কৰিলে; উপমাক এনেদৰে নিঃসহায়ভাবে এৰি যোৱা বাবে। উপমাই ৰাজুৰ ফালে অন্য এক দৃষ্টি নিক্ষেপ কৰিলে।

সেইদিনাৰপৰাই ৰাজুৰ ৰায়চৌধুৰীহঁতৰ লগত এক মধুৰ সম্পৰ্ক গঢ়ি উঠিল। ৰাজুৱে উপমাক নিচেই ওচৰতে পালে। সময়ৰ গতিত ইজনে আনজনৰ ওচৰত হৃদয়ৰ কথাবোৰ প্ৰকাশ কৰিবলৈ ধৰিলে। দুয়োজনৰ বুজাবুজিৰ তৰঙ্গই প্ৰেম বান্ধোনৰ নিজৰা বোৱাই গ'ল। নন চিন্তাই পাতনি মেলিব ধৰিলে ইজনে আনজনক পোৱাৰ।

ৰায় চৌধুৰীয়ে ৰাজু আৰু উপমাৰ মাজত গঢ়ি উঠা প্ৰণয় মধুৰ বান্ধোনৰ যে গম পোৱা নাছিল তেনে নহয়। তেখেতে ৰাজুৰ ব্যক্তিত্ব স্পষ্ট ভাবে বুজিব পাৰি মনতে সিদ্ধান্ত লৈছিল উপমাক ৰাজুৰ হাততে অৰ্পণ কৰাৰ। উপমাৰ স্নাতক মহলাৰ দ্বিতীয় খণ্ডৰ পৰীক্ষা শেষ হবলৈ মাথোন বাট চাই থাকিল।

সময়ৰ কুটিল গতিবোৰ কোনেও ৰোধিব নোৱাৰে। এয়া নিয়তিৰেই পৰিহাস। উপমাই নিজৰ শোৱনি কোঠাৰ বিছনাত বাগৰি ৰাজুক লৈ বহুতো ৰঙীন সপোন ৰচিছিল। সপোনবোৰ নিশ্চয় এদিন বাস্তৱত পৰিণত হ ব। ৰাজুৰ বুকুৰ উমবোৰৰ স্পৰ্শ লাভ কিমান যে আনন্দিত হ'ব উপমা!

ৰাজুৰ কৰ্ম্ম প্ৰচেষ্টা আৰু ৰায় চৌধুৰীৰ লগত গঢ়ি উঠা ঘনিষ্ঠতাই এচাম লোকৰ চকুৰ টোপনি কাঢ়ি নিছিল। সিহঁতে ৰাজুৰ কেনেকৈ অহিত সাধন কৰিব পাৰে এই চিন্তাতেই ব্যস্ত আছিল। ৰাজুৰ তীক্ষ্ণ দৃষ্টিৰ বাবেই গাওঁখনত সিহঁতে কলা বেপাৰ কৰিব পৰা নাছিল। উপমাৰ লগত গঢ়ি উঠা ৰাজুৰ হলি গলিও সিহঁতৰ সহ্য হোৱা নাছিল। এই ক্ষেত্ৰত উতনুৱা ডেকা অনিল বেছি সৰৱ হৈ পৰিছিল। অনিলে ভাল পাব বিছাৰিছিল উপমাক। উপমালৈ বুলি কেইখনমান প্ৰেম পত্ৰ অৰ্পণ কৰিও সি সহাৰি নাপালে। অনিলে উপলব্ধি কৰিছিল যে ৰাজুৱেই তাৰ প্ৰেমৰ প্ৰতিবন্ধক।
উপমাক লাভ কৰিবলৈ প্ৰয়োজন হলে অন্ত- ৰায় ৰাজুক নিঃশেষ কৰিবলৈও অনিল



বদ্ধপৰিকৰ। আচলতে অনিল ক্ষমতাশালী ডেকা। সি হেনো মন্ত্ৰীৰ ভাগিন। ইচ্ছা কৰিলে বহুত কিবাকিবি কৰিব পাৰে।

দিন সচাকৈ সলনি হ'ল। ৰাজু বিৰোধী সকলক সৌভাগ্যই লগ দিলে।

ৰাজ্যখনত কিছুমান সন্ত্ৰাসবাদীয়ে কুটাঘাতমূলক কাৰ্য্য সংঘটিত কৰিবলৈ ললে। সন্ত্ৰাসবাদীৰ কাৰ্য্যবোৰে সমাজৰ কিছুমান আবৰ্জনা স্বৰূপ লোকৰ ওপৰত বিশেষ ক্ৰিয়া কৰিছিল। ইয়াৰ ফল স্বৰূপে সিহঁতে জনগণৰ ফালৰ পৰাও আংশিক সহাৰি নোপোৱা নহয়। কিন্তু এচাম ভদ্ৰতাৰ মুখা পিন্ধা ৰাজনৈতিক চক্ৰান্ত কাৰীয়ে সন্ত্ৰাসবাদীক দমন কৰাৰ বাবে সৰৱ হৈ উঠিল। সিহঁতে চৰকাৰক ওলোটাকৈ বুজাই ৰাজ্যখনলৈ সেনাবাহিনী অনাত সহায় কৰিলে। নগৰ চহৰৰ উপৰিও গাওঁ ভূইতো সেনা বাহিনীয়ে তহল দিবলৈ আৰম্ভ কৰিলে। সন্ত্ৰাসবাদীক ধৰাৰ নামত নিৰীহ জনসাধাৰণক ব্যতিব্যস্ত কৰি তুলিলে। সন্ত্ৰাসবাদীৰ কাৰ্য্যতকৈ সামৰিক সন্ত্ৰাসৰ উপদ্ৰৱ বেছি হৈ পৰিল। সিহঁতৰ পাশবিকতাৰ বলি হ'ব লগীয়াত পৰিল বহু গাভৰু জীয়াৰী বোৱাৰী। কতজনী মহিলাই শিৰৰ সেন্দুৰ চিৰ দিনৰ বাবে মচিব লগীয়াত পৰিল। কতজনী মাতৃয়ে বুকুৰ সন্তানক হেৰুৱাই পাগলী হৈ গ'ল। এনেকুৱা সন্ত্ৰাসে শীত তাপ নিয়ন্ত্ৰিত কোঠাত বিলাসত মত থকা এচাম ৰাজনৈতিক চক্ৰান্তকাৰীৰ হিয়া শাত পেলালে।

ৰাজুহঁতৰ গাওঁখনেও এই সন্ত্ৰাসৰ হাত সাৰিব নোৱাৰিলে। গাৱঁৰ বহুকেইজন ডেকাক ধৰি নি বিনা অপৰাধে অমানুষিক শাস্তি প্ৰদান কৰি ভবিষ্যত জীৱনলৈ পঙ্গু সজালে। সন্ত্ৰাসবাদীৰ নামৰ তালিকাত স্পষ্ট আখৰেৰে শুদ্ধকৈ লিখা আছে — Rajo Baruah son of late Jiban Baruah.

কিছু আতঁৰত থকা মুছলমান চুবুৰীৰ মছজিদত ফজিৰৰ আজান দিবলৈ আৰু কেইমিনিটমান সময় বাকী। ৰাজুৱে কিন্তু কেতিয়াবাই বিছনা এৰিলে। গোহালিত সোমাই সি জাৰ্চি গাই কেইজনীক আহাৰ যোগাইছে। পদূলিত সি জোতাৰ শব্দ অনুভৱ কৰিলে। গিৰ, গিৰ, শব্দেৰে এজন দুজনকৈ বহুজন বন্ধুক বায়োনেট ষ্টেনগান আদিৰে সজ্জিত সেনা সদল-বলে আহি ৰাজুহঁতৰ চৌদিশে সষ্টম ভাবে সিচৰিত হৈ ৰ'ল।

ৰাজুৱে কোনো কথা কোৱাৰ বা সোধাৰ সুযোগ নাপালে। কেবাজনো সেনা বাহিনীৰ লোকে তাক গবামাৰি ধৰিলে। ৰাজুৰ গোহালি ঘৰৰ কাষতে থকা ধান খেৰৰ চাওখনৰ তলৰ পৰা বহুতো কিবাকিবি বস্তু সিঁহতে বুটলি ললে। সেইবোৰ হেনো কিবা আগ্নেয় বস্তু। বস্তুবোৰ কিন্তু কৰপৰা আহিল তাক ভগৱানেহে জানে, নাজানে

ৰাজুৱে। ৰাজুৰ মনত মাত্ৰ এটা প্ৰশ্নই জাগিছে সেনা বিলাকৰ মাজত মুখ ঢাকি ৰখা, কলা পোছাক পৰিধান কৰাজন অনিল নহয়তো ?

ৰাজুক গাড়ীখনত তুলি লৈ সিহঁত অজান ঠাইলৈ গুচি গ'ল। ৰাজুৱে মাক আৰু ভনীয়েকজনীক এষাৰ মাত দিবলৈ ইমানকৈ চিঞৰিছিল যে তাৰ বুকুখন ফাটি যাওঁ, ফাটি যাওঁ হৈছিল। তাৰ চিঞৰবোৰ মুখত বন্ধা ক্লাপোৰখনৰ ফাকে ফাকে বৈ গ'ল। গাওঁখনত হুৱা-দুৱা লাগি পৰিল। মাক-ভনীয়েকৰ কান্দোনত গছৰ পাত সৰিল। ৰাজুৰ সন্ধান আৰু পোৱা নগ'ল।

জিতু ঘৰলৈ উভতি আহিল। সি আজি ৰাজুৰ সন্ধান পাইছে। সি জনোৱামতে ৰাজুক যোৱা নিশা সেনাই পুলিচৰ হাতত গটাই দিছে। ৰাজুক এবাৰ চাই লবলৈ সি ইমান উদ্‌গ্ৰীৱ হৈ পৰিছিল, কিন্তু পুলিচৰ লোকে তাক চাবলৈ নিদি ঘৰত থৈ যাবহি বুলি কৈছে। সেয়েহে সি দৌৰাদৌৰিকৈ ঘৰলৈ ঘূৰি আহিছে।

জিতু অহাৰ অকণমান পাচতে সেনা বাহিনীৰ জীপ এখন আহি পালে। সেনা বাহিনীৰ পোছাকেৰে গাড়ীখনৰপৰা নামি গৈ ৰাজুহঁতৰ পদূলি মুখখন ঘেৰাও কৰিলে। ৰাজুক গতাই দিবলৈ অনাৰ চিন্তাত সকলো উদ্‌গ্ৰীৱ হৈ উৎকণ্ঠিতভাৱে চাই আছিল। দুজন পুলিচ কনিষ্টবলে এখন বগা কাপোৰেৰে ঢাকি অনা এটি টোপোলা এখন চাঙিত তুলি চোতালৰ ফালে কঢ়িয়াই আনিছে। সেই অৱস্থাটো দেখি ৰাজুৰ মাকৰ মূৰটো আচ ন্দ্ৰাই কৰিলে। কনিষ্টবল দুজনে চাঙিখন চোতালৰ সোঁমাজতে থৈ বগা কাপোৰখনৰ আঁচল এটি গুচাই দিয়াত ওলাই পৰিল ৰাজুৰ ক্ষত-বিক্ষত, প্ৰাণহীন মুখখন। মাকে একধ্যানে চাই থাকিল পুতেকৰ উজ্জ্বল, আধা মেল খাই থকা চকুজুৰিৰ ফালে। তাৰ পিচতে মাটিত ঢলি পৰিল। ভায়েক জিতু আৰু ভনী- য়েক নিৰ্মলাই কপাল আফলিয়াই কান্দোনৰ জাউৰি তুলিলে। চাৰিওফালে করুণ আৰ্তনাদে ছানি ধৰি গাইখনৰ পৰিবেশ মেঘাচ্ছন্ন কৰি পেলালে। সিপিনে উপমাৰ উপমা বিহীন সন্তাপ শান্তি বাৰি ছটিয়াবলৈ কাৰো সাহস নহ'ল।

ৰাজুৰ শৰীৰত সেনা বাহিনীৰ নিৰ্ম্ম অমানুষিক উৎপীড়নৰ চিহ্নবোৰ স্পষ্টভাৱে ওলাই পৰিল। নিৰপৰাধী ডেকা এজনৰ নিৰ্মমভাৱে কৰা হত্যাই গাঁৱৰ প্ৰতিজন লোকৰ কণ্ঠত নিনাদিত কৰালে "এই হত্যাৰ বিচাৰ" বাক সকলোৱে প্ৰতিবাদী কণ্ঠৰপৰা এই সজোৰে নিৰ্গত হ'ব ধৰিলে।

গোটেই নিশা জ্বলি থকা ৰাজুৰ চিতা জুই কুৰাই সকলোৰে অন্তৰত জাগৰিত কৰিলে—"আমি সঁচাকৈয়ে আনৰ পদদলিত অৱহেলিত! আমাক মুক্তি লাগে।" নিছিগ ৰজনীৰ কোৱাল এন্ধাৰবোৰ ফালিচিৰি, উদ্ভা- ষিত সূৰুযটোৱে ৰক্তিম পোহৰবোৰ সকলোৰে গাত ছটিয়াই দিলে। □





# কবিতাৰ শৰাই

Poetry is the most concentrated form of verbal expression.

—Ezra Pound.

## "তেজৰ ডোঙাত কোন সতে সাজো কবিতাৰ ঘৰ"

লোপা ডেকা বৰুৱা
প্ৰৱক্তা, অসমীয়া বিভাগ

তেজ, কেৱল তেজ
উপহাৰ বেদীত, কবৰৰ মাটিত, বসন্তৰ
কুঁহিপাতত
বেউলাৰ আগচুলিৰে বয় তেজৰ ৰৰঘুণ
ককৃবকাই মৰে প্ৰেমৰ অভিজ্ঞান
দেওশালত নাচে কেচাইখাটি
নিষিদ্ধ এলেকাত গোপনে গো-হত্যাৰ
আখৰা চলে
জকাইচুকৰ পথাৰত পূৰ্ণিমা ৰাতিও
ওলায় ধনগুলৈ
দিহিঙৰ গভীৰত ঔ-বাকলিয়া ঔঠন গাভৰুৱে
জল কুঁৱৰীৰে সতিনী খাটে।
ফুটুকানিৰ অমাউনিত পৰি ৰয় সুৱাগমণি দেহ
নিষ্প্ৰাণ, নিথৰ
তেজৰ ডোঙাত কোন সতে সাজো কবিতাৰ ঘৰ।

দৰবাৰ বহে, পুৰস্কৃত হয় ৰাজজ্যোতিষি
আদেশ আছে : ঢলপুৱাতেই হ'ব ফাঁচী কিম্বা
কলীয়াপানী
মাজনিশাতে মাতাল সৈনিকে আঁজুৰি-খায়
মাতৃৰ কলিজাৰ এফাল
তলাতল ঘৰত দিখৌৰ সুৰঙ্গ বিচাৰি নুমায়
হাজাৰ চকুৰ হীৰক জ্যোতি
চকু মুদি পৰি থাকে ৰংঘৰৰ বাকৰিত
এটা নিঃপালি ৰাতি।
ম'হ যুঁজৰ চিনাকি ধূলিয়ে গোপনে মিতিৰালি
পাতে
অচিনাকি বহাগৰ সতে
তেজৰ ডোঙাত কবিতাৰ ঘৰ সাজো
কোন সতে ? □

## ঃ তৃষ্ণাতুৰ ঃ

এম: জাকিৰ হুচেইন
স্নাতক ২য় বৰ্ষ ( কলা )

চকু মুদিলেই জপনাৰ মুখত
কোন তুমি ?
আৰু…… ……..
মেলি দিলে
নাইকীয়া হোৱা
এনেকৈ নিদ্ৰাদেৱীক
প্ৰত্যাহ্বান জনোৱা
আমনিদায়ক
কেইটিমান মুহূৰ্ত।
আৰু চকু মুদিলেই
উচপখাই উঠো
এক অজান পুলকত
আকউ চটফটাই থাকো
ৰোলাৰে চেপি নিয়া
এক শিহৰণত।
সেই জনীয়ে নেকি তুমি
যাৰ কোকিল কণ্ঠই
'ইথাৰ'ৰ মাজেৰে সৰকি আহি
মোৰ কণ্ঠত আঘাত কৰে।
তেতিয়া…………।
মোৰ বেদনাৰে পৰিপূৰ্ণ
তৃষ্ণাতুৰ মৰুদ্যানৰ বাবে
তোমাক পাবলৈ হাতমেলো।
কিন্তু…… ..
কিন্তু মই যে লৌহ পিঞ্জৰাত
পিঞ্জৰাবদ্ধ। ●



## অট্টহাসি

শ্ৰীমুকুল কলিতা
উ. মা: ১ম বৰ্ষ ( কলা )

নিৰ্লিপ্ততাৰ সংলাপ
আঁওৰাই পাতিছে
সিহঁতে ?
অভিমুন্য বধৰ আখৰা।
অসহায়া আৰু নিৰ্ব্বোধ
জন্মদাত্ৰীয়ে উচুপি কান্দে
কোলাৰ সন্তানটি হেৰোৱাৰ ভয়ত।
সিঁহতৰ ??
লোলপু চাৱনিত
বিস্ফোৰিত হয় পলকতে
চাৰিও দিশে মাত্ৰ
বন্দুকৰ গিৰ্জনী;
বাৰুদৰ ধোৱা।
মাতৃবুকু উদংহোৱাৰ
অজান শিহৰণে অনা
বৃথা আস্ফালনত
সিহঁতে— ???
ধৰাত তোলে
বিভৎস অট্টহাসি। □



## ঃ আৰ্ত্তনাদ ঃ

শ্ৰীনিৰুপমা দাস
উঃ মাঃ ১ম বৰ্ষ ( কলা)

চিৰ জাগ্ৰত প্ৰহৰী তুমি
দেশ মাতৃৰ বুকুত
আহিছানে দিবলৈ জীৱন দান ?
স্বাৰ্থ নাৰাখি এধানি মান
গুপ্ত মনৰ মাজত
কৰিছানে আজি জীৱন পণ ?
নৱ প্ৰভাতৰ সমীৰণে
আনিলে বুকুত সাহস
জ্বলালে ৰক্ত শলিতা নিঃস্বাৰ্থৰে
আগুৱাই বলা বীৰত্বেৰে
দেশৰ স্বাৰ্থ সিদ্ধি হকে,
মৃত্যুকো নেওঁচি ক'ত কৌশলেৰে
ৰঙা উত্তপ্ত তাপ সূৰজৰ
সহিব নোৱাৰো কিয় ?
ইতিহাসে চিঞৰিছে বহুবাৰ
ক্ৰন্দনাৰত মাতৃ জননী
কটাক্ষ দৃষ্টিত পৰে।
মন ঢিলা কৰা কিয় বাৰে বাৰে ?
তৃষ্ণাতুৰ তেজপিয়াই সোহে
সিহঁতৰ কেঁচা তেজ
শুনিছানে বাৰু কৰুণ আৰ্ত্তনাদ ? □

## ঃ মোৰ মানুহৰ বাবে ঃ

শ্ৰীমৃদুল দাস
স্নাতক ৩য় বৰ্ষ (ক'লা)

মৌনতাৰ মূহুৰ্তবোৰত
সঞ্চিত শক্তিবোৰ
পল পলকৈ টুটি যোৱা
দুঃখভাৰী সিহঁতৰ বাবে
মই জীয়াই আছো
মোৰ উত্তপ্ত
বিশ্বস্ত প্ৰত্যয়ত।
বিদ্ধ কলিজাৰ
উত্তপ্ত শোণিতত
জন্ম হাজাৰ হাজাৰ
সৃষ্টিশীল ব্যক্তিৰ
অপ্ৰত্যাশিত ভাৱে
বিনিদ্ৰ ৰজনীৰ
অপূৰ্ণ আকাঙ্খাত
সৃষ্টি, ৰণাঙ্গন
যদিওবা বহুত দূৰত
মই জানো
যুদ্ধ মানেই
এক নতুন জন্ম।

★ ★ ★

## এপাহি ৰক্ত জবা

শ্ৰীদিপক ডেকা
স্নাতক ৩য় বৰ্ষ।

বহুদিন অতিত হ'ল
চকুৰ সন্মুখত ভাঁহে
এখন প্ৰতিচ্ছবি।
সেই দিনা—
আকাশ খন বৰ এন্ধাৰ
বিস্বা শব্দে উৰি আহিছিল
এজাক ধুমুহা।
অস্ত্ৰৰ জন জননি।
মই দৌৰিছিলো
ভাইটিক বিছাৰি।
হঠাৎ—
মই থমকি ৰলো
ভৰি দুখন অৱশ হৈ পৰিছে
মই কাৰোবাৰ
উচুপনি শুনিবলৈ পাইছো—
কোনো মাতৃৰ বুকু ভঙা উচুপনি।
এখোজ আগুৱালো।
হঠাৎ চৌদিশ আলোকিত হ'ল
পোহৰত দৃশ্যমান হ'ল
এক নাড়ী মূৰ্ত্তি
আৰু দেখিলো কোলাত চোন ভাইটি
ভাইটি, মোৰ ভাইটি ......।
বুজিলো, ভাইটি আৰু নাই।
সি আই মাতৃ পূজাৰ
উপহাৰ হ'ল।
জলন্ত দেশ প্ৰেমৰ চানেকি হ'ল
থাক ভাইটি, তই—
আই, মাতৃ পূজাৰ এপাহ
তেজ ৰঙা ৰক্ত জবা হৈ থাক
"এপাহ ৰক্ত জবা॥

## প্ৰাৰ্থনা

শ্ৰীগীতা দা
উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষি

আশা কৰো মোক দুখেৰে বুৰাই
কাঙাল নকৰিবা
হে সূৰ্য্য তোমাৰ কাছিয়লি ৰ'দত
মোৰ মন দৃঢ় কৰি তোলা
কতবাৰ তোমাৰ স্নিগ্ধ পোহৰত
গা ধুই লৈছো
এতিয়া মই দৃঢ়
সমাজৰ কাইটীয়া আঁছোৰে
মোৰ মন ৰক্তাক্ত কৰিব নোৱাৰে।



## উভতি যোৱাৰ পথত

শ্ৰীনিৰোদা কলিতা

মা,
উভতি যোৱাৰ পথত,
তুমি মোক আৰু
নেমাতিবা।
নিদিবা অমঙ্গলৰ
আগজাননী।
সুদূৰত শুনিছো সেয়া
স্বাধীনতাৰ উদগ্ৰ আহ্বান।
চৌদিশে ক্ষুধাতুৰৰ
অভাৱ, অনাতন,
অনাহাৰীৰ আৰ্তনাদ।
নিজস্বাৰ্থ অন্বেষী
পিশাচৰ অত্যাচাৰত
মোৰ প্ৰতি টোপাল তেজেই
যেন আজি জ্বলন্ত অগ্নিশিখা'।
ভাৰতীয় শোষকৰ বক্ষ বিদাৰি
জনগণৰ মাজত
সাম্য মৈত্ৰী বিচাৰি
মই গৈয়ে থাকিম
গৈয়ে থাকিম .....
মোৰ উত্তপ্ত তেজ
বাৰে ৰাৰে শিহৰি উঠে
সেইসকলৰ বাবে
যিসকলে ৰক্ত স্ৰোত
বোৱালে
অসমৰ মাটিতে
সেয়েহে মা,
উভতি যোৱাৰ পথত
তুমি মোক নেমাতিবা।

★ ★ ★

## ঃ চিৎকাৰ ঃ

শ্ৰীহিৰণ কলিতা
উঃ মাঃ ১ম বৰ্ষ ( ক'লা )

ধ্বংসৰ প্ৰয়াসেৰে
সেয়া—
মহাযজ্ঞ পাতিছে ধৰাত
অচিন দুৰ্বৃত্তই।
দ্বাবানল জ্বলিছে চৌদিশ
'চক্ৰবেহু' মাথোন হিংসাৰ!
জন্মদাত্ৰীক দুভাগ
কৰাৰ মানস
সিহঁতৰ— ?
চিত্তত চিৎকাৰ মাথো
খোৱা কামোৰাৰ।

★ ★ ★

# এমুঠি পোহৰৰ বাবে

মিচ চামছিয়াৰা আহমেদ
স্নাতক ১ম বাৰ্ষিক (কলা)

তৃষ্ণা ! তৃষ্ণা !! তৃষ্ণা !!!
মাথো তৃষ্ণা
ৰুদ্ধ কণ্ঠৰ দুৰ্বলতা লৈ
জ্বলি উঠা হিংসাৰ
ফিৰিঙতিয়ে
দহিব লাগিছে, কাল এন্ধাৰৰ
কৰাল গ্ৰাসত পৰি থকা
তৃষ্ণাতুৰ জনতাৰ
করুণ হৃদয়।
আহা,
হিংসা মষিমুৰ কৰি
ৰুদ্ধ কণ্ঠ মুক্ত কৰি
তৃষ্ণাতুৰ জনতাৰ
উত্তপ্ত বুকুত
ছটিয়াও শান্তি জল,
লাগে মাথো শীতল পোহৰ।
ব'লা,
বুকুত হেজাৰ সাহস লৈ
বাহুত হেজাৰ শক্তি লৈ
এমুঠি পোহৰৰ বাবে
বিচাৰো স্বতন্ত্ৰতা,
মাথো সমাজৰ বাবে
লাগে এমুঠি পোহৰ ॥

# মানস প্ৰতিমা

শ্ৰীপ্ৰভাৱতী কলি
স্নাতক ১ম বৰ্ষ (কলা

নিৰবধি সুৰৰ নিজৰা নিগৰিয়েই ব'লা,
তুমিটো স্বচ্ছপুত জল
সাধন সাধনা কি অমৰ সাগৰ ?
তোমাৰ চকুত শোভে সীমাহীন প্ৰেমৰ বাস
কিনো দিম কোৱা অনামিকা ?
লাগেনে তোমাক মোৰ জীৱন বসন্তৰ বুটাব
এফাঁকি কবিতা ?
দিম নেকি আঁকি ৰঙালী দিনৰ চাকি
গোলাপী ওঠৰ সুখ বাসনা পুৰোৱা ?
মধুৰ হাঁহিৰে ভৰা মনৰ দাপোন খুলি ক'লে তো
"দিয়া যিটো ভালপোৱা।"
পুনৰাই ক'লো মই ;
বাসন্তী উছৱ মোৰ জীৱন বেদীত ফুলে
তোমাৰ থাপনা

তুমি কি উত্তৰ দিবা—
জানো মই তোমাৰ ভাষাৰ গভীৰতা,
হৃয়োৰে বীণৰ তাল হবহি আশাৰ গান
মৃন্ময় নোহোৱা তুমি তেজেৰে গঢ়া
হৃদয় ঢালিছা, মোৰ মানস প্ৰতিমা।

— o —



# সেই শিশুটি, যাক..........

মূল—ইন্‌গ্ৰিদ মানকাৰ
অনু :—শ্ৰীজিন্নু বৰ্মণ
স্নাতক ১ম বৰ্ষ ( কলা )

"এই শিশুৰ মৰণ নাই
এই শিশুৱে তাৰ মাতৃৰ গালত
প্ৰচণ্ড চৰ সোধাইছে—
যি মাতৃয়ে চিৎকাৰ কৰি উঠিল : 'আফ্ৰিকা'।
যি মাতৃৰ শক্ত শিকলি পৰি—
হৃৎপিণ্ডৰ মাজত শুনা যায়
স্বাধীনতাৰ বাবে ছটফটনি।
এই শিশুৱে তাৰ পিতৃৰ মুখত
প্ৰচণ্ড ঘোচা মাৰিছে
যি পিতৃয়ে চিৎকাৰ কৰি উঠিল : আফ্ৰিকা'।
সময়ৰ সৈতে তাল ৰাখি
যি সকলে খোজ দিবলৈ বিচাৰে
সেই সকলৰ সৈতে নিজকে মিলাই দি
যি নিজৰ ৰক্তত স্নান কৰে ;
তথাপি কেতিয়াও ক'লা মানুহৰ শ্ৰদ্ধাক বিসৰ্জন
দিয়া নাই

সেই শিশুৰ মৃত্যু নাই
লাংগাত সি মৰা নাই।
নি আংগাৰ, অল্যাণ্ড, সাপভিল কতো সি নমৰে
ফিলিপৰ পুলিচ পহৰাত
সি তাৰ কণমানি মূৰটোত
এটি বুলেট লৈ শুই আছে—
তাৰ মৃত্যু ইমান সহজ নহয়
এই শিশু সেই সৈন্যবাহিনীৰ ক'লা ছাঁ।
সিবোৰে ( সৈন্যবোৰে ) ৰাইফল, ব্যাটন আৰু
ভোজালীলৈ
দক্ষিণ আফ্ৰিকাত পহৰা দিয়ে;
এই শিশুটিয়ে প্ৰতিখন ৰাজ্যসভা আৰু আইন
সভাত
নেতা সকলৰ ভাষণ শুনে
এই শিশুটিৱে প্ৰতি ঘৰৰ খোলা খিৰিকিৰে
মাতৃৰ বুকুত উকি মাৰে ;
এই শিশুটি, যি নি আংগাৰ পথাৰত
মাথো খেলিবলৈ বিচাৰিছিল—
আজি সকলো ঠাইতে সি নিজকে এৰি দিছে।
সি এতিয়া পূৰ্ণ যৌৱনপ্ৰাপ্ত;
সমগ্ৰ আফ্ৰিকাতে সি এতিয়া টহল দিছে,
বিৰাট দৈত্যৰ নিচিনাকৈ সি ডাঙৰ হৈ উঠিছে
আৰু স্বৰ্গ-মৰ্ত্য-পাতাল তোলপাৰ কৰিছে
কোনো পাচপোৰ্টৰ বাবেও তাৰ খিয়াল নাই।" □

# এতিয়াও কবিতাৰ বতৰ

শ্ৰীপ্ৰাণেশ্বৰ মা
স্নাতক ২য় ব

হৃদয়ৰ জুই যেতিয়া পাষান হৈ গ'ল
কোকিলৰ কলকণ্ঠত নিৰ্ঘাত আংবাং
নিষ্পাপ শিশুটিৰো কৃত্ৰিম চাৱনি
ভদীয়া কাইৰ পথাৰতো
লগে-ভাগে এচিলিম তাংখু খোৱা
আৰু নচলে যেতিয়া,
হৃদয়ৰ গভীৰতম বিন্দুৰ পৰা নিঃসৃত
মোৰ কবিতাৰ সুৰ
সমস্যাৰ ভৰত এস্তমান
ভাৰসাম্য হেৰাই যাবলৈ ধৰা
কমনীয় ধৰাৰ প্ৰকম্পিত বক্ষত
এতিয়াও কবিতাৰ বতৰ !
আছেনেকি এতিয়াও কবিতাৰ বতৰ ! !
যেতিয়া ফুলবোৰ ছাই হৈ সৰে

ক্ষোভ আৰু অন্তৰ্দাহৰ গাজনিৰে
আকাশ উত্তপ্ত হয়
হৃদয়ে হৃদয়ত নাথাপে করুণ সহানুভূতি
হুচকুৰে বাগৰে তেজৰ লো
মোৰ আই যেতিয়া সৰ্বস্ব হেৰোৱাৰ
করুণ গেঙেৰি মাৰি
সুনীল আকাশলৈ চাই
আশাৰ আচল পাতি
ৰৈ থাকে
তেতিয়াই দিব নেকি কবিতাই মোৰ
আবতৰ আতৰাই
এটি পৰম সুখাবহ
ফৰকাল এটি আশাপ্ৰদ, ফলপ্ৰদ বতৰ !

—০—





# আজিৰ মানুহে সিহঁতক...... ..

শ্ৰীধীৰেণ দাস
স্নাতক ২য় বৰ্ষ

মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত
মই উত্তীৰ্ণ হলো,
মনৰ আনন্দত আনন্দিত হৈ
বন্ধুবৰ্গক পাৰ্টি এটা দিলো।
পৰীক্ষাৰ ৰিজাল্ট শুনি
শত্ৰুবৰ্গই হ'ল এাসিত,
মোৰ সৈতে কথা কবলৈ
সিহঁতে হ'ল চিন্তিত।
এডমিচন লোৱাৰ মানসত এদমিট,
মাৰ্কচিত ট্ৰু কপি কৰিলো ;
ট্ৰু কপিবোৰ এটাষ্ট কৰিবলৈ
মেডিকেলত উপস্থিত হলো।
নিৰ্জনতাৰ সুযোগ লৈ মই
ডাক্তৰৰ ওচৰলৈ গলো,
ডাক্তৰৰ ব্যৱহাৰ দেখি
আচৰিত হৈ পৰিলো।
মোৰ আগতে ডাক্তৰে অইন এজনক
এটাষ্ট কৰি দিলে,
মই অনুৰোধ কৰাত ডাক্তৰে
সময় নাই বুলি কলে।
আনজনৰ ড্ৰেচ পাটিবোৰৰ
দেখি লাগে সুন্দৰ,
সকলোৰে অনুমান হয়
যেন ৰজাৰ নন্দন।
তেওঁৰ ভৰীত জোতা, জিন ছৰ পেণ্ট
চকুত চোছমা হাতত ঘড়ী,
সকলোৱে সহানুভূতিৰে চাই
নিজৰ ঘৰৰ ল'ৰা বুলি।
খেতিয়কৰ ল'ৰা মই খোৱা মুঠিৰ
চিন্তা কৰোতে যায়,
সেয়েহে আজিৰ সমাজত মোক
সহানুভূতিৰে চাওঁতা কোনো নাই ;
যি সকল মানৱক
দেখি লাগে কুৎসিত,
আজিৰ মানুহে সিহঁতক
নিদিয়ে সমাজত চিত।

# এমুঠি ছায়েৰী

সংগ্ৰাহক—শ্ৰীদীপক ৰাজবংশী
স্নাতক ২য় বৰ্ষ

(১) "মিট গয়ে মিটনেৱালে অৱ পৈগাম আয়ে তো ক্যা
দিলকী বৰবাৰ্দী কে বাদ উনকী চালাম আয়ে তো ক্যা ॥"

★ "হেৰুৱাব লগা জয় হেৰাই গ'ল এতিয়া মৃত্যু আহিলে কি হব
হৃদয় ধ্বংস হৈ যোৱাৰ পিছত আদৰণিয়ে কি কাম দিব।"

(২) "কহুতে হেই লোগ খেতি যে বদতৰ হেই ইন্তিজাৰ—
মেৰী তমাম ওম্ৰ কাটে ইন্তিজাৰ মে।"

★ "কোৱা হয় যে অপেক্ষাত থকাটো মৃত্যুতকৈয়ো বেয়া।
মোৰহে গোটেই জীৱন পাৰ হ'ল অপেক্ষাত ৰওঁতেই ॥"

(৩) "দিল কা ক্যা মোল চৰ্মিন্দা না কিজীয়ে মুঝকো আপকী
চীজ হ্যায় লে জাইয়ে কীমত ক্যেই নে।"

★ "মোৰ হৃদয়"ৰ কিমান দাম সুধি লাজ নিদিবা। প্ৰিয়া দাম
কিয় লাগিছে তোমাৰ বস্তু তুমি এতিয়াই নিয়া ॥"

(৪) হম ৰৱাহী হ্যায়
জো মঞ্জিল কী খৱৰ ৰাখতে হ্যায়,
পাৱ কাটো মে
ফুলোকো নজৰ ৰাখতে হ্যায় ॥"

★ "আমি এনে পথিক—যিয়ে লক্ষ্য স্থানৰ প্ৰতি সচেতন;
ভৰিখন যদিও কাইটত লক্ষ্য ফুলৰ প্ৰতিহে ॥"

(৫) "তচবীৰ তেৰী মেৰা দিন বহলা ন সকেগী
ক্ষায় বাত কৰো গাঁ তো য়ে কুছ কহ ন সকেগী।"

★ "তোমাৰ প্ৰতিচ্ছবিয়ে মোৰ মন ভৰাব নোৱাৰে—কাৰণ
মোৰ কথা পাতিবৰ মন গলে— ই উত্তৰ দিব নোৱাৰে।" □





# English Section

# The English Language at a Glance

Prof. **Ali Akbar Hussain**
Department of English

Originated from the teutonic branch of the Indo-Germanic or Indo-European language family, the English language was primarily spoken by the Angles, saxons and Jutes. So far the history of the English language is concerned, it has undergone many evolutionary processes during the old English period ( 450 to 1150 A. D ) and the middle English period (1150 to A. D) and is finally modernised by chaucer who has been regarded as the father of the modern English poetry as well as the maker of the English language. That the Indo-European language family was the ancestor of English has been brought into light by Grim or Verner who have launched a comparative study of different languages like Latin, sanskrit, Greek and English. The Great consonantal shift can be seen in the following words :

| **English** | **Latin** | **Sanskrit** |
|---|---|---|
| Father | Pater | pita |
| Mother | mater | mata |
| Brother | frater | brata |

In the present time it becomes necessarily an intercommunicating tongue or lingua franca because the foreigner can master the language easily for its inflexional simplicity and cosmopolitan vocabulary. As a result of the industrial colonisation and

christianisation and sociocultural intercourse, the language has spread to the nook and corner of the world. The original unmixed vocabulary of Germanic words has been greatly enriched by an admixure of Latin, Greek, Scandinavian and French. Chinese, Arabic and Hindustani words also enter the lexicagraphical arena of English for developing science and technology and emerging trade and commerce. Moreover some word-making methods like Composition ( steam boat, tree, fog, bullock-cart ), derivations ( to tallen→to tell, to sellan→to sell ) root creation ( bang, boom, gigle, hiss ) prefix ( Antiradical, ex-minister ), suffix ( enlighiten ) have also vitalised its vocabulary.

A typical phenomenon of the English language is its 26 lettered Alphabet having 44 sounds – 24 Consonant sounds, 120 vowels and 8 dipthong sounds. A list of the sounds along with the phonetic symbols as used by a distinguished phonetician professor Daniel Jones are funished for understanding the spelling and pronounciation system with the help of examples:

**Vowels :—**

(1) [ i : ] long )—as in the words tree, canteen, receive, key, etc.

(2) [ i ] ( short ) —as in the words sit, rich, symbol, village, etc.

(3) [e] (short) —Set, bed, dead, many, Thames etc.

(4) [a] ( middle between /e/ and /ʌ/ ) as in the words sat, hand, lamp, marry, etc.

(5) [ʌ] (short) as in the words sun, cut, so come, London,

(6) [ai] (long)—as in the words father, after, car, part, etc.

(7) [ɔ] (short )—as in the words dog, was, what, swan, knowledge, because etc.



(8) [ɔː] (long)—as in the words card, horse, born, etc.

(9) [u] (short)—as in the words put, full, wolf, could, etc.

(10) [uː] (long)—as in the words food soon, do, blue shoe, group etc.

(11) [ɜː] ( middle between /e/ and/ɔ/ – as in the words bird, earth, heard, church, word, world. etc.

(12) [ɜ] ( middle between /ʌ/ and /ɔ/ )—as in the words doctor, about affect mother, oblige etc.

**Diphthongs :—**

(1) [ei] as in the words late, make lady, baby etc.

(2) [ai] as in the words time write cry, high etc.

(3) [ɔi] as in the words boy, toy, voice, oil, etc.

(4) [ou] as in the words old home, oak, road etc.

(5) [au] as in the words now, allow, house, etc.

(6) [iɜ] as in the words dear, fear. here, fierce etc·

(7) [ɛɜ] as in the words care, rare. air, fair etc.

(8) [uɜ] as in the words poor, tour, pure, cure. etc,

**Consonants :—**

(1) [tf] as in the words feature, catch, nature etc.

(2) [d3] as in the words judge budget, agent etc.

(3) [o] as in the words thin, thief, author, with etc.

(4) [ә] as in the words the, this, there, father etc.

(5) [s] as in the words machine, shoe, schedle etc :

(6) [3] as in the words pleasure, measure, decision etc.

(7) [f] as in the words fine, find, fever etc.

(8) [v] as in the words voice, vain, vellar etc.

(9) [z] as in the words sing. thing. thank etc.

(10) [j] as in the words young, yoke, yoga etc.

And other distinct consonant sounds are p, t, k, b, g. s, z, h, m. n, l, w and r. But these are not very difficult to pronounce in their phonological features.

one of the peculiarities of English is the use of "voicing" to distinguish words which would otherwise be identical in sound, eg.

race [ reis ] raise [ reiz ]
rice [ rais ] rise [ raiz ]
Price [ prais ] Prize [ Praiz ]

The second characteristic is the changing of meaning by a change in the vowel, eg.

hit [ i ] heat [ i: ]
did [ i ] deed [ i: ]
lip [ i ] leap [ i: ]

The third characteristic is the use of [ n ] and [ z ] as a way of distinguishing between words, eg.

Sin sing
kin King
Sun Sung



The fourth characteristic is th nature of the "Clusters" of co sonants which appear frequently words. Few of the "clusters" other Asian languages and chinese they hardly appear all, eg.

Know – k }
alms – l } Silent letters
Comb b }

Moreover the spelling System h been found haphazard and uns stematic when we deal with flexional endings in terms number, gender, tense and adj tives etc. As for example we ha -es,-s to make plurals but so other words are made plurals changing vowels as in the wor tooth →teeth, goose →geese Likewise in making past tense generally use d,-ed, t etc but can be done by changing vo also eg. go- went, do—did, etc

In traditional grammar we f a detail and comprehensive cussion of grammatical Princip and syntactic structure. But



new structural approach has been launched by Bloomfield and his followers towards the first half of the 19 th century in the form of Immediate Constituent Analysis as shown below :




S – Sentence
N P —Noun Phrase
V P —Verb phrase
Det —Determiner
V —Verb
N —Noun

With the help of this tree-diagram we can have a clear idea about grammatical components and structural behaviours of any se ntence.

Apart from these linguistic features the main stream of the English language has been over-flooded by Some tributaries like the American Englih and the Indian English. Unlike Latin and some other synthetic language the English language follows word-order and syntactic Principles. As for example in Latin the sentence:

"Nero killed Agripannum", it is Similar in meaning with "Agripannum killed Nero". But it is not the case with English.

In English an adjective nearly always stands before its noun unless there are qualifications added to it which draw it after the noun ( A noun in everyway talented ).

An auxiliary verb does not stand far from the main verb. A negative will be found in the immediate neighbourhood of the word it negatives, generally the verb.

while discussing the English language at a glance it will be

an incomplete task without saying a few lines on its importance for the people of the world in general and the Indians in particular.

Originating in England English has now been in Practice in France, German, U. S. S. R, Japan, Egypt, Iran, Sweden, Pakistan, Africa, Malaysia as Second language or optional language under the patronage of Lord Macaulay, then the British ruler, English becomes an official language in India. As a result of historical causes English has come to be the one language that is used known among the educated classes of the Country. It is stressed by some people that much of the national unity in political and other spheres of activity has been brought about through the study of the English language and literature and modern western thought by all educated Indians. Many eminent educationists and scientists have, therefore, expressed the opinion that under no circumstances should we sacrifice the many advantages that we have gained by the study of English. ❑

"Grammarians have absolutely no authority to prescribe what is 'right' or 'wrong' but can merely state what is the actual usage and they are good or bad grammarians as they report truthfully on this point."

(H. C. Wyld : Historical Study of the Mother Tongue)



# Colours and Contours of Modern Assamese Drama

**Dr. Dayananda Pathak**
Principal

The modern Assamese drama has earned its distinct identity by recovering itself from the century-old tradition of Ankiya-Nat which dominated the stage right from the days of the two great Vaisnavite saints of Assam Sankardeva and Madhabdeva. This identity formation process started as early as 1857 with the publication of 'Ram-Nabami', a play by Gunabhiram Barua. This identity has its distinctiveness in the process of covering more and more areas of human experience within the ambit of the stage. The purpose behind the writing of the Ankiya-Nat was strictly specific to propagate and popularise the ideals of Neo-Vaisnavism amongst the masses steeped in Shakta culture and promiscuity in faith. Such plays were basically propagandist in spirit. This tradition was perfectly meaningful and relevant during the time of the great saints and also equally powerful till the later part of the 19th century. This is indicative of the inward health of the Ankiya-Nat tradition.

Human mind is a dynamic phenomenon. Human tastes and habits are also equally dynamic. This dynamism is activated by the social, political and economic forces of history. History

of Assam has changed severalfold since the time of the great saints. Presentday people do not enjoy an Ankiya-Nat as much as they did during and after the 16th century. This popularity continued almost unabated till the annexation of Assam under the British colonial rule in 1826.

The colonial rule changed the history of Assam in its various ramifications and the same virtually proved to be a catalyst agent in changing the social, economic, educational and cultural traditions of the people. English education gave a new lease of life to the people. Through English education they earned an access to the bests of the west. Modernity in Assamese literature in every literary form may be said to have started from that access to the west. This access was both direct and indirect. Most of the Assamese students of the elitist class came to Calcutta for formal collegiate and University education. By that time the co nial rule and the colonial cultu were well anchored in the so of Bengal. In Bengal the colon rule started from the Battle Plassey in 1757, while in Ass it took seven more decades to ta root. From that point of vi the people of Bengal were co paratively ahead of us so far their access to the English edu tion is concerned. In this reg the contribution of the Calcu University, which was establish in 1857, should not be lost sight o

During the British rule th study of the English playwrigh became a fad amongst the edu ted sections of the Bengali soci So was the case with the Assame students studying in Calcutt Amongst the English playwrigh the popularity of William Shake peare was the foremost. Beng versions of Shakespeare's pl were staged and they were imme sely popular. Many Bengali pla were written in adaptation of th



Shakespearean plays. These adaptations were also equally popular. These Shakespearean plays even changed the structural form and style of the vernacular plays. The change is further accentuated by the study of the different theories of the ancient writer-philosophers of Greece and Rome as applied in their plays. The Assamese students reading in Calcutta were exposed to this changing dramatic milieu. The germs of modern Assamese drama lay in this exposure. Gunabhiram Barua was one such sensitive students who broke the ice of tradition and laid the foundationstone of modern Assamese drama. His play ; Ram Nabami ; as we have already pointed out, is indeed a seminal play in this regard. In the given play Gunabhiram Barua followed the style and structure of the Shakespearean play, more especially a play like 'Romeo and Juliet', Following the cue of Gunabhiram Barua Hemchandra Barua wrote a play called 'Kaniyar Kirtan' ( 1861 ) and Rudra Ram Bordoloi wrote 'Bonggal-Bongaloi' ( 1872 ). With these plays the playwrights desperately wanted to change the outmoded culture and habits of the Assamese people.

This movement for change is further accentuated by the literary stalwarts like Lakshminath Bezbarua, Padmanath Gohainbarua, Nakul Chandra Bhuyan, Sailadhar Rajkhowa, Prasannalal Choudhury, Pojiruddin Ahmed, Doiba Ch. Talukdar, Kamala Kanta Bhattacharjya, Atul Ch. Hazarika, Dondinath Kalita, Prabin Phukan, Uttam Barua, Lakshyadhar Choudhury, Sarbananda Pathak and many others. Their plays, both historical and social ones, constitute the very foundation of the modern Assamese dramatic movement. But modernity as we understand today came with the plays of Jyotiprosad Agarwalla, who brought about a hurricane in the field of modern Assamese

drama. In fact, he is the very architect of modern Assamese drama. Deeply imbubed with the style and spirit of Ibsen, Shaw and Galsworthy he wanted to give a new dimension to Assamese drama. From this point 'Karenger Ligiri' can be called a modern classic. Other plays of Jyotiprasad include 'Sonit Kuwari' 'Rupalim' and 'Lobhita'. Each of these plays represents the popular trends in western dramatic experiments.

It sounds quite paradoxical that the modern Assamese drama to a considerable extent has been influnced by the original English and adapted Bengali versions of Shakespeare. The impact of Shakespearean plays went a long way in modernising the Assamese plays at the cradling stage. But with Jyotiprosad Shakespeare was being replaced by other western writers, philosophers, and playwrights. By this time the west has gone far ahead in every direction of human life. This is more so virtually after the two great wars. In the wa of the two global holocausts wr iters and philosophers and politica leaders wanted to explain an interpret the ways of human ex istence in the light of ne experiences. They sought to impu new meaning to life and existence These newfound experiences start ed working beyond all nationa and geographical frontiers. Adv ance ideas permeated every huma society cutting across nationa frontiers inasmuch as almost eve nook and corner is being affecte by the great wars. Almost eve country had to bear the scar o the wars. This scar was even bor by Assam and its people.

War experiences gave a fres impetus to drama the world ov Almost every advanced Europe nation was experimenting wi new dramatic structure, style, an content with varying degrees success. Every dramatic style experiment had its own group coterie of admirers, while



specific style or experiment could manage to settle up permanently in the hearts of the poeple. Often more than one such dramatic styles overlapped in the writing of a single dramatict.

Modernity in Assamese drama is virtually nothing other than the western impact over the same. This does not mean that the Assamese drama was going rootless. Assamese drama absorbed whatever best the west could offer without getting itself severed from the grip of its own soil. In fact, the west is being twisted and suitably Assamised to be meaningful to the tastes of the local theatregoers.

